A.L.A. Debates 1975
1st April to 8th September.
VOL — II
A.L.A. Library
Dispur.

Legisla

BUEGET SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE FIFTH GENERAL ELECTIONS UNDER THE SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

DP605

# BUDGET SESSION

## VOL. I
## NO. 34 — 37

The 1st April, 1975

सत्यमेव जयते

1989

PRINTED AT GUPTA PRINTERS, GUWAHATI-781 006

REFERENCE
NOT FOR ISSUE
A. L. A. LIBRARY

# DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY, 1975

## BUDGET SESSION

## VOLUME I

## No. 34

Dated the 1st April, 1975

## CONTENTS


| | | PAGES |
|---|---|---|
| 1. | Questions and Answers | 1—43 |
| 2. | Miscellaneous | 44—45 |
| 3. | Calling Attention Notice | 46—54 |
| 4. | Matter Under Rule 301 | 54—57 |
| 5. | Discussion Under Rule 50 | 58—84 |
| 6. | Resolution | 85—92 |
| 7. | Adjournment | 92 |

# Proceedings of the ninth Session of the Assam Legislative Assembly assembled after the Fifth General Elections under Sovereign Democratic Republican Constitution of India.

The Assembly met in the Assembly Chamber, Dispur, Gauhati on Tuesday, the 1st April, 1975 with the Speaker in the Chair, 15 (Fifteen) Ministers, 6 (Six) Ministers of State, 1 (one) Deputy Minister, 62 (Sixty two) Members present.

## STARRED

## QUESTIONS AND ANSWERS

Date: 1st April, 1975

বি: সোনাৰী সমষ্টিৰ গড়কাপ্তানী ৰাস্তা

শ্ৰীজানকী নাথ সন্দিকৈয়ে সুধিছে:

* ৫৪৩। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) সোনাৰী সমষ্টিত কেইমাইল গড়কাপ্তানী ৰাস্তা পকা (Blacktopped) কৰা হৈছে ?

(খ) ধোদৰ আলিৰ অৱশিষ্ট মেথেনাবাৰীৰ পৰা দিল্লী ঘাটলৈ ৰাস্তা ছোৱা অনতি পলমে পকা কৰাৰ কিবা আঁচনি চৰকাৰে লৈছে নেকি ?

(গ) যদি লোৱা হৈছে তেন্তে এই কাম কেতিয়া আৰম্ভ কৰা হব ?

শ্ৰীমহম্মদ ইদ্ৰিছ (গড়কাপ্তানী বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে:

৫৪৩। (ক) সোনাৰী সমষ্টিত মুঠ ২৬ কিলোমিটাৰ ৰাস্তা এতিয়ালৈকে পকা কৰা হৈছে।

(খ) হয়, লোৱা হৈছে।

(গ) অহা দ্বিতীয় বছৰৰ আৰম্ভণিতে কাম আৰম্ভ কৰিব পৰা হব বুলি আশা কৰা হৈছে।

শ্ৰীজানকী নাথ সন্দিকৈ: মন্ত্ৰী মহোদয়ে অহা বছৰত আৰম্ভ কৰা হব বুলি কৈছে। কিন্তু যোৱা বছৰ বৰষুণৰ বতৰত কোনো গাড়ী অহা যোৱা কৰিব পৰা নাছিল, অহা বাৰিষাৰ আগতে যদি কিছু খৰছ নকৰে তেনেহলে বৰষুণ হোৱাৰ লগে লগে আগৰ অৱস্থাই হব। সেই কাৰণে কিবা বিশেষ ব্যৱস্থা লবনে?

মঃ ইদ্ৰিচ (মন্ত্ৰী): এই ১৭ মাইল ৰাস্তাৰ কাম কৰিবৰ কাৰণে ২৪ লাখ ৩৫ হাজাৰ টকা ১৮।৩।৭৫ তাৰিখে চেংচন দিয়া হৈছে। এই বছৰ আজিৰ পৰা আৰম্ভ হৈছে গতিকে কাম আৰম্ভ কৰা হব।

শ্ৰীগিয়াচুদ্দিন আহমেদ: ধোদৰ আলিৰ কাম ধোদৰ নিচিনাকৈ লেহেম গতিত চলিছে নেকি? এই দৰে চলিলে আৰু কিমান দিন লাগিব?

মঃ ইদ্ৰিচ (মন্ত্ৰী): গতি বৃদ্ধি কৰাৰ কাৰণে চেষ্টা কৰা হৈছে।

শ্ৰীনগেন বৰুৱা: ধোদৰ আলিৰ কিছুমান অঞ্চলত কিছুমান কাম হোৱা নাই। এই বাকী অংশবিলাকৰ কাম সম্পূৰ্ণ কৰাৰ কাৰণে চৰকাৰে কি ব্যৱস্থা লৈছে?

মঃ ইদ্ৰিচ (মন্ত্ৰী): মই সদাহতে এই খিনিহে লৈ আহিছিলো। বাকী খিনিৰ কথা চাব লাগিব।

শ্ৰীসুৰেন দাস: সমষ্টি ভিত্তিত ব্লেক টপিং ৰাস্তা লোৱাৰ কিবা পৰিকল্পনা আছে নেকি?

মঃ ইদ্ৰিচ (মন্ত্ৰী): সমষ্টি ভিত্তিত ব্লেক টপিং ৰাস্তা লোৱাৰ ব্যৱস্থা নাই। ঠায়ে ঠায়ে পূজী সাপেক্ষে লোৱা হৈছে।

**Starred Question No. 544 was not put, the Member being absent.**

**বিঃ চাৰকুইট হাউচ**

শ্ৰীবদন চন্দ্ৰ তালুকদাৰে সুধিছে:

০৫৪৫। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) অসমৰ কোন কোন মহকুমাৰ সদৰত চাৰকুইট হাউচ নাই?

(খ) এই মহকুমাধোৰত চাৰকুইট হাউচ নির্ম্মাণ কৰাৰ কোনো আঁচনি চৰকাৰে লৈছে নেকি ?

শ্রীশৰৎ চন্দ্র সিংহ ( মুখ্যমন্ত্রী )য়ে উত্তৰ দিছে ঃ

৫৪। (ক) তিনিচুকীয়া, মৰিগাওঁ, হাফলং, ধেমাজী আৰু নলবাৰী সদৰত চাৰকুইট হাউচ নাই।

(খ) বর্ত্তমান ধেমাজী আৰু নলবাৰীত চাৰকুইট হাউচ সজাৰ কাম চৰকাৰৰ বিবেচনাধীন হৈ আছে।

শ্রীবদন চন্দ্র তালুকদাৰ : নলবাৰী আৰু ধেমাজীত নির্মাণ কৰিব খোজা চাৰকিট হাউচৰ কাম কিমান আগবাঢ়িছে আৰু কোন পর্য্যায়ত আছে ?

শ্রীশৰৎ চন্দ্র সিংহ ( মুখ্য মন্ত্রী ) : প্লেন এচটিমেট চৰকাৰৰ ওচৰত দাখিল কৰিছে। ধেমাজিত মাটি অধিগ্রহণ কৰা হৈছে আৰু নলবাৰীত মাটি অধিগ্রহণৰ জো-জা চলি আছে। ইমানেই আগবাঢ়িছে।

শ্রীবদন চন্দ্র তালুকদাৰ : নলবাৰী চাৰকিট হাউচৰ কাৰণে কব বিলডিঙৰ ওচৰত মাটি লৈছিল নেকি ?

শ্রীশৰৎ চন্দ্র সিংহ ( মুখ্যমন্ত্রী ) : সেইটো কোৱা টান কিন্তু মাটিৰ বন্দবস্তি হৈ গৈছে।

শ্রীকবিৰ চন্দ্র ৰয় প্রধানী : গুৱাহাটী চাৰকিট হাউচ গুৱাহাটীৰ কাৰণে। আমাৰ ৰাজধানীত চাৰকিট হাউচ সজাৰ কিবা ব্যৱস্থা আছে নেকি ?

শ্রীশৰৎ চন্দ্র সিংহ ( মুখ্যমন্ত্রী ) : প্রশ্নটো নতুন।

শ্রীদুলাল চন্দ্র বৰুৱা : ধেমাজিত মাটি অধিগ্রহন কৰা হৈছে বুলি কৈছে কিন্তু আমি জনাত এতিয়াও ধেমাজিত মাটি অধিগ্রহণ কৰা হোৱা নাই এই কথা সচানেকি ? যদি সচা হয় তেনেহলে অতি সোনকালে মাটি অধিগ্রহন কৰাৰ ব্যৱস্থা কৰিবনে ?

শ্রীশৰৎ চন্দ্র সিংহ ( মুখ্যমন্ত্রী ) : মই জনা মতে কাম বাকী নাই। ৩৫ বিঘা মাটি অধিগ্রহণ কৰা হৈছে তাতে চাৰকিট হাউচ কৰা হব।

শ্রীবদন চন্দ্র তালুকদাৰ : যি বিলাক ঠাইত চাৰকিট হাউচ নাই সেই বিলাকত কি বিকল্প ব্যৱস্থা কৰিছে ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ ( মুখ্যমন্ত্ৰী ) : ইন্সপেকচন বাংলা আছে। তাতে চাৰকিট হাউচৰ কাম হয়।

শ্ৰীজগদীশ দাস : এই ঠাই বিলাকত কিয় চাৰকিট হাউচ নাই আৰু দ্বিতীয় কথা হৈছে যে মৰিগাৱত চাৰকিট হাউচ নথকাৰ কাৰণে নগাওঁ চাৰকিট হাউচত থাকিবলগীয়া হয়। সেই কাৰণে মৰিগাৱত চাৰকিট হাউচ কৰাৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ ( মুখ্যমন্ত্ৰী ) : আগতে মহকুমা নাছিল কাৰনেই চাৰকিট হাউচ নাছিল। এতিয়া মহকুমা হৈছে যেতিয়া ব্যৱস্থা কৰা হব। এতিয়া দুটা মহকুমাত. নলবাৰী আৰু ধেমাজিত ব্যৱস্থা লোৱা হৈছে বাকী তিনিটাৰ কাম এতিয়াও লোৱা নাই।

শ্ৰীৰাজেন ফুকন : তিনিচুকীয়াত যিটো ডাক বাংলা আছে সেইটো বৃটিছৰ দিনৰে। তাত বহুতো অসুবিধা আছে। গতিকে তিনিচুকীয়া ব্যৱসায় কেন্দ্ৰ আদিলৈ চাই তাত এটা চাৰকিট হাউচ কৰাৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ ( মুখ্যমন্ত্ৰী ) : তিনিচুকীয়া, মৰিগাও আৰু হাফলঙত প্ৰয়োজন আছে। হাফলং পৰ্বতীয়া ঠাই। গতিকে তাতো চাৰকিট হাউচ লাগে। কিন্তু চৰকাৰে উৎপাদনত গুৰুত্ব দিয়াৰ কাৰণে এই বিলাক কথা থিলা হৈছে।

Shri Shantiranjan Dasgupta : Sir, What is the criteria of estalishing a Circuit House?

Shri Sarat Chandra Sinha ( Chief Minister ) : Sir, there is no criteria of establishing a Circuit House. The only thing is that we want to have a Circuit House in the District and Subdivisional Headquarters.

শ্ৰীজগদীশ দাস : চাৰকিট হাউচত কিমান দিনলৈকে থকাৰ নিয়ম আছে ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ ( মুখ্যমন্ত্ৰী ) : নিয়ম মতে যিমান দিনলৈকে থাকিব পাৰে সিমান দিনলৈকেহে থাকিব পাৰে।

শ্ৰীনগেন বৰুৱা : চাৰকিট হাউচত কোন কোন পৰ্য্যায়ৰ মানুহ থাকিব পাৰে, আৰু যি বিলাকে ৰোল ভংগ কৰি পাৰমেনেন্ট হিচাবে থাকে সেই বিলাকক কোনে পাৰমিচন দিয়ে ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী): ৰুলত সেই বিলাক কথা আছে। কোনো-বাই ৰুল ভংগ কৰি থাকিলে সেই কথা দৃষ্টি গোচৰ হলে তাৰ ব্যৱস্থা লোৱা হয়। কিন্তু এতিয়া প্ৰশ্নটো হৈছে চাৰকিট হাউচৰ নিৰ্মাণ সম্পৰ্কে। নিয়মাৱলীৰ সম্পৰ্কত নহয়।

শ্ৰীবদন চন্দ্ৰ তালুকদাৰ: অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে এটা প্ৰশ্নৰ উত্তৰত জনাইছে যে যত চাৰকুইট হাউচ নাই তাত ডাকবাংলা আছে, মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে চাৰকুইট হাউচৰ যি নিয়ম সেই নিয়ম ডাকবাংলাত প্ৰযোজ্য হয় নে নহয়?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী): প্ৰযোজ্য হব পাৰে, কিন্তু যিহেতুকে চাৰকুইট হাউচ নাই, সেই হেতুকে সেই নিয়ম প্ৰয়োগ কৰা ঠিক নহব।

শ্ৰীৰাজেন ফুকন: অধ্যক্ষ মহোদয়, বিষয়াসকল চাৰকুইট হাউচত থাকিব পৰা কিছুমান নিৰ্দ্ধাৰিত সময় বা নিয়ম আছে, কিন্তু গুৱাহাটীৰ চাৰকুইট হাউচত কিছু-মান বিষয়াই মাহৰ পিছত মাহ জুৰি চাৰকুইট হাউচ দখল কৰি থকা কথাটো মন্ত্ৰী মহোদয়ে জানে নে? যদি জানে তেন্তে এই সম্পৰ্কে কিবা ব্যৱস্থা চৰকাৰে লৈছে নে?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী): অধ্যক্ষ মহোদয়, কোন বিশেষ বিষয়াৰ কথা সদস্য গৰাকীয়ে কৈছে মই নাজানো। নিয়মতে তেওঁলোক তাত থাকিব পাৰে, যদি নিয়মতকৈ কোনোবাই বেছি দিন থাকিব বিচাৰে তেন্তে অনুমতি লৈ থাকিব লাগে। হয়তো কোনোবাই সেইমতে অনুমতি লৈ আছে। আৰু যদি কোনোবাই অনুমতি নোলোৱাকৈ আছে তেন্তে জনালে ব্যৱস্থা লব পৰা হব।

Starred Question No. 546 was not put, the member being absent.

Re: Borrowers of Books from Government Libraries

Shri Giasuddin Ahmed asked :

*547. Will the Minister, Education be pleased to state—

(a) The total number of habituel borrowers of books from Government Libraries in the State at present ?

(b) What steps have been taken to inculcate reading habit amongst the public ?

(c) What type of books people generally prefer?

(d) How many books on "Socialism" are in stock in Government libraries and who are the authors?

Shri Harendra Nath Talukdar (Minister, Education) replied:

547. (a)– 22, 047 as on 1974-75.

(b)— During 1974-75, National Library Weeks in the Libraries were observed through book display and Library Talks by eminent authors and educationists. Book exhibition was organised in Biswanath Chariali, Darrang in the month of February 1975. Besides above book exhibition on "Science and Technology", rare book exhibitions, Gandhian literature were organised in preceeding years by the District Library, Gauhati, Nowgong and Tezpur respectively. Talks on "Organisation of Readers Services" was broadcast through All India Radio by the State Central Library, Assam.

(c)—People generally prefers fictions and a considerable number of peoples prefer books on research materials.

(d)– A statement is placed on the Table of the House.

Shri Giasuddin Ahmed— It is found that the Government has Libraries in all the towns of the State. May I know what steps are the Government taking to establish libraries in the rural areas of the State?

Shri Harendra Nath Talukdar (Minister, Education)— In rural areas also there are libraries organised by the local youths and they are under the Social Education Department.

Shri Giasuddin Ahmed :—Is there any library in the rural areas either managed by the Government or entirely under the Government?

Shri Harendra Nath Talukdar (Minister, Education) :—I do not think, Sir, there is any such library.

Shri Giasuddin Ahmed :—Sir, in towns there are Government libraries particularly in District headquaters except, of course, Dhubri ; that is a different matter. May I know whether Government think it necessary to set up Government libraries in the rural areas also ?

Shri Harendra Nath Talukdar (Minister, Education) :—Government is giving grants-in-aid to the village libraries also. Govt may, however, examine the possibility of bringing such libraries under the control of the Govt.

শ্ৰীনগেন্দ্ৰ বৰুৱা :—অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে ডিষ্ট্ৰিক লাইব্ৰেৰীৰ পৰা গাওঁ অঞ্চলত থকা লাইব্ৰেৰীবোৰলৈ পোষ্কৰ দিনীয়া বা মাহেকীয়া ভিত্তিত কিতাপ পঢ়িব পৰাকৈ মেম্বাৰ হোৱাৰ নিয়ম আছিল। আজিকালিও সেই নিয়ম চলি আছে নে ? যদি নাই কিয় উঠাই দিয়া হল ?

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ (মন্ত্ৰী) :– অধ্যক্ষ মহোদয়, তাৰ বাবে এটা নতুন প্ৰশ্ন লাগিব।

শ্ৰীলক্ষীকান্ত শইকীয়া :—অধ্যক্ষ মহোদয়, পুথিভঁৰালৰ গোটেই কথাখিনি সামৰি লব পৰাকৈ এখন আইন প্ৰণয়ন কৰাৰ কথা আছিল আৰু তাৰ বাবে মন্ত্ৰী মহোদয়ে এই সদনতে আশ্বাসো দিছিল, এতিয়া এই সম্পৰ্কে কিমানখিনি আগবাঢ়িছে মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ (মন্ত্ৰী) :—বিষয়টো পৰীক্ষাধীন হৈ আছে।

শ্ৰীনগেন্দ্ৰ বৰুৱা :—অধ্যক্ষ মহোদয়, মোৰ প্ৰশ্নটোৰ উত্তৰত মন্ত্ৰী মহোদয়ে নতুন প্ৰশ্ন লাগিব বুলি কলে কিন্তু (বি) প্ৰশ্নত সোধা হৈছে যে—What steps have been taken to inculcate reading habit amongst the public ? গতিকে পাবলিক বুলিলে গাওঁ অঞ্চলত লাইব্ৰেৰী স্থাপন কৰি যিসকল লোকে কিতাপ পঢ়াৰ অভ্যাস কৰিছে তেওঁলোকক সুবুজায় জানো ? আৰু ডিষ্ট্ৰিক লাইব্ৰেৰীৰ পৰা কিতাপ আনি পঢ়াৰ নিয়মটোৰ কথা সোধোতে মন্ত্ৰী মহোদয়ে কিয় নতুন প্ৰশ্ন লাগিব বুলি কলে মই বুজি নাপালো।

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ (মন্ত্ৰী) :—অধ্যক্ষ মহোদয়, নিয়মৰ কথা সুধিছে বাবে মই নতুন প্ৰশ্ন লাগে বুলি কৈছো।

শ্ৰীনগেন্দ্ৰ নাথ বৰুৱা :—বিল্ডিং হেৰিত এমং দি পাবলিক বুলিলে গাওঁ অঞ্চলত যি সকলে লাইব্ৰেৰী পাতি কিতাপ পঢ়াৰ অভ্যাস কৰিছে সেই সকলক সহায় কৰাৰ কাৰণে ডিষ্ট্ৰিক লাইব্ৰেৰীৰ পৰা কিতাপ আনি পঢ়া নিয়মটো আজিকালিও আছেনে নাই ? এই নিয়ম উঠাই দিয়া হৈছে নেকি ?

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ (মন্ত্ৰী) :—কথাটো চাব লাগিব বুলি কৈছো।

শ্ৰীজগদীশ চন্দ্ৰ দাস :—অধ্যক্ষ মহোদয়, আমাৰ চেণ্ট্ৰেল লাইব্ৰেৰীটো ছিলঙত আছিল বুলি আমি জানো, এতিয়া সেই লাইব্ৰেৰীটো কত আছে ? যদি কতো নাই তেন্তে গুৱাহাটীৰ ডিষ্ট্ৰিক লাইব্ৰেৰীতে পতাৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ (মন্ত্ৰী) :-অধ্যক্ষ মহোদয়, সেইটো এতিয়া গুৱাহাটীৰ ডিষ্ট্ৰিক লাইব্ৰেৰীতে আছে।

Maulana Abdul Jalil Choudhury :—অধ্যক্ষ মহাশয়, আজ স্বাধীনতার ২৭ বৎসর পরেও আমাদের গ্রামগুলি বিশেষতঃ শিক্ষার ক্ষেত্রে একেবারে অনগ্রসর। সুতরাং একথা বিবেচনা করে, আমাদের জেলা লাইব্রেরী গুলিকে এক একটি Central Library র মতো ধরে গ্রামের লাইব্রেরী গুলিকে এই Librarian এর তত্বাবধানে কিছুটা উন্নতি সাধন করার চেষ্টা সরকাৰ করবেন কি ?

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ (মন্ত্ৰী) :—অধ্যক্ষ মহোদয়, পৰীক্ষা কৰি চাম বুলি কৈছো।

শ্ৰীপ্ৰেমধৰ বৰা :—অধ্যক্ষ মহোদয়, পুথিভঁৰাল স্থাপনৰ উদ্দেশ্য মহান, কিন্তু দেখা গৈছে পুথিভঁৰালবিলাকত কমিটি নথকাৰ কাৰণে বিভিন্ন সময়ত ছাত্ৰ,ছাত্ৰীয়ে বয়সৰ লগত খাপ খুৱাই কিতাপ নি পঢ়াত অসুবিধা হয়। এই কথাটো পৰীক্ষা কৰি যিবিলাক লাইব্ৰেৰীৰ পৰা কিতাপ নি ছাত্ৰ-ছাত্ৰীয়ে পঢ়ে সেই ছাত্ৰ-ছাত্ৰীসকলৰ অভিৰুচি মতে তাক সংস্কাৰ কৰি এখন আইন প্ৰণয়ন কৰি দিয়াৰ কথাটো চৰকাৰে ভাবিবনে ?

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ (মন্ত্ৰী) :—অধ্যক্ষ মহোদয়, তেনে কিতাপ বাচনি কমিটি লাইব্ৰেৰীবোৰৰ কাৰণে আছে আৰু সেই কমিটিৰ পৰামৰ্শমতে লাইব্ৰেৰীবোৰত কিতাপ কিনা হয়।

Shrimati Renuka Devi Barkataki :—Now whether Gauhati District Library has been converted to the Central Library or we have a separate library ?

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ (মন্ত্ৰী) :—চাৰ, গুৱাহাটীৰ ডিষ্ট্ৰিক লাইব্ৰেৰীটোতে চেণ্ট্ৰেল লাইব্ৰেৰীৰ কিতাপথিনি আছে।

Shrimati Renuka Devi Barkataki :—Whether we have got a Central Library or not where people can go ? If there is one whether the Gauhati District Library is used as such ?

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ (মন্ত্ৰী) :-চাৰ, গুৱাহাটীৰ ডিষ্ট্ৰিক লাইব্ৰেৰীতে আছে, কিন্তু কিতাপবিলাক ঠিকমতে দ্বিচপ্লে কৰিব পৰা নাই। কৰিব খাকিলে বিদিং ৰুমৰ ব্যৱস্থা কৰিব পৰা যাব।

Shrimati Renuka Devi Barkataki :—Whether Gauhati District Library will be converted into the Central Library for Assam ?

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ (মন্ত্ৰী) :—বিবেচনাধীন হৈ আছে।

শ্ৰীমতী ৰেণুকা দেৱী বৰকটকী :—ছিলঙৰ পৰা ৰাজধানী নমাই অনাৰ পিচত চেণ্ট্ৰেল লাইব্ৰেৰীৰ কিতাপবিলাক ডিষ্ট্ৰিক লাইব্ৰেৰীতে ৰখা হৈছে। কিন্তু চেণ্ট্ৰেল লাইব্ৰেৰীটো কত কৰিব এতিয়াও অসম চৰকাৰে ঠিক কৰিব পৰা নাই। Immediately they should declare that the Gauhati District Library is the Central Library for Assam and give the necessary sanction so that it may function as such. Sir, you will be surprised to see how this Gauhati District Library has been virtually converted into a vegitable godown now.

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ (মন্ত্ৰী) :—মই কৈছো যে বিবেচনা কৰি থকা হৈছে।

Shri Dulal Chandra Barua :—Whether Government contemplate to construct a separate building for the Central Library or it is proposed to house the Central Library in the Gauhati District Library so that ultimately the district library will not be in existance there ?

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ (মন্ত্ৰী) :—মই কৈছো যে চৰকাৰে বিবেচনা কৰি আছে।

শ্ৰীৰাম চন্দ্ৰ শৰ্মা :—অধ্যক্ষ মহোদায়, চেণ্ট্ৰেল লাইব্ৰেৰীৰ পৰা ৰুৰেল এৰিয়াৰ লাইব্ৰেৰীবোৰত কিতাপ দিয়াৰ নিয়ম আছে নেকি ? যদি আছে তেন্তে কি ভিত্তিত

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ (মন্ত্ৰী) :—মই জনাত তেনেকুৱা ব্যৱস্থা নাই।

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা :—অধ্যক্ষ মহোদয়, চেণ্ট্ৰেল লাইব্ৰেৰীৰ কাৰণে কিমান টকা ধৰা হৈছে ? যদি ধৰা হৈছে তেন্তে সেই টকাৰে ঘৰ সাজিবৰ কাৰণে হৈছেনে কিতাপৰ কাৰণে ৰখা হৈছে ?

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ (মন্ত্ৰী) :—এক লাখ টকা কিতাপ কিনাৰ কাৰণে হৈছে।

Shri Giasuddin Ahmed :—Sir, I have one supplementary. Whether it is a fact that the Meghalaya Government did not allow Assam Government to bring some rare books of historical and geographical importance from the then existing Central Library at Shillong to Gauhati ?

Shri Harendra Nath Talukdar (Minister, Education) :—According to the North Eastern Council Reorganisation Act discussions regarding the division of the books if the Central Library took place at the Chief Secretaries' level, between the two Chief Secretaries of Assam and Meghalaya, and the matter was finalised as per the decision arrived at by them.

Shri Giasuddin Ahmed :—So the books were divided. Now what was the total number of books in the Central Library and what was the share of the Assam Government ?

Shri Harendra Nath Talukdar ( Minister, Education ) :—That information is not with me now, Sir.

Shri Dulal Chandra Barua :—Sir, Minister has referred to the North Eastern Council Act. I do not quite understand what is meant by the Minister by this North Eastern Council Act.

Shri Harendra Nath Talukdar (Minister, Education) :—North-Eastern Council Re-organisation Act.

শ্ৰীৰাম চন্দ্ৰ শৰ্মা :—কেন্দ্ৰীয় পুথিভড়ালৰ পৰা গ্ৰামিন পুথিভড়াললৈ কিতাপ আদিৰ সাহায্য দিয়াৰ ব্যৱস্থা আছেনে ? যদি আছে কি কি কথাৰ ওপৰত ভিত্তি কৰি এই সাহায্য দিয়া হয় ?

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ (মন্ত্ৰী) :—মই জনাত তেনেকুৱা ব্যৱস্থা নাই।

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা :—কেন্দ্ৰীয় পুথিভড়ালৰ বাবে বাজেটত টকা ধৰিছেনে ? আৰু কি কি শিতানত ধৰিছে ?

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ (মন্ত্ৰী):—কিতাপৰ কাৰণে ১ লাখ টকা দিয়া হৈছে।

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা :—ঘৰ সজাৰ কাৰণে টকা দিয়া হৈছেনে ?

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ (মন্ত্ৰী) :—এতিয়া বিবেচনাধীন হৈ আছে।

Re : Liaison officer

Shri ABDUL HUSSAIN MIR, asked ;

*548. Will the Chief Minister be pleased to state—

(a) Whether it is a fact that a Commissioner has been appointed as 'Liaison officer' at New Delhi to assist the work of Assam Government ?

(b) If so, what works have been entrusted to this officer ?

(c) What is his monthly salary and the amount spent by Assam Government to maintain his office at Assam House in New Delhi for the year (1) 1972-73 (2) 1973-74 ?

(d) Whether it is a fact that he is also working as an agent or liaison Officer of Ashok Paper Mills Limited and if so whether any prior permission has been obtained by him from Assam Government ?

Shri SARAT CHANDRA SINHA ( Chief Minister ) replied :

548. (a) A senior officer beloging to I. A. S. Cadre has been

appointed as Secretary to the Government of Assam, General Administration Department and Special Commissioner ( Liaison ) with headquarters at New Delhi with effect from 1st June 1972.

(b) (i) The duties of the officer is to maintain close Liaison with different Ministries and Organisations of Government of India.

(ii) He is to persue all matters with the various Ministries and Organisations which the State Government or any Department of Government refer to Central Government for decision.

(iii) He is to represent Assam Government in various meetings and discussions pertaining to Assam Government.

(iv) He is to exercise General Supervision of the working of the Assam House, New Delhi.

(v) He is to perform other multifarious duties as may be entrusted to him as and when required.

(c) Monthly salary of the officer as on 1st January 1975 is Rs 2,127.00 only. No separate expenditure is incurred for maintenance of his office as he uses the services of the establishment of the Assam House.

(d) No.

Shri Abdul Hussain Mir :—Sir, the Chief Minister has said that this Liaison Commissioner has been entrusted with the duties of attending meetings, discussions etc at Delhi although we find that officers of various departments of this State go to Delhi to attend meetings etc. Therefore, may I know from the Chief Minister after appointment of this officer whether expenditure has been minimised in respect of travelling of officers ?

Shri Sarat Chandra Sinha : It is not the question of minimising the expenditure ; it is the question of convenience and expendiency

If an officer of the rank of Secretary is stationed at Delhi it is convenient for the Government of Assam to maintain a liaison with the different Ministries of the Central Government. Sir, officers of different departments go to Delhi and attend different meetings. Besides these officers a senior officer should also be there to maintain better and closer contact with the different departments of the Central Government.

Shri Dulal Chandra Barua :—There is another Liaison officer at Delhi. Now that an officer of the rank of Commissioner to look after the various works in respect of co-ordination with Government of India may I know whether there is any justification of retaining the post of Liaison Officer ?

Shri Sarat Chandra Sinha :—There is justification, Being a junior officer he will assist the Commissioner in many matters.

Maulana Abdul Jalil Choudhury—आसाम के लोगों को अपनी रोजाना जरुरत की सारी चीजें, खासकर Count वगैरह के लिए बहुत सारी दिक्कतें और परेशानियों का सामना करना पड़ता है। इस कदर responsible officer के मुकरर किये जाने से इस हालात की, खासकर Count की Supply में कहाँ तक तरक्की हुई है ?

Shri Sarat Chandra Sinha ( Chief Minister )— जनाब-ए-सदर ! बहुत सारी तरक्की हुई है।

Maulana Abdul Jalil Choudhury— इस responsible officer का नाम क्या है ?

Shri Sarat Chandra Sinha ( Chief Minister ) जनाब-ए-सदर ! इस officer का नाम है श्री ए: पि: सरजन।

Shri Dulal Chandra Barua :—May I know what is the sanctioned staff under the Commissioner ?

Shri Sarat Chandra Sinha :—There is no extra staff.

Mr. Speaker :—It is in reply to (c).

Shri Sarat Chandra Sinha :—He uses the staff of the Assam House.

Shri Premodhar Bora :—Since when this Officer has been appointed and whether prior to his appointment there was a Liaison Officer in Delhi ?

Shri Sarat Chandra Sinha :—There was a Liaison Officer. This officer has been appointed as Liaison Commissioner: he is also the Secretary to the Government of Assam in the General Administration Department. He has been appointed on 1-6-72.

Shri Santi Ranjan Dasgupta :—Who is the authority that entrusts duties on him or acts according to himself ?

Shri Sarat Chandra Sinha :—Various departments request this Commissioner. When a particular department's matters are pending with the Government of India, say with the Ministry of Flood Control, then a request is made by that department of Assam Govt. to the Liaison Commissioner to pursue the matter, he makes preliminary contact and gets the thing done. Even he is to prepare the background materials for some discussions when held. So Sir, his duties are to maintain closer contact with the Government of India.

Shri Dulal Chandra Barua :—I want to know, when the same officer, the Liaison Commissioner is also the Secretary, General Administration Department who is responsible to look after the General administration of the State, how can he function as such from Delhi ?

Shri Sarat Chandra Sinha :—He is not responsible for the affairs, of the G.A.D. of the State of Assam at Dispur. He has been stationed at Delhi. This designation is given to him in order to give him the status so that he can take up the matter with the highest level in the Government of India. In order to expedite matters he has been given this designation.

Shri Dulal Chandra Barua :—Then are we to understand that 2 Secretaries are functioning in the State in the G.A.D. ? Who is responsible for the General Administration ?

Shri Sarat Chandra Sinha : I have already said that he has been stationed in Delhi and he is not responsible for the affairs of the G.A.D. here.

Shri Dulal Chandra Barua : Who is looking after the G.A.D. ?

Shri Sarat Chandra Sinha : Chief Secretary,

Shri Giasuddin Ahmed : Apart from the function in the Ministries in Delhi whether this Liaison Commissioner has got any function with regard to the cultural relation of our State with other States of India ?

Shri Sarat Chandra Sinha : As he stays in Delhi, he represents, the Government of Assam. He has got multivarious activities. As the hon'ble member has said about the movement of cement, it may be necessary for the officer to take up the matter with Railway Ministry. In this way it may be necessary for him to take up other matters with different authorities at the highest level in order to expedite things, and to perform multivarious duties including cultural affairs.

আবদুল ছুছেইন মিৰ :—এই অফিচাৰজনে অসম চৰকাৰৰ লাইচন অফিচাৰ হিচাবে কাম কৰি আছে। গতিকে তেওঁ অশোক পেপাৰ মিলৰ কামো চোৱা চিন্তা কৰিব লাগে তাৰ কাৰণে বেলেগ ভাট্টা বা বোনাচ আদি পায় নেকি ?

শ্ৰীশৰত চন্দ্ৰ সিংহ ( মুখ্য মন্ত্ৰী ) :—অশোক পেপাৰ মিলটো অসম চৰকাৰৰ এটা বিভাগ হলেও তাৰ কথাটো স্বকিয়া আৰু তাৰ কাৰণে কোনো বোনাচ আদি দিয়া নহয়। এইজন্য অফিচাৰে এটা বিভাগৰ বিভিন্ন কাম চোৱাৰ ওপৰিও আৱশ্যক হলে নানা সময়ত যেনেকৈ অন্য কিছুমান কামো চাব লাগে তেনেকৈ অশোক পেপাৰ মিলৰ কামটো চোৱাটো কোনো দোষ নাই।

Starred Question No. 549 was not put, the member being absent

বিঃ ডুমডুমা বন সংমণ্ডলত নিয়োগ

শ্ৰীমতী তৰুলতা বৰাই সুধিছে :

*৫৫০। মাননীয় বন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) ডিব্ৰুগড় জিলাত নতুনকৈ খোলা ডুমডুমা বন সংমণ্ডলত কিমান মানুহক নিয়োগ কৰা হৈছে ?

(খ) এইটো কথা চৰকাৰে জানে নেকি যে এই অঞ্চলৰ বহুতো শিক্ষিত নিবনুৱা যুৱকে পৰীক্ষাত উত্তীৰ্ণ হব নোৱাৰি উদ্বেগ প্ৰকাশ কৰিছে ?

(গ) ডুমডুমাত স্থাপিত হোৱা বন সংমণ্ডলত আনকি পিয়নৰ চাকৰি এটাও সেই অঞ্চলৰ নিবনুৱা যুৱকে নোপোৱাৰ কথা চৰকাৰে জানে নেকি ?

(ঘ) বন সংমণ্ডলৰ চাকৰি প্ৰাৰ্থীৰ নিৰ্ব্বাচনৰ ক্ষেত্ৰত পৰীক্ষানীতি বিভাগৰ পৰা বান্ধি দিয়া হয় নেকি ?

(ঙ) যদিহে হয় পৰীক্ষাত উত্তীৰ্ণ হোৱা প্ৰথম দ্বিতীয় আদি প্ৰাৰ্থীকো উপেক্ষা কৰা কথাটো সঁচা নেকি ?

ডাঃ লুটফুৰ ৰহমান (বন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে :

৫৫০। (ক)—১০০ জন।

(খ)—নেজানে।

(গ)—নেজানে।

(ঘ)—হয়।

(ঙ)—দ্বিতীয় স্থান লাভ কৰাজনক বয়স কম থকাৰ কাৰণে চাকৰিত মকৰল কৰিব পৰা হোৱা নাই।

শ্ৰীমতী তৰুলতা বৰা : অধ্যক্ষ মহোদয়, এই গোটেই প্ৰশ্নটোতে মন্ত্ৰী মহোদয়ে একো নজনা ভাও ধৰিলে। তথাপি মই এটা কথা জানিব বিচাৰিছো যে ডুমডুমাৰ পৰা কিমান লৰাই দৰ্খাস্ত দিছিল আৰু কেইটা লৰাক নিয়োগ কৰা হৈছে।

শ্ৰীলুটফুৰ ৰহমান (মন্ত্ৰী) : মহোদয়, পৰীক্ষাটো ডিব্ৰুগড়ৰ পৰাহে হৈছিল কাৰণ ডুমডুমা আগতে ডিভিজনৰ তলত আছিল। আৰু তেনেভাৱে গোটেই বছৰৰ কাৰণে প্ৰাৰ্থী সকলৰ এখন লিষ্ট কৰি ৰাখিছিল। আৰু আৱশ্যক মতে সেই লিষ্টৰ পৰা চাকৰিয়াল মকৰল কৰা হৈছে। গতিকে ডুমডুমাৰ যদি কোনো প্ৰাৰ্থী নাথাকে তেতিয়া হলেও সেই উমৈহতীয়া লিষ্টৰ পৰা চাকৰীয়াল নিয়োগ কৰা হৈছে। ডুমডুমাৰ পৰা কিমান লৰাই পৰীক্ষা দিছিল তাৰ সুকীয়া লিষ্ট নাই। মুঠৰ ওপৰত বছৰীকিয়া লিষ্টৰ পৰাই নিয়োগ কৰা হৈছে।

শ্ৰীসোনেশ্বৰ বৰা : কিন্তু লিষ্ট কৰাৰ পৰা কিমান দিনৰ পাচত চাকৰিয়াল নিয়োগ কৰা হৈছে। ইয়াৰ প্ৰশ্নৰ উত্তৰত কৈছে যে যিজন লৰাই দ্বিতিয় স্থান অধিকাৰ কৰিছিল সেই লৰা জনক পৰীক্ষাৰ পাচত তেওঁৰ বয়স কম হোৱাৰ কাৰণে নিয়োগ কৰা হোৱা নাই। যদি বয়স কমেই আছিল সেই কথাটো পৰীক্ষা নকৰি পৰীক্ষা দিবলৈ দিয়া হৈছিল কিয় ?

শ্ৰীলুটফুৰ ৰহমান (মন্ত্ৰী) : গোটেই বিবৰণটো মোৰ হাতত নাই। মোৰ হাতত যি খবৰ আছে তাৰ পৰা মই ইয়াকে কব পাৰো যে সেই লৰাটোৱে পৰীক্ষা দিব পাৰিছে কিন্তু নিয়োগৰ সময়ত সেই লৰাটোৰ বয়স ১৮ বছৰতকৈ কম আছিল। কিন্তু কিমান বছৰ বয়স আছিল সেই কথাটো মোৰ লগত নাই।

শ্ৰীজগদীশ দাস : এই চাকৰীয়াল সকলৰ ভিতৰত অনুসূচীত জাতীৰ কিমান প্ৰাৰ্থীক নিয়োগ কৰা হৈছিল ? আক এই সম্প্ৰদায়ৰ সৰ্বমুঠ কিমান প্ৰাৰ্থী আছিল ?

(হাঁহি)

শ্ৰীনগেন বৰুৱা : সঠিক বয়সটো যদি মন্ত্ৰীৰ হাতত নাই তেন্তে তেওঁ ১৮ বছৰৰ কম আছিল বুলি কেনেকৈ জানে ?

শ্ৰীলুটফুৰ ৰহমান (মন্ত্ৰী) : মোৰ হাতত এইটো খবৰেই আছে যে, লৰাটোৰ বয়স নিয়োগৰ সময়ত ১৮ বছৰতকৈ কম আছিল।

শ্ৰীগিয়াছুদ্দিন আহমেদ : মহোদয়, বৰ্তমান প্ৰশ্নটো হৈছে এই যে, পৰীক্ষা দিয়াৰ আগতে দৰ্খাস্ত বিলাকত প্ৰাৰ্থী সকলৰ আচল বয়স দিছিল। যদি সেই লৰা জনৰ বয়স কম আছিল তেতিয়া হলে দৰ্খাস্ত পৰীক্ষা কৰিয়েই তেওঁৰ দৰ্খাস্ত নামঞ্জুৰ

কৰা দৰ্কাৰ আছিল ইয়াৰ ওপৰিও পৰীক্ষা দিয়াৰ সময়ৰ পৰা নিয়োগ কৰা তাৰিখলৈ বহুত দিন পাৰ হৈছে গতিকে মন্ত্ৰী মহোদয়ে, জনাব লাগে যে, সেই প্ৰাৰ্থী জনে দৰ্খাস্ত কৰাৰ সময়ত বয়স কিমান দিছিল আৰু নিয়োগ কৰাৰ সময়ত তেওঁৰ বয়স কিমান হৈছিল ?

শ্ৰীলুটফুৰ ৰহমান (মন্ত্ৰী): পৰীক্ষাৰ শেষ দিনৰ পৰা নিয়োগৰ সময়লৈ বহুদিন পাৰ হোৱা নাই। ১৯৭৩ চনত পৰীক্ষা হৈছিল আৰু ১৯৭৪ চনৰ প্ৰথমতেই নিয়োগ কৰা হৈছিল।

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা: আন্দাজৰ ওপৰত মন্ত্ৰীয়ে কলে নহব। তেখেতে ডি, এফ, ওৰ ৰিপোৰ্টৰ ওপৰতহে কৈছে। কিন্তু বিধান সভাত অফিচাৰ জনৰ দায়ীত্ব নহয়, দায়ীত্ব সম্পূৰ্ণ মন্ত্ৰীৰহে। গতিকে লৰাজনৰ পৰীক্ষা দিয়াৰ সময়ত আৰু পিচত আৰু নিয়োগৰ সময়ত কিমান বয়স আছিল স্পষ্টভাবে মন্ত্ৰীয়ে জনাব লাগিব। কেৱল নিয়োগৰ সময়ত বয়স কম আছিল বুলি কলে নহব। Actual age; purpose served; The Minister is responsible to the House and not the officer. Therefore, we want to know what was the actual age of the boy at the time the boy submitted his application and what was the age at the time the boy appeared in examination and what was the age of the boy at the time of his selection.

Dr. Lutfur Rahman, (Minister): As I have already said, Sir, the exact age is not with me but I can get it from the D.F.O.

Shri Dulal Chandra Barua: Then we cannot accept the reply from the Minister. The Minister must reply on the basis of documents. The boy submitted his application. Now the Minister has come to reply without the relevant documents. It is a very important document and on the basis of that document we want to know the actual age of the particular boy at the time of submitting the application and when it was detected that he was under age and what was the age at the time of appointment.

Dr. Lutfur Rahman: (Minister): If the actual age of the boy is required it is here in the report of the D.F.O.. The D.F.O.

said. দৰ্খাস্তত প্ৰাৰ্থী জনৰ বয়স কম হোৱাৰ কাৰণে নিয়োগ কৰিব পৰা নহল। They have also given me the report, because his age was less than 18 years, that report is also with me.

শ্ৰীআব্দুল জলিল চৌধুৰী: এতিয়া প্ৰশ্নৰ উত্তৰৰ পৰা যিটো বুজা হৈছে সেই অনুসৰি পৰীক্ষা লোৱাৰ দায়ীত্ব যাৰ আছিল প্ৰাৰ্থী জনৰ দৰ্খাস্ত মতে তেওঁৰ বয়স কম থকা স্বত্তেও তেওঁক পৰীক্ষা দিবলৈ অনুমতি দি পিচত বয়স কম বুলি চাকৰিৰ পৰা আতৰাই দিয়া কথাটোও হয় নে নহয়? এই লৰাজনৰ দৰ্খাস্ত অনুসৰি বয়স যদি কম আছে তেওঁক পৰীক্ষা দিবলৈ অনুমতি কিয় দিয়া হৈছিল? এইটো এটা দোষৰ কথা। এই দোষৰ কাৰণে সংশ্লিষ্ট অফিচাৰৰ বিৰুদ্ধে কি ব্যৱস্থা লোৱা হব? এই কথা মন্ত্ৰীয়ে সদনক জনাব লাগে।

শ্ৰীলুটফুৰ ৰহমান (মন্ত্ৰী): মহোদয়, মই আগতে কৈছো দ্বিতীয় জন প্ৰাৰ্থীৰ বয়স কম হোৱাৰ কাৰণে নিয়োগ কৰিব পৰা নহল।

শ্ৰীসোনেশ্বৰ বৰা: দ্বিতীয় হোৱা প্ৰাৰ্থী জনৰ নাম আৰু ঠিকনা কি? আৰু তেওঁৰ সলনি যি জনক নিয়োগ কৰা হল তেওঁৰ নাম আৰু ঠিকনা কি?

শ্ৰীলুটফুৰ ৰহমান (মন্ত্ৰী): সেইটো বৰ্ত্তমান মোৰ হাতত নাই। মই আনি দিব পাৰিম।

Shri Giasuddin Ahmed: Sir, the Hon'ble Minister has given a statement on the basis of a report given by the D.F.O. The D.F.O. has said that the candidate was under aged, below 18 years, so he could not be appointed—it is all right. Whether the D.F.O. could substantiate his statement by giving details, that is, that was his certificate age at the time the boy submitted his application, what was his age at the time when the examination was held. Whether the D.F.O. has given these details to substantiate his statement that the boy was under-aged?

Dr. Lutfur Rahman, (Minister): Sir, I have alreadysaid that the records are not with me. If necessary I can bring that report and all the records.

Shri Dulal Chandra Barua: Sir, the question may be kept pending.

Mr. Speaker: (Looking at Dr. Lutfur Rahman, Minister)— You can get it tomorrow?

Dr. Lutfur Rahman, (Minister): It has to be brought from Doom Dooma. Tomorrow I cannot bring.

Mr. Speaker: Then day after tomorrow?

Dr. Lutfur Rahman. (Minister): Day after tomorrow I may try.

Shrimati Renuka Devi Barkataki: As the Speaker of the House we would request you to look into this matter why Government took so much time and why the Minister cannot give reply to the pertinent questions. He said that he did not get the telegrams and the telephone line was not in order.

Shri Dulal Chandra Barua: Sir, is this the way to reply to the questions?

শ্ৰীগিয়াচুদ্দিন আহমেদ: লগতে আৰু এটা ইনফৰমেচন দিব লাগিব তাত মাইনৰিটি কমিউনিটিৰ কিমান আছে ?

Re: Permits for fuels

Shri Kabir Chandra Roy Pradhani asked:

*551. will the Minister, Forest be pleased to state—

(a) The names of persons who received the permits for full truck fuels from forest reserves in Dhubri subdivision showing the number of trucks against their names during the years 1972-73, 1973-74 & 1974-75?

(b) Who recommended the applications?

Dr. Lutfur Rahman (Minister, Forests) replied:

551. (a)—The names of the persons and the numbers of Truck loads of fuels granted from forest reserves in Dhubri Division are shown below :—

| Year | Name of the permit holder. | Quantity of firewood granted |
|---|---|---|
| 1972-73 | (1) Shri Safaruddin Sarkar | 50 Truck loads |
| | (2) Shri Jatindra Narayan Das | 50 ,, ,, |
| | (3) Shri Abu Md. Sahidul Islam | 100 ,, ,, |
| 1973-74 | (1) Sri Pradip Kr. Barua | 50 ,, ,, |
| | (2) Sri Nizamuddin Khan | 50 ,, ,, |
| | (3) Sri Dewan Amser Ali | 50 ,, ,, |
| 1974-75 | No permit of firewood issued. | |

(b)—The applications were recommended as follows :—

| Name | Recommended by |
|---|---|
| (1) Shri Safaruddin Sarkar | Minister F. C. and I. |
| (2) Shri Jatindra Narayan Das | No recommendation. |
| (3) Shri Abu Mohammad Sahidul Islam | No recommendation |
| (4) Shri Pradip Kumar Barua | Minister law, R. R., C. D., Panchayat etc. |
| (5) Shri Nizam Uddin Khan | No recommendation |
| (6) Shri Dewan Amser Ali | Minister Law R. R., C. D. Panchayat etc. |

Shri Dulal Chandra Barua : Who is actually the recommending authority, whether the Minister or the D.F.O ?

Dr. Lutfur Rahman (Minister): Some applications come directly to the Minister and some are submitted to the office of the D.F.O.

Shri Dulal Chandra Barua ; What is the procedure followed by Govt. in this regard? Whether the D.F.O. is the recommending authority in such cases or the Minister ?

Dr. Lutfur Rahman (Minister) : Generally the D F.O. gives permits but then the Government also has the authority to give permit.

Shri Dulal Chandra Barua : What is the rule ? Who is the officer entrusted with the job of recommending such cases ?

Dr. Lutfur Rahman ( Minister ): D.F.O. is the officer but Government also can give permit.

Shri Dulal Chandra Barua : Is it not illegal on the part of the Minister to recommend cases on the basis of which permits were issued ?

Dr. Lutfur Rahman (Minister) : It is not illegal. If some persons come to the Minister, he can recommend their cases.

Shri Syed Ahmed Ali (Minister, Parlimentry Affairis) : Sir, the Minister is also a local M.L.A. and as M.L.A. he can recommend cases.

Shri Dulal Chandra Barua : Whether subsequently the recommendations from the D.F.O. were obtained ?

Dr. Lutfur Rahman (Minister) : It is not necessary. If the Government thinks that the cases are deserving, Government can give permit.

Shri Dulal Chandra Barua : Suppose I recommend a case as

an M.L.A. Will the permit be issued on that basis ? But according to the Forest Manual it is the D.F.O. who is the recommending authority in such cases. But in these cases the permits were straightaway issued to the parties on the basis of the recommendations of the Minister without obtaining the recommendations of the D.F.O. So, it is a clear case of violation of the rules.

Dr. Lutfur Rahman (Minister) : It is not a violation. When the Government is convinced, Government can issue permits without referring to the D.F.O.

Shri Dulal Chandra Barua : What is the rule ?

Dr. Lutfur Rahman. (Minister) : Government can give permits when the Government is convinced that the cases are deserving.

Maulana Abdul Jalil Choudhury : অধ্যক্ষ মহাশয়, ভারতে যারা জন-প্রতিনিধি আছেন যেমন M.L.A ; M.P. তারা, প্রত্যক্ষভাবে জনসাধারনকে সরকারী কাজে সাহায্য করতে না পারার দরুন কোন দরখাস্তকারীর স্বপক্ষে দরখাস্তে দুই-লাইন লিখে দেয়া বা forward করে দেওয়া বর্ত্তমান গোটা ভারতবর্ষের প্রচলিত রীতি নয় কি ?

Dr. Lutfur Rahman ( Minister ) : সেই নিয়মই চলছে।

Shri Dulal Chandra Barua : That is why I am saying that we may recommend cases but recommendation should not violate the existing rules. I want to know from the Minister whether in respect of such recommendations the regular procedure was followed ? What is the rule ?

Dr. Lutfur Rahman (Minister) : There is no set rule barring a Minister or an M.L.A. from recommending such applications. In this regard there is no set rule Providing the Government to issue permits.

শ্ৰীবদন চন্দ্ৰ তালুকদাৰ : প্ৰশ্ন আছিল যে ৰিকমেণ্ডেচন কৰাৰ ক্ষেত্ৰত চৰকাৰে ৰুল ভায়'লেট কৰিছে নেকি ?

ডাঃ লুটফুৰ ৰহমান ( মন্ত্ৰী ) : ভায়’লেট কৰা নাই।

শ্ৰীবদন চন্দ্ৰ তালুকদাৰ : পাৰ্মিট ইচু কৰাৰ ৰুল কি ?

শ্ৰীলুটফুৰ ৰহমান ( মন্ত্ৰী ) : গভৰ্ণমেণ্ট অৰ্ডাৰ দি দিচপোজ কৰিব পাৰে ডি-এফ-অ’ৰ ৰিকমেণ্ডেচন নালাগে।

শ্ৰীবদন চন্দ্ৰ তালুকদাৰ : ৰুল আছে নে নাই ?

ডাঃ লুটফুৰ ৰহমান ( মন্ত্ৰী ) : তেনে কোনো চেট ৰুল নাই।

শ্ৰীবদন চন্দ্ৰ তালুকদাৰ : পাৰ্মিট দিয়াৰ কাৰণে কি ৰুল আছে ?

শ্ৰীকবিৰ চন্দ্ৰ ৰায় প্ৰধানী : মন্ত্ৰী মহোদয়ৰ পৰা এটা কথাৰ জবাব বিচাৰিছো যে তেখেতে কৈছে এ ফিউ, কিন্তু কথা হ’ল ধুবুৰী মহকুমাক পলিটিকেল মহকুমা নধৰি ফৰেষ্ট ডিভিজন ধৰি উত্তৰটো দিব লাগে। আৰু ইয়াৰে এখন ডিটেইল লিষ্ট দিব নেকি ?

ডাঃ লুটফুৰ ৰহমান ( মন্ত্ৰী ) : ধুবুৰী মহকুমাৰে লিষ্ট দিয়া হৈছে।

শ্ৰীকবিৰ চন্দ্ৰ ৰায় প্ৰধানী : ধুবুৰী ফৰেষ্ট ডিভিজনৰ কথা নাই চিভিল মহকুমাত কিমান দিয়া হৈছে এইটো মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

ডাঃ লুটফুৰ ৰহমান ( মন্ত্ৰী ) : তেনেহলে গোটেই ষ্টেটৰ বিচাৰ কৰিবলগীয়া হয়।

Shri Badan Chandra Talukdar : Sir, the Minister is confused. The Hon. Member asked about the number of persons issued permits in Dhubri Civil Sub-division, How the question of entire State comes ?

Dr. Lutfur Rahman (Minister) : I have mentioned in my answer the number of persons granted fuel permits from forest reserves in Dhubri Division. But if the hon. Member wants the number of persons who got permit from the Dhubri Civil Sub-division, I shall have to collect the records from all over the State. That information I cannot give now.

Shri Badan Chandra Talukdar : Sir, the question is clear. The Hon'ble Member wants to know the names of the persons who received permits for truck-loads of firewood from the Forest Reserve in Dhubri Subdivision.

মাননীয় অধ্যক্ষ মহোদয়, প্ৰশ্নৰ উত্তৰ দিবলৈ আহোতে কত কি আছে সেই সকলো বিলাক চাই আহিব লাগে। কাক কাক পাৰ্মিট দিয়া হৈছে সেই সকলৰ নাম বিলাক ইয়াত স্পষ্টভাৱে উল্লেখেই আছে।

Dr. Lutfur Rahman ( Minister, Forests ) : The names of the persons and the number of truck loads of fuel granted from forest reserves in Dhubri Division are given.

Shri Dulal Chandra Barua : In what way ? We should know.

Dr. Lutfur Rahman ( Minister ) : Sir, Dhubri division is the only division.

শ্ৰীকবিৰ চন্দ্ৰ ৰায় প্ৰধানী : মাননীয় অধ্যক্ষ মহোদয়, আমি জনাত 'ফৰেষ্ট'ৰ কোনো 'চাব ডিভিজান' নাই, 'ডিভিজান' হে আছে। ধুবুৰী মহকুমাৰ কিমান জন মানুহক পাৰ্মিট দিছে। মহকুমাক 'ফৰেষ্ট ডিভিজান' বনাই বিপ্লাই দিয়া হৈছে। কিমান জন মানুহক দিয়া হৈছে তাৰ লিষ্ট আমাৰ হাততো আছে। এই কথাটো সঁচানে যে, ৰাজনৈতিক দৃষ্টিকোণৰ পৰা বিচাৰ কৰিহে এই পাৰ্মিট দিয়া হৈছে ?

ডাঃ লুটফুৰ ৰহমান ( মন্ত্ৰী ) : অধ্যক্ষ মহোদয়, কোনো ৰাজনৈতিক দৃষ্টিকোণৰ পৰা বিচাৰ কৰি দিয়া হোৱা নাই।

শ্ৰীকবিৰ চন্দ্ৰ ৰায় প্ৰধানী : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা আমি কোনো সন্তোষজনক উত্তৰ পোৱা নাই। গতিকে এইটো পেণ্ডিং ৰাখিব লাগে।

Dr. Lutfur Rahman ( Minister ) : This is the written reply.

Shri Kabir Chandra Rai Pradhani : This is a clear misunderstanding on the part of the Minister. মাননীয় মন্ত্ৰী মহোদয়ে ধুবুৰী 'চাবডিভিজনক' 'ফৰেষ্ট ডিভিজান' বনাইছে। খৰীৰ পাৰ্মিটৰ কাৰণে 'ৰিকমেণ্ডেচন' কাৰ কাৰ আছে আৰু কোনে কোনে এই পাৰ্মিট পাইছে ?

Dr. Lutfur Rahman ( Minister ): Sir, Dhubri division covers the Dhubri subdivision. The division covers the area in question.

Shri Kabir Chandra Rai Pradhani : This is his imagination, Sir. মাননীয় মন্ত্ৰী মহোদয়ে এইটো এটা কাল্পনিক কথা কৈছে। প্ৰশ্নত স্পষ্টভাৱেই লিখা আছে, ধুবুৰী চাব ডিভিজ্যন বুলি। ফৰেষ্ট ডিভিজ্যন কোৱা নাই।

Dr. Lutfur Rahman ( Minister ): Sir, the Dhubri Division covers all the forest reserves in the Dhubri Subdivision. Therefore, the reply is correct.

শ্ৰীকবিৰ চন্দ্ৰ ৰায় প্ৰধানী : মই সুধিছো ধুবুৰী মহকুমাৰ কিমান জন মানুহে পাইছে ?

Dr. Lutfur Rahman ( Minister ): The question was: "The names of the persons who received permits for full truck fuels from forest reserves in Dhubri Subdivision showing the number of trucks against the names.

শ্ৰীকবিৰ চন্দ্ৰ ৰায় প্ৰধানী : তেখেতে ইণ্টাৰপ্ৰিটেশ্বন বেলেগ কৰিছে।

Dr. Lutfur Rahman ( Minister ): He did not ask for the number of applicants. The question was about those who got permit.

Shri Giasuddin Ahmed : I think the Minister is correct in so far as the forest reserves which are situated in the Dhubri Subdivision is concerned. The supplementary ought to have been "What is the number of persons from Dhubri Subdivision who got permit."

Mr. Speaker : The Minister would require notice for that.

শ্ৰীবদন চন্দ্ৰ তালুকদাৰ : মাননীয় মন্ত্ৰী জনে পাৰ্মিট দিয়া কল থনৰ বিষয়ে একোকে নকলে। সেইটো কব লাগে।

ডঃ লুটফুৰ ৰহমান ( মন্ত্ৰী ): অপ্ৰয়োজনীয় কাঠ বিলাক বিবেচনা কৰি চৰকাৰে বিক্ৰী কৰিব পাৰে আৰু সেই হিচাবেইহে বিক্ৰী কৰি দিয়া হৈছে।

মাননীয় অধ্যক্ষ: তাৰ কিবা কল আছে নেকি।

শ্ৰীলুটফুৰ ৰহমান (মন্ত্ৰী): তেনেকুৱা বিশেষ কোনো কল নাই।

শ্ৰীবদন চন্দ্ৰ তালুকদাৰ: ইয়াৰ আগতে কল আছে বুলি কোৱা হৈছে। কি ভিত্তিত দিব পাৰে সেইটো আমি জানিবলৈ বিচাৰো।

ডঃ লুটফুৰ ৰহমান (মন্ত্ৰী): এনেকুৱা কোনো কল নাই। অপ্ৰয়োজনীয় আৰু অলাগতীয়াল গছবিলাকৰ কাৰণে চৰকাৰেই বিবেচনা কৰি পাৰমিট দিব পাৰে।

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা: মাননীয় অধ্যক্ষ মহোদয়, 'ৰিকমেণ্ডিং' অথৰিটি" কোন সেইটো জনাবনে ?

ডঃ লুটফুৰ ৰহমান (মন্ত্ৰী): তেনেকুৱা কোনো 'চেটৰুল' নাই।

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা: মই 'স্পেচিফিকেলি' সুধিছো যে, কিবা 'চেটৰুল' আছে নে কি যিবিলাকৰ দ্বাৰা এই পাৰমিট দিয়া হৈছে ?

শ্ৰীমতী ৰেণুকাদেৱী বৰকটকী: এই বিষয়ে আমাৰ মাননীয় ভূতপূৰ্ব্ব মন্ত্ৰী ডাঙৰীয়ায়েই কবপাৰে নেকি ?

শ্ৰীপৰমানন্দ গগৈ (মন্ত্ৰী): মাননীয় অধ্যক্ষ মহোদয়ে অনুমতি দিলে কবপাৰো।

মাননীয় অধ্যক্ষ: পাৰে যদি কওঁক।

শ্ৰীপৰমানন্দ গগৈ (মন্ত্ৰী): মাননীয় অধ্যক্ষ মহোদয়, 'ফৰেষ্ট মেন্যুৱেল' এখন আছে। তাৰ মতে কোনো প্ৰডিউচ ওৱাষ্টেড হৈ যাবলগীয়া হলে সেইটো চৰকাৰে 'চেল' কৰিব পাৰে। 'অপাৰেশ্বন' হৈ গলে তাৰ যিবিলাক 'টপ ব্ৰাঞ্চ' আছে সেইবিলাক এনেয়ে পৰি থাকে আৰু সেইদৰে পৰি থাকি পচি যাবলগীয়া হয়। গতিকে এই বিলাক এনেয়ে যাতে পৰি থাকি পচি যাবলগীয়া নহয় তাৰ কাৰণে সেইবিলাক সময়ত বিক্ৰী কৰিব পাৰি। বজাৰত বহুতো সময়ত অপৰ্য্যাপ্ত খৰি বিক্ৰী হয়। সেই বিলাক কৰপৰা ওলাল বুলিলে তাৰ কোনো উত্তৰ পোৱা নহয়। এইটো অলপ অনুসন্ধান কৰি দেখা গল যে, যি বিলাক 'টপ ব্ৰাঞ্চ' আদি সেই দৰে পৰি থাকে সেইবিলাককে মানুহে আনি বজাৰত বিক্ৰী কৰে। গতিকে এইটো হবলৈ নিদিয়াকৈ এই বিলাক যদি বিক্ৰী কৰিব পাৰি তেতিয়াহলে, চৰকাৰৰ ৰাজহ ওলায়। এই মৰ্মে ১৯৭৩ চনত ডিভিজানৰ পৰা ৰিপৰ্ট কল কৰা হৈছিল, আৰু তাত কোৱা হল যে, We can earn some revenue.

শ্ৰীতুলাল চন্দ্ৰ বৰুৱা : এইটো 'ডাইৰেক্ট" চৰকাৰেই দিব পাৰেনে নে 'ডি, এ ফ, অ" ই দিব পাৰে ?

শ্ৰীপৰমানন্দ গগৈ (মন্ত্ৰী) : দুয়োকালৰ পৰাই দিব পাৰি।

শ্ৰীতুলাল চন্দ্ৰ বৰুৱা : কিবা চেট কল আছে নেকি ?

শ্ৰীপৰমানন্দ গগৈ (মন্ত্ৰী) : এই ধৰণৰ অপ্ৰয়োজনীয় আৰু পচিবলগীয়া কাঠ বিলাক বেচিবৰ কাৰণে 'মেম্বৰেল'ত তেনেকুৱা কোনো চেট কল নাই কিন্তু সেই-বিলাক পচি যাবলগীয়া হোৱাৰ কাৰণে সেইবিলাক বিক্ৰী কৰিব পাৰি।

উপাধ্যক্ষ মহোদয়, আমি বিধান সভা চলি থকা অৱস্থাত মাজুলিৰ বিষয়ে ইয়াত নানা আলোচনা বিলোচনা কৰিছো আৰু এপ্ৰিল ফুলৰ নিচিনাকৈ মন্ত্ৰীয়ে আমাক নানা কথা কৈ ভুলাই ৰাখিছে কিন্তু বিধান সভা শেষ হোৱাৰ পিচত চাৰিওফালৰ পৰা মানুহে আমাক হাহাকাৰ কৰি তুলিব, তেতিয়া আমি তেওঁলোকক কি প্ৰেৰণা দিম কব নোৱাৰো। মাজুলিত বা তেনে আন আন ঠাইবোৰত আজি মানুহৰ খাবলৈ নাই পিন্ধিবলৈ নাই, বেমাৰত মানুহ মৰিছে, চিকিৎসাৰ কাৰণে চৰকাৰে যি ধৰণৰ বন্দবস্ত কৰিব লাগিছিল সেই ধৰণেৰে কিয় কৰিব পৰা নাই মই জানিব বিচাৰিছো। আনহাতে যাতায়াতৰ বাবে টকা পইচা দিয়া হল কিন্তু সেইখিনি সময়মতে খৰচ কৰিব নোৱাৰাৰ বাবে গড় কাপ্তানি বিভাগে ঘূৰাই দিছে। আনহাতে উপাধ্যক্ষ মহোদয়, আপুনি জানে এপ্ৰিল মাহৰ পৰা বৰষুণৰ বান আহিব। বৰষুণৰ লগে লগে আমাৰ দেশত বাৰিষাৰ ঢল আহিব আৰু মাজুলিৰ মানুহ পুনৰ বানত উটি যাব লগা হব। যাতায়াতৰ ব্যৱস্থা সমুদায় নাইকীয়া হৈ যাব। এই ক্ষেত্ৰত চৰকাৰে কি ব্যৱস্থা লৈছে সেই বিষয়ে জানিবৰ বাবে আজি মই এই সদনত এই বিষয়টো উত্থাপন কৰিছো।

শ্ৰীগজেন তাঁতি (মন্ত্ৰী) :— মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় সদস্য বৰুৱা ডাঙৰীয়াই যিটো কথা দাঙি ধৰিছে এই বিষয়টো এই সদনত কেইবাবাৰো আলোচনা হৈ গৈছে। এইটো কথা ঠিক যে যোৱা বান পানীৰ পিচত মাজুলিত বিশেষকৈ শালি খেতি নষ্ট হোৱাৰ পিচত তাত মানুহে খাবলৈ নোপোৱাত কিছু কষ্ট ভোগ কৰিব লগা হৈছে। মাননীয় সদস্য বৰুৱা ডাঙৰীয়াই দৈনিক জনমভূমি কাকতত ওলোৱা বাতৰিটোৰ কথা কৈছে আৰু সেই বাতৰিটো চৰকাৰৰ দৃষ্টি গোচৰ কৰিছে। এই বাতৰিটোত কোৱা হৈছে যে মাজুলীত খাদ্য বস্তুৰ অভাৱত মানুহে পুষ্টিহীনতাত ভুগিছে আৰু হাত ভৰি আদি উথহা ৰোগ প্ৰাদুৰ্ভাৱ হৈছে। বাতৰিটোত পুনৰ কোৱা

হৈছে যে এনেধৰণৰ ৰোগী সকলক স্বাস্থ্য কেন্দ্ৰই যোগান দিয়া ভিটামিন বড়িয়ে পুষ্টিহীনতাত ভোগ কৰা ৰোগীক কিমানদূৰ আৰোগ্য কৰিব পাৰিব ইটো সন্দেহজনক।

উক্ত বাতৰিটোৰ সংক্ৰান্তত মাজুলীৰ পৰিস্থিতিৰ বিষয়ে তলত দিয়া ধৰণে এটা বিৱৰণ দাঙি ধৰা হল।

যোৱা বছৰ বানপানী আৰু গৰাখহনীয়াৰ ফলত মাজুলীৰ শালি খেতিৰ যথেষ্ট ক্ষতি হয় আৰু তাৰ লোক সকল কঠিন পৰিস্থিতিৰ সন্মুখীন হবলগীয়া হয়, কিন্তু চৰকাৰে তাৰ বাবে যথোচিত ব্যৱস্থা লৈ আহিছে। ৰাজহ বিভাগৰ পৰা বিনামূলীয়া সাহায্য বিতৰণ আৰু পৰীক্ষামূলক আঁচনি কাৰ্যকৰী কৰাৰ উপৰিও যোগান বিভাগৰ দ্বাৰা মাজুলীৰ সুলভ মূল্যৰ দোকানত যথেষ্ট পৰিমান চাউল আৰু আটাৰ যোগান ধৰা হয়।

চৰকাৰে যোৰহাট মহকুমালৈ প্ৰতিমাহে যোগান ধৰা খাদ্য সামগ্ৰীৰ উপৰিও মাজুলীৰ পৰিস্থিতি বিশেষ ভাবে বিবেচনা কৰি ১৯৭৫ ইং জানুৱাৰী মাহত ওপৰঞ্চি ১০০০ কুইন্টল চাউল, ২০০ কুইন্টল ধান আবন্টন কৰা হয়। সেইদৰেই যোৱা ফেব্ৰুৱাৰী আৰু মাৰ্চ মাহতো আবন্টন কৰা হৈছে।

ইয়াৰ উপৰিও মাজুলীৰ খেতিয়কৰ লক্ষীমপুৰ জিলাত থকা খেতিৰ ধান জিলা কৰ্তৃপক্ষৰ পৰা অনুমতি পত্ৰলৈ লক্ষীমপুৰ জিলাৰ পৰা মাজুলীলৈ আনিবলৈ দিয়া হৈছে।

মাজুলীৰ শালমৰা আৰু চিনাতলী এলেকাৰ লোক সকলে সাধাৰণতে মাটিৰ বাচনৰ বিনিময়ত নিকটবৰ্ত্তী জিলাৰ পৰা ধান সংগ্ৰহ কৰে। এনে ধৰণৰ লোকক জিলা কৰ্তৃপক্ষৰ পৰা অনুমতি পত্ৰ লৈ ধান আনিবলৈ দিয়া হৈছে। জানিব পৰা গৈছে যে এনে ব্যৱস্থাৰে ধান চাউল আদি আনিব পৰা হোৱা বাবে মাজুলীত আটাৰ চাহিদা কমি গৈছে।

খাদ্য বস্তুৰ অভাৱত পৰি মাজুলীত অনাহাৰত মৃত্যু হোৱা কোনো বাতৰি চৰকাৰে পোৱা নাই। চৰকাৰৰ বিভিন্ন ব্যৱস্থাৰে মাজুলীত ধান, চাউল, আটা আদিৰ সৰবৰাহ হোৱাৰ বাবে খাদ্য পৰিস্থিতিৰ বৰ্ত্তমান বিশেষ কোনো অৱনতি ঘটিছে বুলি বাতৰি পোৱা নাই।

অধ্যক্ষ ডাঙৰীয়া, ইতিমধ্যেই বক্তা ডাঙৰীয়াই কৈছে যে মাজুলীত যিখিনি শস্য উৎপাদন হৈছে সেইখিনি কম দামত বিক্ৰী কৰিব লগীয়া হৈছে। মই ইয়াৰ আগতে কৈছো যে কোঅ পাৰেটিভ এচচিয়েচনৰ যোগেদি সৰিয়হ সংগ্ৰহ কৰাৰ ব্যৱস্থা

কৰা হৈছে আৰু এতিয়া মাজুলীত যথেষ্ঠ পৰিমাণৰ হেতু ওলাইছে বজাৰত বেছি দামত ঘেহুঁ বিক্ৰী কৰা হৈছে বুলি আমালৈ খবৰ আহিছে। এইদৰে খেতিয়কে ভালদৰত ঘেহু বিক্ৰী কৰাৰ ব্যৱস্থা চৰকাৰে কৰিছে।

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা: মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে ধান চাউলৰ যিটো কলহ আদিৰ লগত বাৰটাৰ চিচ্‌টেম আছিল সেই সম্পৰ্কত চৰকাৰৰ ফালৰ পৰা কি ক্লিয়াৰেন্স কিমান তাৰিখে দিয়া হৈছে?

শ্ৰীগজেন তাঁতী (মন্ত্ৰী): তাৰিখটো ঠিক মনত নাই। ফেব্ৰুৱাৰী মাহত।

শ্ৰীমতী ৰেণুকাদেৱী বৰকটকী: কিন্তু এতিয়াও যে শৰাইঘাট দলঙত চেক কৰি আছে সেইটো জানে নে নাই?

শ্ৰীগজেন তাঁতী (মন্ত্ৰী): এইটো মাজুলীৰ কথাহে কৈছো।

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা: মই কালি এখন চিঠি পাইছো। চিঠিখন দিশপুৰ পাওঁতে যথেষ্ট পলম হ'ল যদিও, আজি কালি দিশপুৰলৈ চিঠি অহাত যথেষ্ট পলম হয়। এইটো চিচ্‌টেম চলি আছে বুলি জনাইছে। ধান চাউল অনা নিয়া আদি ডি-চিয়ে বন্ধ কৰিছে। লক্ষীমপুৰৰ পৰা আপত্তি কৰা স্বত্বেও তেওঁলোকৰ কথা নামানে। অৰ্ডাৰ দিয়া হৈছে বুলি কৈছে যদিও লক্ষীমপুৰৰ ডি-চিয়ে কোনো অৰ্ডাৰ পোৱা নাই আৰু সেই কাৰণেই বন্ধ কৰি দিছে। মানুহৰ অৱস্থা এনেকুৱা হোৱাটো নিতান্তই দুখলগা কথা।

শ্ৰীগজেন তাতী (মন্ত্ৰী): মই জনাত এইটো অৰ্ডাৰ ডি-চি লক্ষীমপুৰ, যোৰহাট, দৰং আৰু এচ-ডিঅ' ধেমাজী লৈ দিয়া হৈছে আৰু লাগিলে এটা অৰ্ডাৰৰ কপি মাননীয় সদস্যাকো দিব পাৰিম।

শ্ৰীমতী ৰেণুকা দেৱী বৰকটকী: সৰিয়হৰ কিবা দাম ফিক্সড্ কৰি দিয়া হৈছে নেকি?

শ্ৰীগজেন তাতী (মন্ত্ৰী): সৰিয়হৰ কোনো ফিক্সড্ কৰা নাই, এটা নিগোচিয়েটেড প্ৰাইচ কৰা হয়। কিন্তু বজাৰৰ দামতকৈ মাজুলীৰ দাম বেছি।

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা: দাম ফিক্সড্ কৰি দিয়া হৈছে নে নাই? কিয়নো যেহে ইতিমধ্যে কম দামত আৰু সৰিয়হো তেনেকৈ যদি শেষ হৈ যায় তাৰ পিচত দাম ফিক্সড্ কৰাৰ পৰা কি হব যোগান বিভাগে বা কৰপোৰেচনে যেতিয়া মাজুলীত যাব তেতিয়া কোনোবা মানুহৰ হাতত সৰিয়হ পাব বুলি মন্ত্ৰী ডাঙৰীয়াই ভাবিছে নেকি?

শ্ৰীগজেন তাঁতী (মন্ত্ৰী) : মই আগতেই কৈছো যে মাজুলীত আগৰে পৰা এটা ব্যৱস্থা আছে যে আগতীয়াকৈ পইচা দি থোৱা হয় আৰু তাৰ বিনিময়ত সৰিয়হ লৈ যায়। পিচে সৰিয়হ প্ৰকিউৰ হৈ উঠা নাই বুলি খবৰ আহিছে। দ্বিতীয় কথা যেহু বজাৰত এলোৱা নাই। প্ৰকিউৰমেন্টৰ কথা কৈছে কিন্তু কথা হ'ল এই সংক্ৰান্তত কেন্দ্ৰীয় চৰকাৰৰ যি প্ৰকিউৰ পলিচি, সেই পলিচি ফিক্সড কৰি দিয়াৰ পিচতহে আমাৰ ইয়াত লব পাৰো। কিন্তু কেন্দ্ৰীয় চৰকাৰৰ পৰা এই সংক্ৰান্তত চাৰিদিনমানৰ আগতেহে খবৰ পাইছো আৰু সেইদিনাই সিদ্ধান্ত কৰি পিচ দিনাই টকা আৰু মানুহ পঠিয়াই দিয়া হৈছে।

শ্ৰীমতী ৰেণুকা দেৱী বৰকটকী :—যেহু আৰু চাউলৰ দাম ফিক্সড কৰি দিয়া হৈছেনে নাই ?

What is the floor price Government has fixed for Mastard seeds and what is the price the actual producers are getting ?

Mr. Deputy Speaker :—Item No. 4 now.

★শ্ৰীমতী ৰেণুকা দেৱী বৰকটকী :— মাননীয় উপাধ্যক্ষ মহোদয়, অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনা নিয়মাৱলীৰ ৫০ নং নিয়ম অনুসৰি জনসাধাৰণৰ গুৰুত্বপূৰ্ণ বিষয় বড়ো ভাষী ৰাইজৰ ৰোমান লিপিৰ দাবীত আন্দোলন আৰু অসমৰ কিছুমান জনজাতীয় অঞ্চলৰ পৰিস্থিতিৰ বিষয়ে এটি আলোচনা উত্থাপন কৰিব বিচাৰিছো।

উপাধ্যক্ষ মহোদয়, এই বিষয়টো এই কাৰণেই উত্থাপন কৰিব বিচাৰিছো যে এই বিষয়টো বহুতো সময়ত আলোচনা কৰিবলৈ যাওঁতে চৰকাৰ পক্ষৰ পৰা আৰু আমাৰ পক্ষৰ পৰা বিভিন্ন ধৰণৰ মতামত দাঙি ধৰা হৈছে। এই সংক্ৰান্তত মুখ্যমন্ত্ৰীয়ে যিটো বিবৃতি দিছিল তাত বড়ো সাহিত্য সভাই ৰোমান লিপিৰ দাবী কৰা আৰু ভৈয়ামৰ জনজাতীয় পৰিষদে উদয়াচলৰ দাবী কৰাৰ পিচত এটা আন্তৰাষ্ট্ৰিয় শক্তিয়ে কাম কৰি আছে আৰু সেই শক্তিৰ কথা তেখেতে জনসাধাৰণৰ স্বাৰ্থৰ খাতিৰত প্ৰকাশ কৰিবলৈ নিবিচাৰে। এই কথাটো বিধানসভাৰ মজিয়াত খোলাখুলি ভাৱে আলোচনা কৰিবলৈ বিচাৰিছো এইটো কাৰণেই যে এইটোৰ কাৰণেই আগৰ অসমখন ভাঙি-ছিঙি টুকুৰা টুকুৰ কৰা হল। সেইটো আমাৰ আগৰ ৰাজনৈতিক নেতা সকলৰ গুণ বুলিয়েই কব লাগিব। যি কাৰণতেই নহওক কিয় অসমখন ভাঙি ছিঙি টুকুৰা টুকুৰ কৰা হল। যিদিনা আমি লোকসভাত নগাল্যাণ্ড বিভাজনৰ কাৰণে বিল উত্থাপন কৰাৰ সময়ত দুখ কৰিছিলো সেইদিনা পণ্ডিত জৱহৰলাল নেহৰুৱে কৈছিল যে নগাল্যাণ্ড এখন

★Speech not corrected

নতুন ৰাজ্য কৰা হল আৰু অসমক ভাগ কৰা নহয়। বৰঞ্চ উত্তৰ পূব সীমান্ত ভূভাগ অসমৰ লগত যোগ কৰা হব। আমাৰ ১৪ জন লোকসভাৰ সদস্যই কংগ্ৰেছী সদস্য হিচাবে যদিও মাত মাতিব পৰা নাছিলো তথাপি দুখ প্ৰকাশ কৰিছিলো তেতিয়া পণ্ডিতজীয়ে কৈছিল যে অসমক আৰু বিভাজন কৰা নহব। নেফা বা অৰুণাচলক অসমৰ লগলৈ আনিবৰ কাৰণে চেষ্টা কৰিম বুলিও কৈছিল। কিন্তু দুখৰ কথা, পণ্ডিত নেহৰু যোৱাৰ পিচত সৰু সৰু ৰাজ্য মিজোৰাম, মেঘালয়, মনিপুৰ, ত্ৰিপুৰা গৈছেই অৰুণাচলো সম্পূৰ্ণৰূপে গৈছে। বাকী আছে কেৱল কাছাৰ উপত্যকা আৰু ব্ৰহ্মপুত্ৰ উপত্যকা। এইটো কথা সিদিনাও কৈছিলো আৰু আজিও কওঁ যে ব্ৰহ্মপুত্ৰ উপত্যকাৰ বাহিৰে আমাৰ আৰু আন একো নাই। এতিয়া আকৌ পৰ্বতীয়া ভাই সকলে, জনজাতীয় ভাইসকলে উদয়াচলৰ দাবী কৰিছে। অসমৰ উত্তৰ অঞ্চল, পুব অঞ্চল উজনি অসম ৰাজ্য পৰিষদ কৰি উজনি অসম দাবী কৰিছে। এসময়ত এতিয়াৰ মুখ্যমন্ত্ৰীৰ নেতৃত্বত সেই অঞ্চল বিলাকৰ লগত নেতা হিচাবে কমতা ৰাজ্যৰো দাবী কৰিছিল। স্বাধীন কমতা ৰাজ্য হিচাবে দাবী কৰিলে নে নাই নাজানো কিন্তু দাবীৰ নেতা আছিল আজিৰ মুখ্যমন্ত্ৰী। গোৱালপাৰা জিলাৰ কেইটামান মহকুমাকলৈ কমতা ৰাজ্যৰ দাবী কৰিছিল আৰু এই দাবীৰ পৰিপ্ৰেক্ষিতত যিহেতু মুখ্যমন্ত্ৰী নিজেই সেই দলৰ নেতা আছিল সেই দাবী বিলাকৰ পিচত অৰ্থনৈতিক কিবা অসুবিধা আছে নে নাই, অৰ্থনৈতিক বৈসাদৃশ্য আছে নে নাই, সেইবিলাক থকাৰ কাৰণে জনজাতীয় সকল অসমৰ পৰা আঁতৰি যাব বিচাৰিছে নেকি সেই কথা নিশ্চয় মোতকৈ বেছিকৈ বুজি পাব লাগিছিল।

উপাধ্যক্ষ মহোদয়, আপুনি জানে যে আমাৰ বড়ো সাহিত্য সভাৰ গঠন হোৱাৰ আজি পোন্ধৰ বছৰ হৈছে। তাৰ আগতে ৰোমান লিপিৰ দাবী কৰা নাছিল। বৰঞ্চ অসমীয়া লিপিকেই তেওঁলোকে ব্যৱহাৰ কৰিবলৈ বুলি যি দাবী কৰিছিল সেই দাবী আছিল ১৯৬৬-৬৭ চনৰ পিচত যি ভৈয়াম জনজাতি পৰিষদৰ দাবী আছিল তাৰ ভিতৰত অন্যতম। যদিহে মুখ্যমন্ত্ৰীয়ে বিবৃতিত কোৱাৰ দৰে এই দাবীৰ অৰ্থাৎ বড়ো সাহিত্য সভাই ৰোমান লিপিৰ দাবী কৰাৰ পৰিপ্ৰেক্ষিতত কোনোবা আন্তঃৰাষ্ট্ৰীয় কুকাৰ্য্য চলি আছে তেন্তে সেই কুকাৰ্য্য বন্ধ কৰিবলৈ অসম চৰকাৰে অথবা কেন্দ্ৰীয় চৰকাৰে কিয় সেই কুকাৰ্য্য ভাঙি দিবলৈ চেষ্টা কৰা নাই? আৰু যদিহে বিশেষজ্ঞৰ দ্বাৰা এইটো প্ৰমাণিত কৰি যদি বড়ো ভাষা ভাষী সকলৰ লৰা ছোৱালীক ৰোমান লিপিৰ মাধ্যমেৰে শিক্ষা দিয়াৰ কাৰণে সুবিধা হব তেতিয়া হলে সেইটো কৰিব লাগে। সেয়ে আজি বিধান সভাৰ মজিয়াত এই দাবীৰ সংক্ৰান্তত আলোচনা কৰিবলৈ কথাটো উত্থাপন কৰিছো কিয়নো এই দাবীৰ পৰিপ্ৰেক্ষিতত ভৈয়ামৰ জনজাতীয়

অঞ্চলত বাস কৰা জনজাতীয় আৰু অজনজাতীয় লোকৰ সকলৰ নিৰাপত্তা নোহোৱা হৈছে।

এহাতে পুলিচ, মিলিটেৰী, চি. আৰ. পি আৰু আনহাতে জনজাতি আৰু অজনজাতি ; জনজাতি আৰু অজনজাতিৰ নিজৰ নিজৰ ভিতৰতে কোনেও কাকো বিশ্বাস কৰিব নোৱাৰা হৈছে। তেওঁলোকৰ মাজত আজি যি মতৰ বিভেদ আৰু মতানৈক্য আহিছে সেইটো আগতে কেতিয়াও হোৱা নাছিল। এই বিলাক যদি সচাঁকৈয়ে ৰাজনৈতিক সমস্যা তেতিয়াহলে, ৰাজনৈতিক ভাৱে এইবোৰ সমাধান কৰিব লাগিব আৰু যদিহে এইবোৰ ভাষা-সংস্কৃতিৰ পৰা উদ্ভৱ হোৱা সমস্যা তেতিয়াহলে, তাক ভাষা-সংস্কৃতিৰ-পটভূমিতেই সমাধান কৰিবলাগিব। চাপৰি মেঘ আতৰ কৰিব নোৱাৰি। মেঘৰ সম্মুখীন হব পাৰিব লাগিব। বৰষুণ দি থাকিলেও বৰষুণত তিতি হলেও কাম কৰাৰ সাহস থাকিব লাগিব। সেইকাৰণেই আমাৰ মুখ্যমন্ত্ৰীৰো এই বিষয়ে সাহস থাকিব বুলি ভাবিছো। এই খিনিতে মই বড়ো সাহিত্য সভাৰ পৰম্পৰা সম্পৰ্কে কেইআষাৰমান কথা কব খুজিছো। ইয়াৰ পৰা এইখিনিকে মই বুজাবৰ কাৰণেই চেষ্টা কৰিছো যে, বড়ো ভাষা-ভাষী লোক সকলে ৰোমান লিপি কিয় দাবী কৰিব লগীয়া হল। ১৯৫২ চনৰ ১৬ নবেম্বৰত বাসুগাওঁত এখন বড়ো জনজাতীয় অভিবৰ্ত্তন হয় আৰু সেই অভিবৰ্ত্তনতে বড়ো সাহিত্য সভা গঠন হয়। বড়ো সাহিত্য সভা গঠন হোৱাৰ দুমাহৰ পিছত এই সভাই ১৯৫৩ চনৰ জানুৱাৰী মাহত বড়ো প্ৰধান অঞ্চলত বড়ো ভাষা দাবী কৰি স্মাৰক পত্ৰ অসম চৰকাৰৰ ওচৰত দাখিল কৰে। এই সন্দৰ্ভত কেইবাৰানিও আলোচনা হোৱাৰ পিছত ১৯৫৬ চনত অসম চৰকাৰে বড়ো ভাষাৰ শব্দাৰ্থসহ অসমীয়া ভাষা শিকোৱাৰ সিদ্ধান্ত গ্ৰহণ কৰে। কিন্তু বড়ো সাহিত্য সভাই সেই সিদ্ধান্ত মানি নললে। ফলত সেই সিদ্ধান্ত কাৰ্য্যকৰীও নহল। ১৯৬০ চনত অসম চৰকাৰে সেই সময়ত মন্ত্ৰী ৰূপ নাথ ব্ৰহ্মক এজনীয়া আয়োগ হিচাবে গঠনকৰি গোটেই কথাটো পুনৰ পৰীক্ষা কৰি চাবৰ কাৰণে দায়িত্বভাৰ অৰ্পণ কৰে। ব্ৰহ্ম ডাঙৰীয়াই কথাটো পৰীক্ষা নিৰীক্ষা কৰি প্ৰাথমিক স্কুলত বড়োভাষা প্ৰবৰ্ত্তনৰ সপক্ষে ৰায় দিয়ে। সেই মতেই অসম চৰকাৰে ১৯৬২ চনত কোকৰাঝাৰৰ গোটেই অঞ্চলতে প্ৰাথমিক স্কুল সমূহত বড়ো ভাষা প্ৰবৰ্ত্তনৰ সিদ্ধান্ত লয়। তাৰ পিছত এই দাবী পূৰণ হোৱাৰ পিছত বড়ো সাহিত্য সভাই উচ্চতৰ পৰ্য্যায়ত বড়ো ভাষা প্ৰৱৰ্ত্তনৰ দাবী কৰে। আলোচনা চলাই থকা অৱস্থাত কোকৰাঝাৰ বড়ো সাহিত্য সভাই ২৮।২।৬৮ তাৰিখে স্কুল কলেজ বৰ্জ্জনৰ আন্দোলন আৰম্ভ কৰে। আৰু ১৩ দিন ধৰি এই আন্দোলন চলে। কিন্তু বৰ আচৰিত কথা যে, এই বড়ো ভাষাৰ আন্দোলন চলি থকা অৱস্থাতে ১৯৬৭ চনত বড়ো জনজাতীয় একাংশক লৈ "ভৈয়াম জনজাতি পৰিষদ" গঠন হয় আৰু তাতে উদয়াচলৰ দাবী কৰে। আৰু তাৰ লগতে 'ৰোমান লিপি'ও দাবী কৰে। ১৯৬৮ চনৰ ১২ মাৰ্চ তাৰিখে মাধ্যমিক পৰ্য্যায়ত

বড়ো ভাষা প্ৰচলন কৰিবলৈ অসম চৰকাৰে সিদ্ধান্ত কৰে। কিন্তু তাতে সন্তুষ্ট নহল। প্ৰাথমিক পৰ্য্যায়ৰ পৰা উচ্চ স্তৰলৈকে বড়ো ভাষা শিকাৰ লাগে বুলি দাবী পূৰ দাঙি উঠে। কিন্তু এইখিনিতে প্ৰশ্ন হৈছে যে, ১৯৫২ চনতে গঠিত হোৱা বড়ো সাহিত্য সভাই ১৯৬৪ চনলৈকে ৰোমান লিপি দাবী কৰা নাছিল। বৰং অসমীয়া লিপিতে বড়ো ভাষা শিকিবলৈ বিছাৰিছিল। কিন্তু ১৯৬৬-৬৭ চনৰ পৰাই বড়ো সাহিত্য সভাই ৰোমান লিপি কিয় দাবী কৰিছে? এই দাবীৰ পৰিপ্ৰেক্ষিততে কিবা অভিসন্ধি আছেনেকি, বা কোনোবা কু-চক্ৰান্তকাৰী কুটাঘাতমূলক শক্তিয়ে এই ৰোমান লিপিৰ দাবীৰ জৰিয়তে এই লোক সকলক অসমৰ মূল প্ৰবাহৰ পৰা আতৰ কৰি নিবৰ কাৰণে চেষ্টা কৰিছেনেকি? সেইটো আজি গভীৰভাৱে চিন্তা কৰি চোৱাৰ সময় আহিছে।

উপাধ্যক্ষ মহোদয়, ১৯৬৬ চনৰ ৪ ফেব্ৰুৱাৰীত কোকোৰাঝাৰত বহা বড়ো সাহিত্য সভাৰ ৮ম অধিবেশনত 'অফিচিয়েলি' বড়ো ভাষাৰ ৰোমান লিপি লাগে বুলি দাবী কৰে। সেই সময়ত আনকি সাহিত্য সভাৰ বিভিন্ন সদস্যৰ মাজতে এই কথাটো লৈ ভাৱৰ মতানৈক্য দেখা গৈছিল আৰু নানান বাদানুবাদো তেওঁবিলাকৰ মাজত পৰিলক্ষিত হৈছিল। তাৰ পিছত ১৯৬৯ চনৰ ৬ মাৰ্চত ভঙাগড়ত বহা বড়ো সাহিত্য সভাৰ ১০ম অধিবেশনত সুদীৰ্ঘ আলোচনাৰ পিছত অসমীয়া লিপি গ্ৰহণৰ সিদ্ধান্ত লোৱা হয়। তাৰ পিছত ১৯৭০ চনৰ ২৭ ফেব্ৰুৱাৰী তাৰিখে জলপাইগুড়ি জিলাৰ মহাকাল গুড়িত বড়ো সাহিত্য সভাৰ অধিবেশত ৰোমান লিপিৰ দাবী কৰি প্ৰস্তাৱ লোৱা হয়। ইতিপূৰ্ব্বেই আমি কৈছো যে, এই সন্দৰ্ভত বহুতো বিলাক আন্তঃ ৰাষ্ট্ৰীয় শক্তিয়ে কাম কৰি আছে। যদি সেয়ে হয় তেতিয়াহলে; আৰম্ভণিতে এইটো শেষ কৰিব লাগিব। ইতিমধ্যে অৰুণাচলৰ পৰা আপত্তি আহিছে যে, তাত এই ধৰণৰ আন্তঃৰাষ্ট্ৰীয় শক্তি আৰু 'খৃষ্টান মিছনেৰী' সকলে অৰুণাচলত থকা ভাৰতীয় জন-জাতীয় লোকসকলক ভাৰতীয় মূল প্ৰবাহৰ পৰা আতৰাই নিবৰ কাৰণে চেষ্টা কৰিছে। ৰোমান লিপিৰ সন্দৰ্ভতো যদি ঠিক তেনেকুৱা কিছুমান শক্তিয়েই কাম কৰি আহিছে তেতিয়াহলে, সেইটো অসম চৰকাৰ তথা ভাৰত চৰকাৰে চোৱাৰ সময় আহিছে। কেইটামান কথা চাবৰ কাৰণে মই আমাৰ মাননীয় মুখ্যমন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰিছো। যদি এইবিলাক কথা সচা হয় তেতিয়াহলে, আন্তঃৰাষ্ট্ৰীয় কোনোবা শক্তিয়েই হওক, ধৰ্ম্ম অনুষ্ঠানেই হওক বা খৃষ্টান মিছনেৰীয়েই হওক সেইবিলাকক আমাৰ চৰকাৰে ক্ষমা কৰিব নেলাগিব। এই সন্দৰ্ভত স্বাভাৱিক ভাবেই কেইটামান প্ৰশ্ন আহে। বড়ো সাহিত্য সভাই ৰোমান লিপিৰ প্ৰস্তাৱটো প্ৰথম উত্থাপন কৰে ১৯৬৬ চনত কিন্তু প্ৰকাশ্যভাৱে, তেওঁলোকে সেই দাবী স্পষ্টভাৱে দাঙিধৰে ১৯৭৩ চনত। কিন্তু, এই কথাটো সঁচানে যে, ১৯৬৩ চনৰ ১৯ অক্টোবৰ তাৰিখে সৰ্ব্বপ্ৰথম বাৰৰ কাৰণে ৰোমান

লিপিৰ দাবী উত্থাপন কৰে 'উত্তৰ পুব ভাৰত বড়ো কছাৰী ছাত্ৰ সন্মিলন' ? লগতে এইটোও সচানে যে, উক্ত উত্তৰ-পূব ভাৰত বড়ো কছাৰী ছাত্ৰ সন্মিলন'ৰ কেন্দ্ৰীয় কাৰ্য্যালয় চিলঙৰ লাইটমুখৰাৰ উইকেট গেটৰ বেপটিষ্ট মিছন চাৰ্চৰ হাউলিত অৱস্থিত, আৰু সেই মিছনৰ অধ্যক্ষ হল ৰেভাৰেণ্ড এম. আৰ, মৃচাহাৰি নামৰ এজন খৃষ্টান বড়ো ? দ্বিতীয়তে, এই কথা সচাঁনে যে, ১৯৬৬ চনৰ ৬ ফেব্ৰুৱাৰীত কোকৰাঝাৰত অনুষ্টিত বড়ো সাহিত্য সভাৰ যি অষ্টম বাৰ্ষিক অধিবেশনত ৰোমান লিপিৰ সপক্ষে প্ৰস্তাৱ লোৱা হৈছিল, সেই অধিবেশনত হাটগাৱঁৰ গৌৰাং মিছনৰ ৰেভাৰেণ্ড হলডাৰ শূদে আটাইতকৈ সক্ৰীয় ভূমিকা গ্ৰহণ কৰিছিল ? এই বিলাক কথাৰ খবৰ আমাৰ চৰকাৰৰ ওচৰত আছেনে নাই কবনোৱাৰো কিন্তু এইবিলাক কথা ৰাজহুৱা ভাৱেই সোধা হৈছে। উক্ত ৰেভাৰেণ্ড হলডাৰ শূদে সেই অধিবেশনত ৰোমান লিপিত বড়ো পাঠ্যপুথি ছপাবৰ কাৰণে ৪০০০ টকাৰ এটা বৰঙণি আগবঢ়াইছিল। এই কথাটো আমাৰ চৰকাৰে জানেনে? এই কথা আমাৰ চৰকাৰে জানেনে যে, যদিও বড়ো জনজাতীৰ শতকৰা মাত্ৰ দুজন লোকহে খৃষ্টান, কিন্তু ১৯৬৬ আৰু ১৯৬৮ চনত গঠিত হোৱা আঠজনীয়া উপসমিতিৰ ৪ জন সদস্যই আছিল খৃষ্টান আৰু উক্ত উপসমিতিৰ আহ্বায়কৰ কাৰ্য্যালয়ও আছিল চিলঙৰ উইকেট গেটৰ বেপটিষ্ট মিছনৰ হাউলিৰ ভিতৰত ?

শ্ৰীবাহাদুৰ বসুমতাৰী :—বেপটিষ্ট মিছন নহয়, লুথেৰাণ মিছনহে।

শ্ৰীমতী ৰেণুকা দেৱী বৰকটকী :—হবপাৰে। কিন্তু এইবিলাক কথা সঁচা হয়নে নহয় ? ওদালগুৰিৰ কেথলিক মিছনৰ ৰেভাৰেণ্ড ফাদাৰ পালাট্ৰিয়ে ১৯৭০ চনত এই চৰ্চ্চত এটা বড়ো যাত্ৰা পাৰ্টিক ২৪,০০০ টকা দান কৰিছিল যাতে তেওঁলোকে সেই টকাৰে বড়ো ভাষাৰ কাৰণে ৰোমান লিপিৰ দাবী প্ৰচাৰ কৰিব পাৰে—এইটো কথা সচা হয়নে নহয় ? এই ক্ষেত্ৰত মই ইয়াকে কব খোজো যে, এই বিলাক কথা যদি সচাই হয় তেতিয়াহলে, চৰকাৰে ৰাজহুৱা স্বাৰ্থৰ খাটিৰত এই গোটেই বিলাক কথা লুকুৱাই ৰখাৰ কোনো অৰ্থ নাই। আমি বেপটিষ্ট মিছন আদিৰ কাৰ্য্যকলাপলৈ সদায়েই আঙুলিয়াই আছো। বড়ো ভাষাক মাত্ৰ উপলক্ষ কৰি যিবিলাক শক্তিয়ে ৰাজনৈতিক অভিসন্ধি লৈ কাম কৰি আছে সেই বিলাকক দমন কৰিবৰ কাৰণে চৰকাৰে অনতিপলমেই ব্যৱস্থা গ্ৰহণ কৰিব লাগে। লাগিলে সি হিন্দুৱেই হওক বা মুছলমানেই হওক বা অন্য কিবাই হওক। ৰাষ্ট্ৰীয় স্বাৰ্থৰ

বিৰোধীতা কৰিলে কাকো ক্ষমা কৰিব নেলাগে। আমেৰিকাৰ কোনোবাই বেয়া পাব, ছোভিয়েট ৰাছিয়াৰ কোনোবাই বেয়া পাব সেইটো ৰাজহুৱা স্বাৰ্থৰ খাতিৰত, ৰাষ্ট্ৰীয় স্বাৰ্থৰ খাটিৰত আহিব নোৱাৰে। ৰাষ্ট্ৰীয় স্বাৰ্থৰ পৰিপন্থী সকলোবিলাক শক্তিৰ বিৰোদ্ধেই ব্যৱস্থা গ্ৰহণ কৰিব লাগিব আৰু সেইটোকে যদি কৰিব নোৱাৰি তেতিয়া-হলে, তাতোকৈ আৰু ডাঙৰ দুৰ্ভাগ্যৰ কথা একো হব নোৱাৰে।

উপাধ্যক্ষ মহোদয়, মই এই কথাটো বিধান সভাৰ মজিয়ালৈ অনাৰ উদ্দেশ্যটো হৈছে যে আজি ভাষাৰ নামত, লিপিৰ নামত ৰাইজৰ পৰা কিছুমান দাবী আহিছে আৰু এই দাবী বিলাকৰ সম্পৰ্কত অসমৰ কিছুমান অঞ্চলত কিছুমান অশান্তিৰ সৃষ্টি হৈছে, আৰু এই অশান্তি বিলাক দমন কৰিবলৈ যাওঁতে শান্তি ৰক্ষাৰ নামত বহুত বিলাক টকা খৰচ কৰিবলগীয়া হোৱাৰ কাৰণে আমাৰ এই পিচপৰা ৰাজ্যখনৰ উন্নয়নমূলক কামত বাধা আহিছে। চৰকাৰৰ প্লেনৰ টকা পুলিচৰ কাৰণে খৰচ কৰিবলগীয়া হৈছে শান্তি ৰক্ষাৰ কাৰণে। মই মুখ্যমন্ত্ৰী ডাঙৰীয়াক সুধিব খুজিছো যে ৰোমান লিপিৰ দাবী যৰ পৰা আহিছে সেই বড়ো ভাই সকলৰ লগত আলোচনা কৰি কিবা এটা শেষ সিদ্ধান্তলৈ আহিব পৰা যায়নে নাযায়? শ্ৰীতালুকদাৰৰ লগত বড়ো ভাই সকলে কিছুদিনৰ আগতে আলোচনা কৰি বৰ্ত্তমান তেওঁলোকৰ আন্দোলন স্থগিত ৰাখিছে। কিন্তু দুই এদিনৰ কাৰণে স্থগিত ৰাখিলেই সেইটোৱেই সিদ্ধান্ত হৈ গল আৰু সমস্যাৰ সমাধান হৈ গল বুলি ভাবিলে ভুল কৰা হব। ইয়াৰ স্থায়ী সমাধান হব লাগিব। এই সমস্যাৰ স্থায়ী সমাধান কৰিবৰ কাৰণে আমাৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ যিটো ৰাজনৈতিক নেতৃত্ব দিব লাগিছিল সেই নেতৃত্বৰ অভাৱ পৰিলক্ষিত হৈছে। সেই কাৰণেই মই এই বিষয়টো বিধান সভাৰ মজিয়াত উথাপন কৰিছো।

*শ্ৰীনগেন বৰুৱা : মাননীয় উপাধ্যক্ষ মহোদয়, আজি যিটো বিষয়ৰ ওপৰত আলো-চনা হৈছে সেইটো অকল অসমৰেই নহয় ভাৰতৰ কাৰণেও এটা গুৰুত্বপূৰ্ণ আলোচনা। কিন্তু উপাধ্যক্ষ মহোদয়, এইটো চৰকাৰৰ ফালৰপৰা প্ৰশাসনৰ ফালৰ পৰা বড়ো সাহিত্য সভাই ৰোমান লিপিৰ কাৰণে যি আন্দোলন কৰিছে সেইটো ৰাজনৈতিক আন্দো-লন বুলি কৈ তেওঁলোকে সন্তুষ্টি লাভ কৰিব পাৰে। ইয়াত দ্বিমত কাৰো নাই। কিন্তু এই সমস্যাটো আমাৰ কাৰণে ৰোমান লিপিৰ সমস্যা, চৰকাৰে কোৱাৰ দৰে ৰাজনৈতিক সমস্যা নহয়। আমাৰ আজি ২৫।২৬ বছৰে অসমৰ ভৌগোলিক মানচিত্ৰৰ ভিতৰত যিবিলাক ঘটনা ঘটি আছে, এই বিলাক ঘটনাৰ লগত কোন বিলাক শক্তি জৰিত আছে, ইয়াত কোনে কি ক্ৰিয়া কৰি আছে, ইয়াৰ কাৰণে কোন দায়ী এই-টোহে আজিৰ আলোচনাৰ বিষয়।

*Speech not corrected

উপাধ্যক্ষ মহোদয়, অসমৰ ভৌগোলিক অৱস্থা চায়েই ধৰিব পাৰি যে অসম এখন সমৃদ্ধিশালী ৰাজ্য। কিন্তু অৰ্থনৈতিক দিশত আমি ভাৰতৰ ভিতৰতেই আটাইতকৈ পিচপৰা। অসমৰ যিটো অৰ্থনৈতিক গাঠনি, আমাৰ ইয়াত যিমান বিলাক প্ৰাকৃতিক সম্পদ আছে, এই সম্পদ বিলাক লৈ আমাৰ ইয়াত যি সকল লোকে বসবাস কৰি আছে সি যিয়েই নহওক জনজাতীয়েই হওক বা বৰ্ণ হিন্দুয়েই হওক বা অন্যান্য যি বিলাক ব্যৱসায় বাণিজ্য কৰা লোক আছে এই সকলোৱে আমাৰ অসমৰ এই সম্পদ ভাগ বতৰা কৰি থাই অসমক সমৃদ্ধিশালী কৰাৰ লগে লগে আমিও সমৃদ্ধিশালী হব পাৰিলোহেতেন। কিন্তু সেইটোকে নকৰি কেতিয়াবা ভাষাৰ কাৰণে, কেতিয়াবা লিপিৰ কাৰণে, কেতিয়াবা উদয়াচল, কমতাপুৰ আদি ৰাইজৰ দাবী উঠিয়েই আহিছে। আমি ইয়াৰ আগতেই এইটো কথা স্মৰণ কৰিব লাগিব যে আমাৰ প্ৰথমতে নগালেণ্ড সৃষ্টি হোৱা নাছিল। আমাৰ ইয়াত প্ৰথমতে সৃষ্টি হৈছিল অৰুণাচল। ১৯৬১ চনতে নগালেণ্ড সৃষ্টি কৰা হল। আচলতে অসমক বিচ্ছিন্ন কৰাৰ উদ্দেশ্যৰে, অসমক খণ্ড বিখণ্ড কৰি দুৰ্বল কৰাৰ উদ্দেশ্যৰে এই বিলাক ৰাজ্য সৃষ্টি কৰা হল। কিন্তু ইয়াৰ কাৰণে দায়ী ভাৰতবৰ্ষৰ প্ৰশাসন। অসম বা ভাৰতবৰ্ষৰ অন্য ঠাইৰ মানুহ অৰুণাচললৈ যাবলগীয়া হলে পাৰমিট লব লাগিছিল। ৰাজনৈতিক কাৰণতেই হওক বা নিৰাপত্তাৰ কাৰণতেই হওক অন্য ঠাইৰ পৰা মানুহ অৰুণাচললৈ গলে পাৰমিট লব লাগিছিল। আমি এই কথাত প্ৰতিবাদ কৰিছিলো যে আমাৰ কাষতে যুগ যুগ ধৰি বাস কৰা যিবিলাক মানুহৰ লগত অসমীয়া মানুহৰ সম্পৰ্ক আছে, অৰুণাচলৰ যি সকল জনজাতীয় লোক আছে সেই সকলৰ লগত আমাৰ অসমীয়াৰ সংস্কৃতি, ভাষা আদিৰ সম্পৰ্ক আছে কিন্তু সেই বিলাক কথা কেন্দ্ৰীয় চৰকাৰে নুশুনিলে। অসমৰ পৰা তেওঁলোকক বিচ্ছিন্ন কৰিবৰ কাৰণে কেন্দ্ৰীয় চৰকাৰে ব্যৱস্থা কৰিলে। আৰু লাহে লাহে অৰুণাচল আমাৰ লগৰ পৰা আতৰি গল। আচলতে তাত যি সকল জনজাতীয় লোক আছিল তেওঁলোক আমাৰ লগৰ পৰা আঁতৰি যাবলৈ বিচৰা নাছিল কিন্তু তাত যি বিলাক খৃষ্টান মিচনাৰী আছিল সেই সকলে ক্ৰিয়া কৰাৰ ফলত আমাৰ জনজাতীয় অঞ্চল বিলাকত বেচি ক্ষিপ্ৰতাৰে মূৰ ডাঙি উঠিল। তাৰ পৰিণামত অৰুণাচল, মেঘালয়, নগালেণ্ড আদি ৰাজ্যৰ সৃষ্টি হল আৰু অসমক খণ্ড বিখণ্ড কৰি দুৰ্বল কৰি পেলালে। আমাৰ জনজাতীয় লোকৰ মাজত বা অনান্য ভাষা ভাষী লোকৰ মাজত এটা ভূল ধাৰণা আছে যে যি সকলে অসমীয়া ভাষা কয় সেই সকলহে অসমীয়া বাকী সকল অসমীয়া নহয়। কিন্তু সেইটো নহয়, অসমৰ ভৌগোলিক মান চিত্ৰৰ ভিতৰত যি সকল লোক আছে, যি বিলাক বিভিন্ন ভাষা ভাষীৰ লোক আছে, যি বিলাক বিভিন্ন সম্প্ৰদায়, গোষ্ঠীৰ লোক আছে সেই সকলোৱেই অসমীয়া। ইয়াত বাংলা ভাষী লোক আছে, ইয়াত থলুৱা দোৱান কোৱা লোক আছে, খৃষ্টান আছে আৰু অন্যান্য ধৰ্মালম্বীৰ লোক আছে ইয়াত আদিম

অধিবাসী লোক আছে, পিচত অহা লোক আছে এই সকলোৰেই অসমীয়া। বড়োসকল অনাঅসমীয়া, জনজাতীয় লোক সকল অনাঅসমীয়া এইটো প্ৰশ্ন কেতিয়াও হব নোৱাৰে। আমি এটা কথা লক্ষ্য কৰিলে দেখা পাওঁ যে যেতিয়াই কোনো জনজাতীয় লোক শিক্ষিত হৈ আহিছে সেই সকলৰ মাজৰ পৰাই এই ধৰণৰ দাবী বেছিকৈ উঠিছে। সেই সকলৰ মনত এটা ভাৱে গা কৰি উঠিছে যে ব্ৰহ্মপুত্ৰ উপত্যকাত থকা লোক সকলে জনজাতীয় লোক সকলক ঘৃণা কৰে, জনজাতীয় কৃষ্টি, সংস্কৃতি এই বিলাক অৱহেলা কৰে। এইটো ভাৱ অহাৰ লগে লগে তেওঁলোকে ভাবে যে আমি যদি ৰাজনৈতিক ভাৱে আতৰি আহিব পাৰো তেনেহলে আমাৰ ওপৰত কোনো দিনে ব্ৰহ্মপুত্ৰ উপত্যকাই শোষণ কৰিব নোৱাৰিব আৰু আমি আমাৰ নিজা কৃষ্টি, সংস্কৃতি অৰ্থনৈতিক আদি ক্ষেত্ৰত আগবাঢ়ি যাব পাৰিম। জনজাতীয় লোক সকলে এই দৰে ভাবিয়েই আমাৰ পৰা আতৰি গৈছে। বড়ো ভাই সকলেও আজি হয়তো সেই দৰেই ভাবিছে। তেওঁলোকে ভাবিছে যে আমিও যদি অসমৰ পৰা আঁতৰি আহিব পাৰো তেনেহলে আমি, আমাৰ কৃষ্টি, ভাষা আদিত আগবাঢ়ি যাব পাৰিম। এইটো ধাৰণা হৈছে।

মিঃ ডেপুটি স্পীকাৰ : আপোনাক আৰু কিমান সময় লাগিব?

শ্ৰীনগেন বৰুৱা : মোক কিছু সময় লাগিব।

Mr. Deputy Speaker : The House stands adjourned till 2. 30 p.m.

The House resumed its sitting after lunch at 2-30 p.m. with the Hon'ble Speaker in the Chair.

*শ্ৰীনগেন বৰুৱা : অধ্যক্ষ মহোদয়, অসমৰ পিচপৰা সম্প্ৰদায় সমূহৰ জাতি আৰু অনুসূচীত জাতি সমূহৰ লোকসকলৰ মাজত আজি এই ভাবটো বেচি প্ৰবল হৈ পৰিছে। তেওঁলোকৰ সামাজিক, সাংস্কৃতিক বা ভাষাগত যেনে নিৰাপত্তাৰ প্ৰয়োজন সেইখিনি নাইকীয়া হৈছে। এই কাৰণেই আজি অসমত যি এখন বেলেগ স্বকীয়া প্ৰশাসনীয় বৰ্ড বা ৰাজ্য হলে তেওঁলোকে সেইখিনিৰ বিকাশ সাধন কৰি উপকৃত হব পাৰিব বুলিয়েই তেনে এটা ৰাজনৈতিক দিশতেই আন্দোলন গঢ়ি উঠিছে। কিন্তু আচল কথা সেইটো নহয়। আমাৰ অসমত যুগ যুগ ধৰি যি এটা শোষণ চলি আছে বাহিৰৰ পুঁজিপতি সকলে অসমত আহি যি ৰকমে শোষণ কৰিছে সেই শোষণৰ কাৰণেই আজি অসম অনগ্ৰসৰ হিচাবে বেকৱাৰ্ড ষ্টেট হিচাবে পৰিগণিত হৈছে। আজি অসমতো এটা সম্প্ৰদায়ে আন এটা সম্প্ৰদায়ৰ ওপৰত হয়তো সামান্য ভাবে

*Speech not corrected.

হলেও অসন্তুষ্টি হব পাৰে। কিন্তু আজি যি অৰ্থনৈতিক শোষণ চলিছে সেই শোষণৰ ওপৰতেই বৈষম্যতা আহি পৰিছে। আৰু মানসিকভাৱে এই বৈষম্যতাই কাম কৰি আছে। সেই কাৰণেই হয়তো আজি ৰাজনৈতিক দিশত এই সমস্যাৰ উদ্ভৱ হৈছে। অৰুণাচল আমাৰ ৰাজনৈতিক গোট হিচাবে যোৱাৰ পিছত অসমৰ লগত সাংস্কৃতিক বা বৈদ্ধিক বা ভাষাগত সমন্বয় স্থাপন হব লাগিছিল। কিন্তু সেইটো নহল। নগালেণ্ড হোৱাৰ পিছত বা মেঘালয় হোৱাৰ পিছত সেইটো নহল। আজি প্ৰশাসনীয় গোট হিচাবে আতৰি গলেই যে সৰ্ব্বসাধাৰণ ৰাইজৰ উপকাৰ হব তেওঁলোকৰ অৰ্থনৈতিক বিকাশ সাধন হব সেইটো নহয়। নগালেণ্ড বা মেঘালয় হোৱাৰ পিচত তেওঁলোকৰ বি তসশ্ৰেণীৰ মানুহ আছিল তেওঁলোকৰ অৰ্থনৈতিক বিকাশ সাধন হোৱা নাই। আৰু অসমৰ ভিতৰতো যি শোষণ আগতে চলিছিল সেইবিলাক আজিও বন্ধ হোৱা নাই। অসমৰ ভিতৰতে বহুতো বেলেগ বেলেগ গোষ্ঠীৰ মানুহ আছে তেওঁলোকে নানা ৰকমে প্ৰশাসনীয় গোট বিচাৰিছে, কিন্তু সেইটো হলেও যে তেওঁলোকৰ স্বতন্ত্ৰীয়া ষ্টেটচ বিলাকৰ উন্নতি হব সেইটো নহয়। বহিৰাগত শোষণ বন্ধ কৰিবই লাগিব। এইটো বন্ধ কৰিব পাৰিলেহে অৰ্থনৈতিক বিকাশ সাধন হব। আজি শিক্ষাৰ দিশত, সাংস্কৃতিক দিশত, সামাজিক দিশত বিকাশ সাধন কৰিব নোৱাৰিলে একো উন্নতি হব নোৱাৰে।

অধ্যক্ষ মহোদয়, আমাৰ অসমত যিবিলাক প্ৰাকৃতিক সম্পদ, সেই সম্পদে আজি আন্তৰ্জাতিক বজাৰত মুদ্ৰা অৰ্জন কৰিছে, আজি এই সম্পদেৰে ৰাজস্থান চহকী হৈছে দিল্লীত ডাঙৰ ডাঙৰ পকী ঘৰ তৈয়াৰ হৈছে, কিন্তু অসমৰ একো সম্পদ বঢ়া নাই। অসমৰ অৰ্থনৈতিক বিকাশ সাধন হোৱা নাই। আৰু যদি হলহেতেন তেন্তেহলে আমাৰ মাজত ভূল বুজা বুজি আৰু অনগ্ৰসৰতা নহলহেতেন। আজি ভাষাৰ নামত, সংস্কৃতিৰ নামত ৰোমান লিপিৰ নামত নানা ধৰণৰ আন্দোলন গঢ়ি উঠিলহেতেন। আজি ৰাজনৈতিক সকলো আন্দোলনৰ মূলতে বহুতো ৰাজনৈতিক কথা আছে; আৰু ইয়াত তাৰে কিছুমানে কাম কৰিছে। ইন্ধন যোগাইছে। আমাৰ প্ৰশাসন যেনে ধৰণে চলাই আছো তাৰ মাজতে আমাৰ খৃষ্টান মিচনেৰী সকলে তেওঁলোকৰ কাম চলাই আছে। আজি খৃষ্টান মিচনেৰী সকলৰ উন্নতিৰ কাৰণে যিবিলাক শক্তি আছে সেইবিলাকৰ মূলতে হৈছে ৰোমান লিপি।

এই সমস্যা বিলাক সমাধান কৰিবলৈ হলে ইয়াৰ কিছুমান সুদূৰ প্ৰসাৰী কথা আছে সেই বিলাক উদ্‌ঘাটন কৰি সমাধান কৰিব পাৰিলে হয়তো, বিভিন্ন জাতিৰ মাজত থকা অশান্তি বিলাক দূৰ হব বা সংস্কৃতিক দিশত বিকাশ সাধন হব। যদি আজি আমি আলাপ দৃষ্টি ভঙ্গিৰ মাজেদি নীতি গ্ৰহণ কৰি বা অৰ্থনৈতিক বা সামাজিক দিশত কোনো আচনি লৈ সেই আচনি বিলাক কাৰ্য্যকৰি কৰি তাৰ ফলাফল

ৰাইজক দেখুৱাবৰ বাবে চেষ্টা কৰো তেতিয়াহলে হয়তো আমাৰ মাজত থকা অশান্তি বিলাক দুৰ হব।

অধ্যক্ষ মহোদয়, আমাৰ জনসাধাৰণৰ মাজত আজি এনে এটা কথা হৈছে যে আমাৰ চৰকাৰে যি ধৰণে আলাপ আলোচনা কৰিছে, সেই দিশত তেখেতসকলে সেই ধৰণে আলোচনা কৰি ৰোমান লিপি বা উদয়াচলৰ দাবী কোনো এটা বিষয়তে স্থিৰ সিদ্ধান্তত উপনীত হব নোৱাৰিলে। যি সকল মানুহে আজি বড়ো সাহিত্য সভা তথা কথিত নীতি শাসক গোষ্ঠীৰ সমৰ্থক হিচাবে আছে তেওঁলোকৰ ওপৰত জনগোষ্ঠীৰ আস্থা হেৰাই গৈছে। চৰকাৰে এই শাসক গোষ্ঠীত থকা লোক সকলৰ ওপৰতেই বেছি নিৰ্ভৰশীল কিন্তু সৰ্ব্বসাধাৰণ ৰাইজৰ অৱস্থা বুজি পৰিস্থিতি সমাধান কৰিবলৈ নিবিচাৰে। আজি যি সকল লোক ২৬-২৭ বছৰে লোকসভাৰ এম, পি হৈ আছে, মন্ত্ৰী বা এম, এল, এ হৈ আছে সেই লোক সকলে সৰ্ব্বসাধাৰণ ৰাইজৰ দৃষ্টি ভঙ্গী বুজি নাপায়। প্ৰকৃততে যিবিলাক দেশপ্ৰেমী আছে, যি সবলে ৰাইজৰ মনৰ অৱস্থা বুজিব পাৰে সেই সকলৰ সমস্যা সমাধান কৰিবলৈ হলে সেইবিলাক মানুহৰ সহায় লৈ তেওঁলোকে যিবিলাক কথা সিদ্ধান্তলৈ আনিব বিচাৰে সেইবিলাক ভালকৈ পৰ্যবেক্ষণ কৰি চাব লাগিব। এইটো কৰিব নোৱাৰিলে আজি শাসক গোষ্ঠীত যি সকল জনজাতীয় লোক আছে সেই সকলে কেতিয়াও নিজৰ উদ্দেশ্যত উপনীত হব নোৱাৰে। গতিকে আজি আমাৰ চৰকাৰে এই কথাটো এটা দলৰ বা দলীয় স্বাৰ্থ বুলি নাভাবি সকলো পৰিহাৰ কৰি সামগ্ৰিক দৃষ্টি ভঙ্গীৰে চাই এই জন গোষ্ঠীৰ যাতে সমস্যা সমাধান কৰিব পাৰে, জাতি, বৰ্ণ নিৰ্ব্বিশেষে উদাৰ চিত্তে যাতে সমস্যা সমাধান কৰিব পাৰে তাৰ কাৰণে চেষ্টা কৰিব লাগে। গতিকে মই চৰকাৰক অনুৰোধ কৰো যাতে এই দিশটোৰ পৰিবৰ্ত্তন সাধন কৰে। ইয়াৰোপৰি এটা কথা হৈছে যে, আমাৰ প্ৰশাসনীয় যন্ত্ৰটোৰ ভিতৰত কেৰোন আছে। আৰু এইবিলাক কথা আমাৰ চৰকাৰে এটা মীমাংসা সুত্ৰেৰে আৱিষ্কাৰ কৰিব। মূখ্য মন্ত্ৰীয়ে কোৱাৰ দৰে গোটেই কথাবিলাক চাব লাগিব। আমাৰ থলুৱা লোক সকলৰ মাজত যি বিলাক লোক আছে সেই সকলৰ কথাও সাধাৰণ সুত্ৰৰ দ্বাৰা মীমাংসা কৰিব লাগিব।

অধ্যক্ষ মহোদয়, এইবিলাক কথা কেন্দ্ৰীয় চৰকাৰৰ গাত আউজাই ৰাখি আমাৰ দায়িত্ব আতৰ কৰিবলৈ চেষ্টা কৰিছে। সেই কাৰণে আমাৰ অসমৰ যিবিলাক শিক্ষাবিদ আছে সেই সকলে ইয়াক সমাধান সুত্ৰ আবিষ্কাৰ কৰি বিভিন্ন জনগোষ্ঠীৰ লগত আলোচনা কৰি বড়ো সাহিত্য সভাৰ লগত আলোচনা কৰি এটা মীমাংসা কৰিব লাগে। আমাৰ অৰ্থনৈতিক, সামাজিক, শিক্ষাৰ ক্ষেত্ৰত যি এটা সমাধান সুত্ৰ আবিষ্কাৰ কৰি আমাৰ চৰকাৰৰ কৰিবলগীয়া কাম কৰিব লাগে। এইখিনিকে কৈ মই মোৰ মতামত দাঙি ধৰিলো।

*শ্ৰীপ্ৰিটনিং কোৰৰ :—মাননীয় অধ্যক্ষ মহোদয়, আজি যিটো আলোচনা উত্থাপন কৰা হৈছে, ইয়াৰ সন্দৰ্ভত মই কেইটামান কথা কবলৈ বিচাৰিছো। এই বোমান নীতিটোৱেই বিশেষ সমস্যাৰ সৃষ্টি কৰিছে, বিশেষকৈ গোৱালপাৰা, কামৰূপ আৰু দৰং অঞ্চলত। খেতিৰ সময়ত আন্দোলন হয়, কঠিয়া পাৰিব নোৱাৰে আৰু ধান চপোৱাৰ সময়ত আন্দোলন হয় ধান চপাব নোৱাৰে। ইয়াৰ ফলত মানুহ বিলাকৰ বহুদিন ধৰি নানা ধৰণৰ কষ্ট ভোগ কৰিব লগা হৈছে। বেছি ভাগেই বুজিয়ে নেপাই এই বোমান নীতিটোনো কি হৈছে। লৰা-ছোৱালী বিলাকে বোমান নীতি-তেই মগ্ন হৈ নিজৰ বাস্তিৱক আওকাণ কৰি স্কুল-কলেজ পঢ়া-শুনা সকলো বাদ দি চাকৰি-বাকৰি নোহোৱাকৈ লাহে লাহে ৰসাতলে গৈছে। এতিয়া কথা হল এই আন্দোলনটো স্বতঃস্ফূৰ্ত হয়নে নহয়। যদি কাৰোবাৰ উচটনিত এই আন্দোলনৰ উদ্ভৱ হৈছে তেনেহলে এই আন্দোলন বেছিদিন নিটিকিব। আৰু যদি নিজে কৰা হয় তেনেহলে এই আন্দোলনৰ কোনো দিনেই ওৰ নপৰিব। ইয়তোবা এনেকুৱাও হব পাৰে শতকৰা ৯৯ ভাগেই উচটনিৰ বাবে আৰু এভাগ মাত্ৰ নিজে কৰাত। এই আন্দোলনৰ বিষয় হয়তো বিভিন্ন ধৰণেৰে হব পাৰে। হয়তো মিচনাৰিৰ কালৰ পৰাও হব পাৰে। এইটোও চাব লাগিব মিচনাৰী মানে ইংৰাজৰ দিনৰ বগা চাহাবাইনে ইয়াতে থকা থলুৱা বাসিন্দাৰে কোনোবা। বৰ্ত্তমান জনজাতীয় বহুতো মানুহেই খৃষ্টান ধৰ্ম্ম গ্ৰহণ কৰিছে।

আজি কোনোবা টাইবেলে মেধী, শইকীয়া, বৰা আদি লিখিছে। এওঁলোক ট্ৰাইবেল। বহুতো ট্ৰাইবেল খৃষ্টান হৈছে, কিন্তু তেওঁলোক ট্ৰাইবেল। খৃষ্টান হৈও দৈমাৰী, বসুমতাৰী, গয়াৰি আদি লিখিছে। খৃষ্টান হোৱা ট্ৰাইবেল আৰু খৃষ্টান নোহোৱা ট্ৰাইবেলৰ মাজত পাৰ্থক্য প্ৰায় দেখা নাযায়। খৃষ্টান ট্ৰাইবেল আৰু অখৃষ্টান ট্ৰাইবেলে ট্ৰাইবেল বুলিয়েই চাকৰি পায়। ইয়াত যে মিচনেৰী সকলে আন্দোলনত ইন্ধন যোগাব পাৰিছে বুলি কৈছে এই কথাটো কিমানদূৰ সত্য বিবেচনা কৰি চোৱা উচিত। ট্ৰাইবেল খৃষ্টান মাত্ৰ পাচ ভাগ আৰু ৯৫ ভাগ হিন্দু ট্ৰাইবেল। গতিকে পাচ ভাগ মানুহে যে ৯৫ ভাগ মানুহক প্ৰভাবান্বিত কৰিব পাৰিব ই বিবেচনাৰ বিষয়। আজি কয় অমোক বেয়া আমেৰিকাৰ পৰা বাহিৰৰ পৰা আহি টকা পইচা দিছে কিতাপ পত্ৰ দিছে এই কথা বিলাক বৰ ভাল নহয়। আজি ইয়াত সোমোৱা কিমান মিচনেৰী গ্ৰেপ্তাৰ হৈছে সেইটো চাব লাগে। আমাৰ চৰকাৰে চাপ্ৰেচ কৰি আন্দোলন বন্ধ বা নাইকীয়া কৰিবৰ কাৰণে চেষ্টা চলাইছে। কিন্তু বৰ কৃতকাৰ্য্য নহল। যি আন্দোলন স্বতঃস্ফূৰ্ত লাঠিৰে তাক বন্ধ কৰিব নোৱাৰে।

*Speech not corrected

ছয়মাহ তিনি মাহৰ ইন্টাৰভেল লৈ এই আন্দোলন চলি থাকিব। মুখ্যমন্ত্ৰী ডাঙৰীয়াই সিদিনা বড়ো সাহিত্য সভাৰ কৰ্মী কেইজন মানক মাতি আনি আলোচনাত বহিছিল। মই অন্য কামত যাব লগা হোৱা বাবে উপস্থিত থাকিব নোৱাৰিলো। আলোচনাৰ ফলাফল কি হল জানো? মুখ্যমন্ত্ৰীয়ে কলে আলোচনা আমাৰ পৰা গুচি গৈ দিল্লী পাইছে। আৰু এটা চেষ্টা চলাইছিল। সেইটো হল সৌ, সিদিনা লক্ষীমপুৰৰ শ্ৰীবীবচন দলে বড়ো সাহিত্য সভাৰ সভাপতি মটবেৰে দিশপুৰ আনি নমাই দিলে। তেওঁ মিচিং মানুহ, বড়ো ভাষা নাজানে। মই, শ্ৰীকুলী আৰু শ্ৰীবনকান্ত বড়ো ডাঙৰীয়াই এই কথাটো গম পালো। আমাক দেখি তেওঁ ৰঙা চঙা পৰিল ধৰা পৰিল বুলি। তেওঁৰ হতুৱাই এটা ষ্টেটমেন্ট ঠিক কৰালে আমাক ৰোমান প্ৰিন্ট নালাগে, উদয়াচল নালাগে। ইয়াৰ দ্বাৰা আমাৰ লৰা ছোৱালীৰ অসুবিধা হব চাকৰি বা আই, এ, এচ আদি নাপাব। এই একেজন মানুহে গৈ কোকৰাঝাৰত কলে ৰোমান লিপি, উদয়াচল লাগিব। চৰকাৰে যিটো পদক্ষেপ লৈছিল তাৰ ওলোটাহে হল। শ্ৰীবীবচন দলে ষ্টেটমেন্টটো প্ৰত্যেক এম, পি, আৰু প্ৰধানমন্ত্ৰীৰ টেবুলত আছে। এম, পি শ্ৰীবসুমতাৰীয়ে এইটো ঘৰে ঘৰে দি ফুৰিছে। যদি এইদৰে কাজগত ষ্টেটমেন্ট দিলেই সমস্যাৰ সমাধান হয় তেন্তে বৰ ভাল কথা। কম খৰচত হব। চৰকাৰৰ এই এক্সপেৰিমেন্টটো ভুল। সিদিনা আমাৰ আলোচনা প্ৰতিনিধিৰ লগত প্ৰধানমন্ত্ৰী হোৱাৰ পিচত বাতৰি কাকতত ওলাইছে যে অসমীয়া কথাত বড়ো ভাষা লিখিব পাৰি। গতিকে এইবিলাক বাদ দিয়া। প্ৰতিনিধি দলটোৰ আগত দিল্লীত কৈছে যে দেবনাগৰী লিপি লোৱা টকা পইচা সকলো দিয়া হব। এতিয়া অসম চৰকাৰে এটা কয় দিল্লীত এটা কয়। আমি কোন ফালে যাম? এতিয়া প্ৰধানমন্ত্ৰীয়ে এটা পাচজনীয়া কমিটি গঠন কৰি দিছে তদন্ত কৰিবৰ কাৰণে এই কমিটিত শিক্ষা সচিব থাকিব, বড়ো সাহিত্য সভাৰ সভাপতি থাকিব। মহীশুৰৰ কৃষ্টি ভাষা গবেষণা কেন্দ্ৰৰ প্ৰফেচাৰ থাকিব। ইয়াৰ আগতে কোকৰাঝাৰত পৰীক্ষামূলক ভাৱে চাই প্ৰতিবেদন দাখিল কৰিছে। এই তদন্ত কৰাৰ পিচত অসম চৰকাৰক লোমোধাকৈ ওপৰৰ পৰা জাপি দিব। এই কথা বিলাক ৰাজনৈতিক ভাবে লব নালাগে। যোৰহাট আৰু গুৱাহাটীত লিথক শিবিৰ পতা হৈছিল। কোনো দলে কোনো দলৰ কথা মানিব নোৱাৰে। মূলকথা হল অসম চৰকাৰ এই বিষয় বস্তুটোৰ মালিক। গতিকে দিল্লী চৰকাৰক কৈ দিব লাগে এইটো ৰাজ্যিক পৰ্য্যায়ত আলোচনা কৰি ব্যৱস্থা লোৱা হব। গতিকে ইয়াত হস্তক্ষেপ নকৰিব। আমি যিমান পাৰো বুজাই বঢ়াই আনিবলৈ চেষ্টা কৰিছো। মোৰ মতামত একো দিব বিচৰা নাই। কাৰণ মোৰ তাত শতকৰা আধাও বড়ো হব পাৰে। আমাৰ এই লোক সমুদায়ৰ উন্নয়ন কামনা কৰি ৰাজ্যিক পৰ্য্যায়ত ইয়াৰ সমাধান কৰিব লাগে। বাহিৰৰ পৰা সমস্যা

সমাধান কৰিবলৈ দিয়াটো উচিত নহয়। অসম চৰকাৰে ভাৰত চৰকাৰৰ লগত আলাপ আলোচনা কৰি এটা মতত কাম কৰিবলৈ ব্যৱস্থা লবলৈ অনুৰোধ কৰি বক্তব্যৰ সামৰণি মাৰিলো।

*শ্রীঅম্বৰিচ লাহৰীঃ আজি ইয়াত মাননীয় সদস্যা শ্রীমতী ৰেণুকা দেৱী বৰকটকী আৰু পিটচিং কোৱঁৰ ডাঙৰীয়াই কার্য্যতালিকা অনুসৰি যি আলোচনা ইয়াত উত্থাপন কৰিছে সেই বিষয়ে মই দুষাৰমান কব বিচাৰিছো। ইয়াত বিশেষকৈ ৰোমান স্ক্রিপ্ত আৰু উদয়াচলক লৈ যিবিলাক কথাৰ অৱতাৰণা কৰা হৈছে সেই বিষয়ে মই এটা স্পষ্টিকৰণ কৰিব বিচাৰিছো। ৰোমান স্ক্রিপ্তৰ লগত বড়ো সমাজ আৰু বড়ো ভাষাৰ যিটো সম্পর্ক তাৰ লগত উদয়াচলৰ সম্পর্কটো অলপ বেলেগ! উদয়াচলৰ লগত ৯টা গোষ্ঠীৰ সম্পর্ক আছে, অসমৰ উত্তৰ পাৰৰ ভুটানৰ পাদদেশৰ পৰা অর্থাৎ সোনকোশ নদীৰ পৰা সীমান্তলৈ এই উদয়াচলে দাবী কৰিছে আৰু ইয়াত ৯টা জনজাতিৰ গোষ্ঠীৰ লোক নিহীত আছে কিন্তু ৰোমান স্ক্রিপ্তৰ ক্ষেত্রত কেৱল বড়ো জনজাতি সকলেহে দাবী কৰিছে অইনে নহয়। সেইকাৰণে মই কব বিচাৰিছো এই যে উদয়াচলৰ যিটো দাবী **জনজাতি** সকলে কৰিছে সেইটো ইয়াৰ লগত একত্রিত কৰি লাভ নাই, এই ৰোমান স্ক্রিপ্ত দাবীটো কেৱল বড়ো ভাই সকলৰ ক্ষেত্রতহে প্রযোজ্য হব। গতিকেই এই আলোচনাটো তাতেই আবদ্ধ থাকিলে ভাল হব।

বড়ো ভাষাতো আমাৰ অসমৰে এটা ভাষা আৰু ইয়াৰ সংস্কৃতিৰেই অসমীয়া ভাষাতো সমৃদ্ধ ১৯৬৮ চনতে এটা নিগচিয়েশ্যান হৈছিল আৰু সেইমতে অসমত বড়ো ভাষাতো প্রকাশ কৰাৰ কাৰণে আৰু বড়ো সাহিত্য সভায়ো এই বিষয়ত সন্মতি প্রকাশ কৰিছিল। ১৯৬৫ চনৰ পৰা এই ধৰণে নানা ভাবে আন্দোলন চলি আহিছিল আৰু এই সম্পর্কত চৰকাৰকো দৃষ্টি আকর্ষণ কৰা হৈছিল যাতে এই সমস্যা সোনকালে সমাধান কৰিব পৰা হয় আৰু এই পিছপৰা লোক সকলৰ কাৰণে এখন কমন প্লেটফর্ম সৃষ্টি কৰিব পাৰি। তাৰোপৰি এই জনজাতি সকলৰ লগত যাতে সম্বন্ধ ৰক্ষা কৰিব পাৰি তাৰ বাবে চেষ্টা কৰি আহিছে। মাননীয় সদস্য নগেন বৰুৱা ডাঙৰীয়াই কৈছে যে শাসক গোষ্ঠিদলৰ যি সকল সদস্য তেখেত সকলক প্রাধান্য দি কব বিচাৰিছো যে এইটো সমস্যা সমাধান নহয় বুলি কৈছে কিন্তু শাসক গোষ্ঠিৰ যি সকল বিধেয়ক আছে বিশেষকৈ জনজাতীয় লোক সকলৰ যি সকল বিধেয়ক আছে তেওঁলোকৰ জৰীয়তে ইয়াৰ কিমান দূৰ সমস্যা সমাধান কৰিব বিচাৰিছে মই জনা নাই। যোৱা বছৰৰ আগৰ বছৰ আমাৰ প্রাক্তন মন্ত্রী বসুমতাৰীৰ ওচৰলৈ এই ট্রাইবেল সমস্যাৰ বিষয়ে যোৱা হৈছিল কিন্তু তাৰ দ্বাৰা কোনোফল নধৰিলে। আমাৰ

*Speech not corrected

বহুতো মাননীয় সদস্যই এই ৰোমান লিপিৰ বিষয়ত স্বীকৃতি দিয়া নাই কিন্তু এই ৰোমান লিপিৰ সংক্ৰান্তত আমাৰ নিজস্ব মতামত বাইজৰ ওৰফৰ পৰা গুৰুত্ব দিছে বুলি মই ভাবো। এই ৰোমান লিপি লৈ বহু সময়ত নানা ধৰণে ভিত্তি প্ৰদৰ্শন কৰা হৈছিল আনকি ১৯৭৪ চনৰ শীতকালীন অধিবেশনত চলি থকা অৱস্থাত এই সম্পৰ্কত আলোচনা হৈছিল। আনকি কোনো সময়ত কোনোবা কোনোবা বিধেয়ক অসন্মানিত হব লগীয়া হৈছিল। আৰু জোৰ কৰি তেওঁলোকৰ হতুৱাই স্বাক্ষৰ কৰাই লোৱা হৈছিল। আৰু এই সম্পৰ্কত গৃহ মন্ত্ৰীক জনোৱা হৈছিল অৱশ্যে তাৰ পিছত বিধেয়ক জনাক ক্ষমা প্ৰাৰ্থনা জনাইছিল। ৰোমান লিপিৰ জৰীয়তে যাতে অসমত বা অসমীয়া সমাজত সংহতি অৱনতি নহয় আৰু অসমৰ সংহতিত যাতে বিনষ্ট নহয় তাৰে চিন্তা কৰি এই বিষয়টো ভালদৰে বিশ্লেষন কৰি কহিয়াই চাই এই সমস্যাটো সমাধান কৰিবলৈ এটা বলিঠ উপায় অবলম্বন কৰিব পাৰি সেইটো চেষ্টা কৰিব লাগে।

অসমীয়া সাহিত্যত বড়ো সকলৰ অৱদান নিচেই কম নহয় আৰু মই নিজেও এই দেশৰ প্ৰথম অসমীয়া বুলি ভাবো। তেনে অৱস্থাত যদি জনজাতি সকলৰ মাজত ৰোমান লিপি প্ৰচলন কৰো তেনেহলে অকল জনজাতিৰে কিয় সমগ্ৰ অসমীয়া জাতিৰে অনিষ্ট হব। সেইকাৰণে পলম হলেও ভৱিষ্যত উন্নতিৰ কাৰণে এটা ভাল উপায় অবলম্বন কৰিব লাগিব বুলি মই ভাবো। জনজাতীয় পৰিষদৰ সভাপতি শ্ৰীবিৰোচন দলে ডাওৰীয়াৰ বিবৃতি শুনি ভাল লাগিছে কাৰণ তেখেতে স্পষ্ট ভাষাত কৈছে যে ৰোমান লিপিৰ দ্বাৰা বড়ো সাহিত্যৰ বিশেষ উন্নতি সাধন হব বুলি কব নোৱাৰি। পিচত অৱশ্যে তেখেতে মন্তব্যৰ কিছু সালসলনি কৰিছে বুলি শুনিবলৈ পাইছো। মোৰ সমষ্টিৰে ৰেভাৰেণ্ড মাগুৱাম নাৰ্জাৰীৰ জৰিয়তে বড়ো সাহিত্যলৈ মিচনেৰী সকলে প্ৰায় ৭০ হেজাৰ টকা দিছে। সেই নাৰ্জাৰী এতিয়া ছিলঙৰ উইকেদষ্টেগুত থাকে। তেৱেঁই এই আন্দোলনৰ গুৰিয়াল বুলি সকলোৱেই জানে। ৰোমান লিপি সম্বন্ধে এই নাৰ্জাৰীয়ে মই স্কুলত কাম কৰি থকা কালৰ পৰাই আমাৰ মতামত লৈ ফুৰিছিল। আমাৰ চৰকাৰে যি নীতি অৱলম্বন কৰিছে তাৰ দ্বাৰা এই আন্দোলন শাম কটাৰ পৰিবৰ্ত্তে বেঁচিহে হব যেন অনুমান হয়। আজি ৰাজনৈতিক নেতা সাহিত্যিক চৰকাৰী কৰ্মচাৰী আৰু মুখিয়াল লোক একত্ৰ কৰি বিশদ আলাপ আৰু আলোচনা কৰি এটা সূত্ৰ উলিয়াব লাগিব। এই বিষয়ত জনজাতীয় প্ৰাইমেৰী শিক্ষক সকলে প্ৰথমৰে পৰা এটা বিশেষ ভূমিকা লৈ আহিছে। আনকি ১৯৭৪ চনৰ পৰা তেওঁলোকে বেতন পৰ্য্যন্ত নোলোৱাকৈ কাম কৰি আহিছে। এতিয়া চৰকাৰে বেতন দিয়াৰ ব্যৱস্থা কৰিছে। তেওঁলোকে এহাতে বেতন লৈছে আৰু আনহাতে আন্দোলন চলায় আছে।

বৰ্ত্তমান বড়ো স্কুলবিলাকত ৩য় মানলৈকে অসমীয়া আছে। কিন্তু ৪ৰ্থ মানৰ

পৰ্বা চৰকাৰে অসমীয়া পঢ়োৱাৰ দিহা কৰিব লাগে। এই ৰোমান লিপিৰ কাৰণে যি আন্দোলন হল তাত দুই পক্ষৰ লোক হতাহত হল। আনকি বড়ো নেতা শ্ৰীভুবনেশ্বৰ নাৰ্জাৰীয়ে কোকৰাঝাৰ চহৰত দিনদুপৰতে আততায়িৰ হাতত প্ৰাণ এৰিব লগা হল। গতিকে ইয়াৰ কাৰ্য্যকৰী ব্যৱস্থা কৰিবৰ কাৰণে মুখ্য মন্ত্ৰীক অনুৰোধ কৰি মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

শ্ৰীমতী বেণুপ্ৰভাদেবী বৰকটকী: হাউচ বঢ়াবনেকি?

মিঃ স্পীকাৰ: ৰুল ৫০ মতে আঢ়ৈ ঘণ্টাৰ আলোচনা। এতিয়া ডেৰ ঘণ্টা হৈছে। মন্ত্ৰীয়েও কব। গতিকে ৪ বজাত শেষ কৰিব।

শ্ৰীচৈয়দ আহম্মদ আলি (মন্ত্ৰী): একাদিক্ৰমে যাব লাগে।

মিঃ স্পীকাৰ: চমুকৈ কব।

*শ্ৰীসুৰেন দাস—অধ্যক্ষ মহোদয়, আজি আমাৰ সদনত ভাষাৰ লিপিৰ সম্পৰ্কত এটা আলোচনা হৈছে। এইটো সময়উপযোগী হৈছে বুলি কব লাগিব। কিন্তু এই সন্দৰ্ভত বড়ো সাহিত্য সভাই যি আন্দোলন কৰিছিল তাত এইটো কথা নাছিল। তাত এটা অসমীয়া ভাষা আৰু সেই ভাষাৰ মাজেদি সমগ্ৰ অসমীয়া জাতিৰেই উন্নতি সাধন কৰা উদ্দেশ্য আছিল। ১৯৬৩ চনতে চলিহা মুখ্যমন্ত্ৰী হৈ থাকোতেই সেই সময়ত সদৌ অসম বড়ো সাহিত্য সভাৰ কোকৰাঝাৰ অধিবেশনত যেতিয়া আন্দোলন কৰা কথা উঠিছিল তাত মই এটা কথা কৈছো যে আমি বুজা পৰালৈ আহিব পাৰোনেকি? সেইটো চেষ্টা কৰিব লাগে। তালৈ বিধান সভাৰ জনজাতীয় সদস্য সকল গৈছিল তালৈ শ্ৰীকোৰৰ ডাঙৰীয়া আৰু ৰাই ডাঙৰীয়াও গৈছিল। আমি ভাবিছিলো যে আমি এটা বুজা পৰাৰে এটা সিদ্ধান্তত উপনীত হব পাৰিম। তাৰ ১৫ দিন মানৰ পিচত শিক্ষাবিদ সকল, শিক্ষা মন্ত্ৰী আৰু শিক্ষা বিভাগৰ এক্সপাৰ্ট সকল বহি এটা সিদ্ধান্ত কৰিলে যে হায়াৰ চেকেন্দাৰীলৈকে বড়ো মাধ্যমত শিক্ষা দিব লাগে। এই উদ্দেশ্যৰে কিতাপ আদি ছপা কৰা হল। গণিত আদি আৱশ্যকীয় কিতাপ প্ৰকাশ কৰা হ'ল। আৰু এইমতেই স্কুলত চলাবলৈ দিয়া হল এই সময়তে এটা ৰাজনৈতিক দল সেইটো হৈছে পি টি চি গঠিত হল। এইটো এটা পুৰনি কলীয়া বেচৰকাৰী অনুষ্ঠান। এই অনুষ্ঠানে অসমৰ জনজাতীয় লোকৰ কল্যাণৰ কাৰণে বিভিন্ন স্তৰত কাম কৰি আহিছিল। তাৰ পিছত পি টি চি সংগঠন কৰি ৰাজনৈতিক বাতাবৰণৰ সৃষ্টি কৰি বাহিৰে আৰু ভিতৰে মানুহ বিলাকক প্ৰভাৱান্বিত কৰি তাৰ পিচত ৰোমান লিপি লাগে বুলি সিদ্ধান্ত লয়। এটা গণতান্ত্ৰিক পদ্ধতিত কিন্তু

*Speech not corrected

এটা কৰিবলৈ হলে তাৰ সংখ্যা গৰিষ্ঠৰ ওপৰত সিদ্ধান্ত হয়। সেই সিদ্ধান্ত এই ৰাজনৈতিক প্ৰভাৱান্বিত দলটোৰ মতামতত কৈ সদৌ অসম বড়ো সাহিত্য সভাৰ মতামত বেচি গুৰুত্বপূৰ্ণ আৰু সেই মতে অসমৰ যি বিলাক স্কুল বা কলেজ আছে তাত অসমীয়া ভাষাকেই ৰাখিব লাগে বুলি বিভিন্ন শিক্ষাবিদ আৰু এক্সপাৰ্ট সকলে মত দিছে আৰু তেনেস্থলত ৰোমান লিপিৰ ব্যৱহাৰ সম্পৰ্কীয় এই দলটোৰ মনোভাবত আমাৰ আস্থা নাই। এই অসমীয়া ভাষাৰ জৰিয়তে ভৱিষ্যতে এই জাতিৰ উন্নতিৰ হকে কাম হব বুলি আশা কৰি আহিছো। কেৱল এই দলটোৱে ৰোমান লিপিৰ কথা কৈ আহিছে। গতিকে মই ভাবো আমাৰ বড়ো গোষ্ঠিত এই ৰোমান লিপিত আকৃষ্ট বুলি কব নোৱাৰো। এই পি টি চি দলটো কোনো এটা জনজাতীয় নহয়। ইয়াত লালুং, দেউৰী, মিচিং, বড়ো, কছাৰি সকলো আছে। এই সকলোৱেই অসমীয়া হব লাগে বুলি কৈছে। আৰু অসমীয়া ভাষাই এই জনজাতীয় লোক সকলৰ ভৱিষ্যত নিৰোপন কৰিব। গতিকে অসমীয়া ভাষা আৰু সংস্কৃতিৰ কাৰণে এটা বুজা পৰাৰ মাজেদি ইয়াৰ উন্নতি সাধন কৰি তাৰ পোহৰত আমাৰ বড়ো গোষ্ঠি পৰিচালিত হবলৈ চেষ্টা কৰাটো উচিত। তেনেস্থলত তাৰ বিপৰীতে বিভিন্ন ৰাজনৈতিক বাতাৱৰণৰ সৃষ্টি কৰি বিশৃংখলতাৰ সৃষ্টি কৰা হৈছে। এই কথাটো আবেগিক আৰু এইটো সময়ত শাম কাটিব। এই সম্পৰ্কত মুখ্যমন্ত্ৰী, শিক্ষামন্ত্ৰী আৰু শিক্ষাবিদ সকলৰ লগত আলোচনা কৰা হৈছে। আৰু এতিয়া যি বিলাক ৰোমান লিপিৰ অনুৰাগী তেওঁলোকে লাহে লাহে সেই ভাৱ ধাৰা পৰিবৰ্ত্তিত কৰি এটা বুজা পৰাৰ অহাৰ আগন্তুক হৈছে। এই সময়ত এটা বুজা পৰাৰ বিশেষ প্ৰয়োজন হৈ পৰিছে আৰু মাননীয় সদস্য শ্ৰীঅৰবিন্দ লাহৰিয়েও সেই কথা কৈছে আৰু অসমীয়া ভাষা শিকি পুনৰ অসমীয়া লিপি গ্ৰহণ কৰি লৰা-ছোৱালীক শিক্ষা দিয়া হৈছে। এইদৰে তেওঁলোকে আজি আকৌ অসমীয়া ভাষা আৰু লিপি গ্ৰহণ কৰাৰ ভাব পৰিলক্ষিত হৈছে। এই প্ৰসংগতে এটা কথা কব লাগিব যে এই আন্দোলনৰ সময়ত বহুতো বিশৃংখলতা হৈছিল আৰু তাত শান্তি ৰক্ষাৰ কাৰণে পুলিচে হস্তক্ষেপ কৰিব লগীয়া হৈছিল। কাৰণ সমাজত শান্তি শৃংখলা চৰকাৰে ৰক্ষা কৰিবই লাগিব। এই ক্ষেত্ৰত ৰাজনৈতিক দল বিলাকৰ পৰা বুজা পৰা ৰাতাৱৰণ লাগে আৰু এই ক্ষেত্ৰত নিৰ্ব্বাচনৰ আকৰ্ষণ হব নালাগে। ইয়াত ৰাজনৈতিক কথাই লাই পাব নালাগে। তাৰ কাৰণে এটা পৰিবেশ আনিবলৈ চেষ্টা কৰাৰ আশা কৰি মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

*শ্ৰীদুলাল চন্দ্ৰ বৰুৱা : অধ্যক্ষ মহোদয়, যিটো বিষয় বস্তু আলোচনা কৰা হৈছে এইটো বৰ গুৰুত্বপূৰ্ণ আৰু সুক্ষ্ম। গতিকে বিধান সভাত এই বিষয়টো আলোচনা

*Speech not corrected

হোৱাৰ সময়ত আমি সদায় সাৱধান হোৱা উচিত যে যিটো আলোচনাৰ যোগেদি যদি আমি আমাৰ সমস্যাটো সমাধান কৰাত জটিলতৰ হয় তেনে আলোচনা ইয়াত নকৰাই ভাল। গতিকে, এই সূক্ষ্ম বিষয়টোৰ সূক্ষ্মতালৈ নগৈ কেইটামান কথা মই আলোচনা কৰিব বিচাৰিছো। এই নিয়মটো লৈ আমাৰ এই বিধান সভাত কেইবাবাৰো আলোচনা কৰা হ'ল আৰু আজিও এই বিষয়টো লৈয়ে আলোচনাত অংশ গ্ৰহণ কৰা হৈছে। যি কেইজন সদস্যই পক্ষই হওক বা বিপক্ষই হওক এই আলোচনাত অংশ গ্ৰহণ কৰিছে সকলোৱেই বিষয়টো সমাধান হব লাগে বুলি ভাবিছে। কিন্তু সমস্যাটো সমাধান কৰাৰ ক্ষেত্ৰত এটা কথা দেখা গৈছে যে এইমাত্ৰ দাস ডাঙৰীয়াই কৈ গৈছে যে কোনো ক্ষেত্ৰত ৰাজনৈতিক দিশৰ পৰা সমাধান কৰিব পৰা নহয়। চৰকাৰৰ যিটো শাসন যন্ত্ৰ এই যন্ত্ৰটোৰ কাৰ্য্যকলাপ দেখি এক শ্ৰেণীৰ লোকে কিছুমান কথা প্ৰচাৰ কৰিবলৈ সুযোগ সুবিধা পাইছে। আমি বস্তুতবাৰ কৈ আহিছো যে বড়ো জনজাতিক বাদ দি অসমীয়া গোষ্ঠি জীয়াই থাকিব নোৱাৰে। অকল বড়ো জনজাতীয়েই নহয় অন্য বিবিলাক জনজাতি আছে সেই বিলাকক বাদ দি অসমীয়া জনজাতি কেতিয়াও জীয়াই থাকিব নোৱাৰে। আজি শতকৰা ৩৩ ভাগ জনজাতিৰ মানুহেই অসমৰ খিলিঞ্জীয়া জনজাতিৰ মানুহ। এই ক্ষেত্ৰত বড়ো জনজাতিৰো সমানেই অধিকাৰ আছে। এনেকুৱা এটা অৱস্থাত আজি অসমীয়া কলা কৃষ্টি আৰু অসমীয়া জাতি হিচাবে জীয়াই থকাটো এটা সন্দেহৰ কথা হৈ পৰিছে। ইয়াৰ কাৰণে ৰাইজক দোষ দি লাভ নাই, দেশপ্ৰেমিক দোষ দি লাভ নাই, ইয়াৰ বাবে আমি সকলো জগৰীয়া। আমাৰ যিসকল সাহিত্যিক আছে তেওঁলোকে সাহিত্যৰ যোগেদি অসমীয়া গোষ্ঠিক আৰু অসম বাসীক এক গোট হিচাবে জীয়াই ৰাখিব পাৰিব লাগিছিল। কিন্তু আজি কিছুমান বছৰৰ পৰা এই কথা লক্ষ কৰি অহা হৈছে যে এই ক্ষেত্ৰত আমাৰ সাহিত্যিক সকল বিফল হৈছে। আজি আমাৰ চৰকাৰৰ কাৰ্য্যকলাপ দেখি মনলৈ এনে এটা ধাৰণা আহিছে যে শৰৎ সিংহৰ পিচত কোনোবা মুখ্যমন্ত্ৰী আহিব কিন্তু তেতিয়ালৈ অসমীয়া জাতি হিচাবে কোনো জীয়াই নাথাকিব। গতিকে আজি এটা কথা বিশেষ ধৰণেৰে লক্ষ কৰিব লাগিব যে এই মানুহখিনি যিখিনি মানুহে ৰোমান লিপিৰ বাবেই হওক বা অন্যান্য ৰাজনৈতিক কাৰণতেই হওক চৰকাৰৰ কাম আৰু নীতিৰ মাজত সামঞ্জস্য নোহোৱাৰ কাৰণে জীয়াতু ভোগিব লগা হৈছে।

আজি আমাৰ মাননীয় সদস্য লাহৰী ডাঙৰীয়াই এটা অতি গুৰুত্বপূৰ্ণ কথা কৈছে, সেইটো হল অসম চৰকাৰৰ ঘোষিত নীতি অনুসৰি আঞ্চলিক পঞ্চায়তৰ ভিত্তিত ৰোমান লিপি অসমীয়া মাধ্যমেৰে শিকিবলৈ ব্যৱস্থা কৰা হল। কিন্তু সেইখিনি লৈ মাধ্যম লোৱাৰ পিচত হায়াৰ চেকেন্দাৰী ষ্টেজত কিবা বন্দবস্ত চৰকাৰে কৰিলে নে

নাই? মিচনাৰী কথা আজি বাদ দিওঁ ভাৰত চৰকাৰৰ নিজৰ শাসনত অধিষ্ঠিত দলৰ মাজতে আজি সৌহাৰ্দ্যৰ নাটনি ঘটিছে। এটা কথা অধ্যক্ষ মহোদয়, মই আজি সুধিব খুজিছো কিহৰ বাবে ভাৰত চৰকাৰে ৰোমান লিপিৰ পৰিবৰ্ত্তে দেৱনাগৰী শিকিব লাগে বুলি কলে? ইয়াৰ দ্বাৰা আজি কেইটামান মুষ্টিমেয় লোকক সকলো সুবিধাৰ পৰা বঞ্চিত কৰিবলৈ বিচৰা হৈছে। আজি আমি নিজকে অসমীয়া মানুহ বুলি পৰিচয় দিবলৈ নোৱাৰো কাৰণ আজি ইন্দিৰা গান্ধীৰ শাসনত, শৰত সিংহৰ ৰাজত্বত আমাৰ মাজত বিভেদ সৃষ্টি কৰিবলৈ বিচাৰিছে। কিয় আজি শৰত সিংহই কি চাৰ্ট দিছে, দুলাল বৰুৱাই কি পেন্ট দিছে এই বিষয়ে দিল্লীৰ পৰা যদি অনুমতি লব লগা হয় তেন্তে এই বিধান সভাত কিহৰ বাবে আমি ৰাইজৰ প্ৰতিনিধিত্ব কৰিবলৈ আহিছো? কিন্তু এইটো কথাও ঠিক যে ৰোমান লিপিৰ সম্পৰ্কত সকলো ফালৰ ৰাজনৈতিক কথা যে জড়িত নাই এই কথা আমি কব নোৱাৰো।

অধ্যক্ষ মহোদয়, এটা কথা আমাৰ কৌৰৱ ডাঙৰীয়াই কৈ গৈছে যে এজন মানুহক মন্ত্ৰী ডাঙৰীয়াই মাতি আনি চাহ খুৱাই দিব আৰু সেইজন মানুহে কোকৰাঝাৰত গৈ আন এটা কথা কবগৈ। আজি কিয় এনে হবলৈ পাইছে? আজি কিয় মুখ্যমন্ত্ৰী মানুহৰ মাজলৈ নাযায়? কিয় নাযায় স্বনামধন্য গৃহ মন্ত্ৰী মানুহৰ মাজলৈ? দুই এটা ভঙা চিগা বস্তু নি মঙ্গলদৈত ৰাখিছে ট্ৰেনিং দিবৰ কাৰণে। এজন এচ, পিক সুধিলো কিহৰ কাৰণে এই ভগা চিগা বস্তুবোৰ ইয়াত ৰখা হৈছে? তেতিয়া কলেযে ট্ৰেনিং দিয়াবৰ কাৰণে ৰখা হৈছে। এইদৰেই একালৰ পৰা আমাৰ মানুহ খিনিক ধ্বংশ নিবলৈ এই ভগা চিগা বস্তুবোৰেৰে ট্ৰেনিং দিয়াৰ ব্যৱস্থা কৰা হৈছে। আমাৰ যুৱক সকলক, ছাত্ৰ সকলক ভাগ ভাগ কৰাত আমাৰ গৃহ মন্ত্ৰী এক্সপাৰ্ট। অম্বৰিস ডাঙৰীয়াই কৈছে যে যিখিনি ট্ৰাইবেল মানুহৰ বিধায়ক হৈ যিসকল সদস্য এই বিধান সভাত আছে তেওঁলোকৰ লগত বহি একেলগে আলোচনা কৰিবৰ কাৰণে মুখ্যমন্ত্ৰী কিয় প্ৰস্তুত নহয়? সৰু সৰু এটা কথাও কিয় দিল্লীৰ দৰবাৰত বহি আলোচনা কৰিব লাগে?

অধ্যক্ষ মহোদয়, এই কথা আজি প্ৰত্যেকে লক্ষ কৰিছে যে চৰকাৰৰ ফালৰ পৰা আজি যিটো ব্যৱস্থা লোৱা হৈছে সেই ব্যৱস্থাৰ দ্বাৰা কোনো সমস্যা সমাধান কৰিব পৰা নহয়। পুলিচৰ অতিশয্য দেখুৱাই এই সমস্যা সমাধান কৰিব পৰা নহয়। যোৱা নবেম্বৰ আৰু ডিচেম্বৰ মাহৰ অগতে পুলিচে যিটো অত্যাচাৰ চলালে সেই কথা আটায়ে লক্ষ কৰিছে। নিজৰ মানুহক নিজৰ মানুহে মাৰিবৰ কাৰণে নিয়োগ কৰা হৈছে। এই ধৰণেৰে আমাৰ শাসন যন্ত্ৰ চলিছে। মৰম স্নেহ আৰু প্ৰীতিৰে আমি আজি এই সমস্যা কিয় সমাধান কৰিব নোৱাৰো?

এই ধৰণৰ শাসন যন্ত্ৰৰ দ্বাৰা একো নহব। এই ধৰণেৰে মানুহক, কেতিয়াও

ওচৰ চপাই আনিব নোৱাৰি। মানুহক ওচৰ চপাই আনিবলৈ হলে মৰম স্নেহৰ যোগেদি আনিব লাগিব আৰু তেওঁলোকে বুজিব লাগিব যে শৰৎ সিংহ মন্ত্ৰী ডাঙৰীয়াৰ আৰু মন্ত্ৰী সভাৰ লগতে বিধান সভাৰ বিধায়ক সকলৰ তেওঁলোকৰ প্ৰতি প্ৰকৃত মৰম-স্নেহ আছে। এইটো নকৰি জোৰ জুলুম কৰি সৰ্ব্বনাশ কৰাৰ পিচত তেওঁলোকক মাতিলে আলোচনা কৰিবলৈ কেনেকৈ হব। আজি দুজন মানুহ মৰাৰ পিচত পৰিস্থিতি জটিল হোৱাৰ পিচত কিবা এটা কৰা দৰকাৰ, বুলি এতিয়া আহা আলোচনা কৰো বুলি কলে কেনেকৈ কথা বতৰা হব পাৰি। তাৰ পিচত দিল্লীৰ দৰবাৰলৈ গৈছে। দুৰ্ব্বল নেতৃত্ব, অস্তিত্বহীন নেতৃত্বৰ কাৰণেই পৰিস্থিতি আৰু জটিল হবলৈ উপক্ৰম কৰিছে যদিহে অৱস্থা অন্য ফালে ঢাল খুৱাবলৈ ব্যৱস্থা কৰিব নোৱাৰি।

অধ্যক্ষ মহোদয়, আপুনি যোৱাকৰো উৰিষ্যাৰ বিধান সভাত কোৱা শুনিছে কোনোবাই কয় চি-আই-এ কৰিছে কোনোবাই কয় আন অৰ্গেনাইজেচনে কৰিছে, ৰাচিয়াই কৰিছে এইবিলাক কোৱাৰ কাৰণে উৰিষ্যা বিধান সভাত উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হৈছিল। এই চি আই-এ, ৰাচিয়া ইত্যাদি বাদ দি আমাৰ ফালৰ পৰা একো কৰিব নোৱাৰি নেকি? সেই কাৰণে মই পৰামৰ্শ আগবঢ়াব খুজিছো যে আমাৰ সদনত যি সকল ট্ৰাইবেল জনজাতীয় বিধায়ক আছে তেখেতসকলৰ লগত আৰু কেইজনমান বিধান সভাৰ সদস্য অন্ততঃ দুজনমান বিধান সভাৰ সদস্য জনজাতীয় লোক সকলৰ নেতা সকলৰ লগত লগ কৰি প্ৰত্যেক ঠাইলৈ গৈ ৰাজহুৱা মিটিং আদি পাতি আৰু গাইগুটিয়া হিচাবেও যি সকল মানুহ জনজাতীয় ভাই সকলে এনে ধৰণৰ দাবী আদি কৰিছে তেওঁলোকৰ লগত চিধাচিধি ভাৱে কথা বতৰা পাতি কথাটো সিদ্ধান্ত কৰাৰ ক্ষেত্ৰত আগবঢ়া ভাল। আৰু যিখিনি প্ৰকৃততে বড়ো, ভাষাৰ মাধ্যম হিচাবে কি হব লাগে, লিপি কি হব লাগে এই বিষয়ত একো নাজানে তেনেকুৱাও বহুত বড়ো ভাই আছে তেওঁলোকক অন্যান্য ধৰণেৰে বুজাই মেলি আওপকীয়াভাৱে অন্য পথেৰে পৰিচালিত কৰিবলৈ কোনোবাই বিচৰাতো একো আচৰিত হবলগীয়া কথা নহয়। এইটো লাঠিৰ যোগেদি নকৰি মৰম স্নেহৰ মাজেদি হে ওচৰ চাপি যোৱাত সহায় হব আৰু তাৰেহে ব্যৱস্থা কৰিব লাগে। তাকে যদি নকৰি অস্ত্ৰ কিবা বিচাৰে তেন্তে চৰকাৰৰ ফালৰ পৰা মন্ত্ৰ উলিয়াওক। আমাৰ ফালৰ পৰা কৈছো যদি এই ধৰণেৰে পুলিচ মিলিটাৰী লগাই মাৰপিত কৰি থকা হয়, যিসকল আমাৰ ভাই ককাই, ভনী সেই সকলৰ লগত আমাৰ তেজৰ সম্বন্ধ আছে। সেই সকলৰ ওপৰত যদি এইভাৱে অত্যাচাৰ কৰি থকা হয় সেইটো আমি হবলৈ নিদিওঁ। যদি চৰকাৰে এই ক্ষেত্ৰত ভাল ধৰণে ব্যৱস্থা নলয় তেনেহলে শাসক গোষ্ঠীৰ বিৰুদ্ধে সংগ্ৰাম কৰিবলৈ আমাৰ তেজৰ সম্বন্ধ থকা ভাই ককাই, ভনীইতৰ ওপৰত কৰা অত্যাচাৰৰ

বিপক্ষে সংগ্ৰাম কৰিবলৈ আমি কুণ্ঠাবোধ নকৰিম। দ্বিতীয় কথা আমাৰ বোধকৰো অহা এপ্ৰিলৰ দহ তাৰিখে সদৌ অসম জনজাতীয় পৰিষদৰ মিটিং বহিব গহপুৰত। সকলো প্ৰতিনিধিয়ে তাত উপস্থিত থাকিব সেই কাৰণে যি সকল লোক তাত উপস্থিত থাকিব যি সকল জনজাতীয় প্ৰতিনিধি তাত থাকিব তেখেত সকললৈ অনুৰোধ আৰু যাতে আমাৰ ফালৰ পৰা এই কথাৰ বাহিৰ ভিতৰ সকলো খৰচি মাৰি আলোচনা কৰি এটা প্ৰস্তাৱ আগবঢ়োৱা হয়। এটা সূত্ৰ তেখেতসকলৰ ফালৰ পৰাই দিয়ক যিটোয়ে সমস্যা সমাধান কৰিব পাৰে। যদি পলম হয় তেন্তে অৱস্থা আৰু বেয়ালৈ ঢাল খাব পাৰে। এই দাবীৰ পৰা আৰু আন আন দাবী আহিব আৰু শেষত গৈ পৃথকীকৰণৰ দাবীও আহিব পাৰে। যিটোৰ যোগেদি অসমৰ স্বাৰ্থ কেতিয়াও ৰক্ষা নপৰিব।

অধ্যক্ষ মহোদয়, মই এই কথা আগতেও কৈছো যে অসমীয়া জাতীয়ে বড়ো ভাষা ভাষী সকলক বাদ দি অসমীয়া বুলি চিনাকী দিব নোৱাৰে, মিৰি মিচিমি সকলক বাদ দি অসমীয়া বুলি চিনাকী দিব নোৱাৰে, তেওঁলোকৰ কলা কৃষ্টি সংস্কৃতিক বাদ দি অসমীয়া বুলি চিনাকী দিব নোৱাৰে। অসমীয়া ভাষা সাহিত্যই অসমীয়া ভাষা সাহিত্য বুলি চিনাকী দিব নোৱাৰে। গতিকে আজি আপোনাৰ যোগেদি সেই সকলকৈ যি সকলে ৰোমান লিপিৰ বাবে প্ৰস্তাব আৰু দাবী আদি কৰিছে তেখেত সকললৈ অনুৰোধ জনাইছো আৰু কওঁ যে তেখেতসকলো আমাৰ অসমীয়া খিলঞ্জীয়া মানুহৰ ভিতৰতে এচাম। এই ক্ষেত্ৰত তেখেতসকলেই অসমীয়া ভাষা সাহিত্যৰ প্ৰতি নেতৃত্ব দিব লাগিব আৰু চৰকাৰৰ ফালৰ পৰা বিশেষ সহৃদয়তাৰে কাম কৰাৰ কাৰণে আগুৱাই আহিবলৈ অনুৰোধ কৰিলো আৰু দমন নীতি যিমান সোনকালে পাৰে পৰিত্যাগ কৰিবলৈ অনুৰোধ জনাই মোৰ বক্তৃতাৰ সামৰণি মাৰিলো।

★শ্ৰীবাহাদুৰ বসুমতাৰী :—মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্যা শ্ৰীমতী ৰেণুকা দেৱী বৰকটকী ডাঙৰীয়া, পিটসিং কোঁৱৰ ডাঙৰীয়া, আৰু দুলাল বৰুৱা ডাঙৰীয়াই যি ভাষণৰ যোগেদি বড়ো ভাষাৰ অক্ষৰ সম্পৰ্কত আলোচনা উত্থাপন কৰিছে সেই সংক্ৰান্তত কেইটামান কথা কব খুজিছো। মই ভাবো আমাৰ আন্দোলন বা দাবীৰ যিটো ষ্টেজ হৈ উঠিছিল বৰ্ত্তমান সেই ষ্টেজ শেষ হৈছে। এই অক্ষৰ সম্পৰ্কত এই সদনতে বহুত কথা বহু সময়ত আহিছিল। প্ৰশ্নৰ যোগেদি, মোচনৰ যোগেদি, কলিং এটেনচনৰ যোগেদি বা বাতৰি কাকতত বহুত কথা আলোচনা বিলোচনা হৈ গৈছে। আজিও ঠিক তেনেকুৱাই এটা আলোচনা আহিছে। আজি সচাকৈ ভাল লাগিছে। এই সংক্ৰান্তত বিৰোধী পক্ষৰ পৰা আলোচনাৰ কাৰণে যি মনোবৃত্তি লৈ এই কথাটো

*Speech not corrected

আলোচনাৰ কাৰণে উত্থাপন কৰিছে তালৈ চাই ই বৰ ভাল কথা হৈছে। মাননীয় সদস্য শ্ৰীচৰণ নাৰ্জাৰী আজি নাই। সেই কাৰণে বোধকৰো বিৰোধী পক্ষই বিৰোধ কৰা নাই। যদি ঠিক তেনেকৈয়ে গঠনমূলক মনোভাৱ লৈ আন্দোলনৰ প্ৰথম পৰ্য্যায়তে চৰকাৰৰ লগত সহযোগ কৰাৰ কথা চিন্তা কৰিলেহেতেন অথবা পৰামৰ্শ আদি আগবঢ়ালেহেতেন বা যদি পৰামৰ্শ দিয়াৰো সুযোগ ঘটিলহেতেন তেনেহলে আজি আন্দোলন বা দাবী আদিৰ অৱস্থা ইমানখিনি নাপালেহেতেন। যেনেকৈয়ে নহওক বড়ো ভাই সকলক যদি উত্তেজিত কৰা হয় তেওঁলোক সহজ সৰল লোক।

শ্ৰীমতী ৰেণুকা দেৱী বৰকটকী:—বড়ো ভাই সকলক উত্তেজিত কৰা বুলি কলে সেইটো প্ৰমাণ আছে নেকি?

শ্ৰীবাহাদুৰ বসুমতাৰী:—বড়ো ভাইসকল শিক্ষা-দীক্ষাত পিচপৰা। সামাজিক, আৰ্থিক আৰু সাংস্কৃতিক আদি ফালৰ পৰাও পিচপৰা। সেই কাৰণে সহজ সৰল লোকসকলক অলপ মান আ.ন উচটাই দিলেই হয়।

শ্ৰীসোনেশ্বৰ বৰা:—ঝাণ্ডা লৈছিল আৰু স্মাৰক পত্ৰও দাখিল কৰিছিল মন্ত্ৰীও লগত আছিল বড়ো সাহিত্য সভাৰ কাৰণে।

শ্ৰীবাহাদুৰ বসুমতাৰী:—কিন্তু ৰোমান স্ক্ৰিপ্ত লগা বড়ো সকলৰ মাজত কিমান আছে আৰু ৰোমান অক্ষৰ নলগা কিমান আছে সেইটো সচাকৈয়ে চাবলগীয়া বিষয়।

সকলো বিলাক বিষয়েই আজি ভালকৈ চাবলগীয়া হৈছে। ৰোমান স্ক্ৰিপ্টৰ দাবীটো সচাকৈয়ে যদি অন্তৰৰ পৰাই আহিলেহেতেন তেতিয়াহলে, ইমান সোনকালে এইটোৰ অপমৃত্যু নঘটিলহেতেন। বড়ো সকলৰ নিজৰ ভিতৰতে মতৰ তাৰতম্য আছে। মাননীয় সদস্য শ্ৰীঅৰবিন্দ লাহৰীয়ে যিটো কথা কৈছে সেই সম্পৰ্কত মই কওঁ যে, সিদিনাৰ সেই মিটিঙত আমাৰ মাননীয় চি, এ, দি বিভাগৰ মন্ত্ৰী ডাঙৰীয়াকো মাতিছিল আৰু মোকো তাত উপস্থিত থাকিবৰ কাৰণে কৈছিল কিন্তু মই আমাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ লগত আলোচনাত ব্যস্ত থাকিবলগীয়া হোৱাৰ কাৰণে সময় মতে উপস্থিত থাকিব নোৱাৰিলো যদিও মই আহোতেই বাটতে এই আলোচনা কৰিবলৈ অহা লোকসকলক পাই মোৰ অভিমতটো তেখেত সকলক জানিবলৈ দিছিলো যে, কোনো কাৰণতে এইটো কেতিয়াও সমৰ্থন যোগ্য দাবী হব নোৱাৰে। কোনো ভাষাত বুৎপত্তি থকা লোক নাই। সেই কাৰণেই কোনো ঐক্যমতো উপনীত নোহোৱাকৈয়ে এই দাবীটো অনাৰ কাৰণেই আজি এই ৰোমান স্ক্ৰিপ্টৰ দাবীটো মৰিমুৰ হোৱাৰ উপক্ৰম হৈছে। যিবিলাক নিৰক্ষৰ মানুহ জোৰ জবৰদস্তি কৰি এই

আন্দোলনত নমাইছে সেইবিলাক মানুহলৈকো মই সাৱধান কৰি দিয়াইছো। বাস্তৱ পৰিস্থিতিৰ পৰা যিটো গম পাইছো শতকৰা ৯০ ভাগ মানুহৰে এইটোৰ প্ৰতি কোনো বিশেষ ধৰণৰ সহাৰি নাই। উদাহৰণ স্বৰূপে বড়ো সাহিত্য সভাৰ যি সকল সদস্য সেই সকল 'একস্বন কমিটি'ৰো সদস্য। আমি জনাত প্ৰথম অৱস্থাত মাধ্যমত কোনো স্ক্ৰিপ্টৰ প্ৰশ্নই নাছিল। প্ৰাইমেৰী পৰ্য্যায়ত মাতৃ ভাষাত পঢ়িবলৈ দিব লাগে। বড়ো ভাষাত গৈ পিছত অসমীয়া ভাষা শিকিবলৈ বয়স পাৰ্ হৈয়েই যায়। মুঠৰ ওপৰত এইবিলাক সন্দৰ্ভত কোনো 'ইউনেনিমাছ' সিদ্ধান্ত লোৱা হোৱা নাই। বহুত তৰ্ক বিতৰ্কৰ পিছতহে ৰোমান স্ক্ৰিপ্টৰ সিদ্ধান্ত গ্ৰহণ কৰিছিল। আনকি এই ক্ষেত্ৰত হোৱা মিটিং বিলাকতো তাৰ প্ৰেচিডেন্ট জনে চাৰি বছৰ ৰোমান স্ক্ৰীপ্টতে নিজৰ অভিভাষণ খন লিখি আনিছিল। মাননীয় সদস্য শ্ৰীচুলাল চন্দ্ৰ বৰুৱা ডাঙৰীয়াই কোৱাৰ দৰে ৰাজনৈতিক চক্ৰান্ত আৰু বিভেদকামী শক্তিৰ অদৃশ্য হাত ইয়াত নিহিত হৈ আছে। যিহেতু ভাষা এটা 'চেন্টিমেন্টেল' কথা বড়ো জাতিৰ সহজ সৰল স্বভাৱক অস্ত্ৰ হিচাবে লৈ কিছুমান বিভেদকামী শক্তিয়ে নিজৰ ৰাজনৈতিক স্বাৰ্থ সফল কৰি তুলিবৰ কাৰণেই এইবিলাক চক্ৰান্ত কৰিছে। নিৰক্ষৰ মানুহখিনিয়েই এই বিলাকত সোমোৱাৰ কাৰণে জোৰ জবৰদস্তি কৰিছে তেওঁলোকৰ নিৰক্ষৰতাৰ সুযোগ লৈ। জনজাতিৰ নটা শ্ৰেণীৰ ভিতৰত বড়োসকলেই ৰোমান স্ক্ৰীপ্টৰ দাবীৰ যোগেদি উদয়াচলৰ দাবী তুলিছিল। কামৰূপ, দৰং আৰু কোকৰাঝাৰতেই বড়ো ভাষী মানুহৰ সংখ্যা বেছি। পি, টি, চিৰ সংখ্যাও বড়োৰ ভিতৰতে বেছি। জোৰ জবৰদস্তিৰ মাজেদিহে এই একো নুবুজা সহজ সৰল মানুহ বিলাকক এই বিলাকত সোমোৱাইছে। প্ৰয়োজন হলে, 'চিক্ৰেট মিটিং' বিলাকত ভীতি প্ৰদৰ্শন কৰি হলেও মানুহ অনাৰ সিদ্ধান্ত কৰে। কিন্তু এতিয়া কিছুমান শিক্ষকে তীক্ত অভিজ্ঞতা লাভ কৰি মোৰ ওচৰলৈ আহি তেওঁলোকে যে মোৰ কথা শুনি ভুল কৰিলে সেইটো স্বীকাৰ কৰিছে।

আজি এবছৰ ধৰি বড়ো সমাজৰ যি ভয়ঙ্কৰ ক্ষতি হৈছে, সি বৰ্ণনা অতীত। বহুতো গাৱলীয়া মানুহে আনকি স্কুলৰ শিক্ষক সকলে স্বীকাৰ কৰিছে তেওঁলোকে মোৰ তালৈ গৈ এনেকি কয় যে আগতে আপোনাৰ বুদ্ধি নোশুনা কাৰণে এই পৰিণাম আনকি গোটেই অসমৰ আৰ্থিক, সামাজিক, মানসিক ক্ষতি হৈছে সেইটো বৰ দুখ লগা কথা। বড়ো অঞ্চল বিলাকত দিন দুপৰতে বহুতো দলং পুৰি যাতায়তৰ অসুবিধা কৰিছে সেই বিলাক মাননীয় সদস্য চুলাল বৰুৱাইও কৈ গৈছে। সিদিনা মই মঙ্গলদৈ লৈ যাওঁতেও মই দেখিলো হৰিচিঙা দলংখনো পুৰিছে আৰু নানা ঠাইত দলং বিলাকৰ বহুত অনিষ্ট কৰিছে। বহু ঠাইত চি, পি, আই আৰু পুলিচৰ লগত যুদ্ধ কৰিছে। আৰু তাৰ পৰিণতি হিচাবে বহু ঠাইতে ফায়াৰিং হৈছে আৰু বহুতো মানুহে দুখ পাইছে। কিন্তু যিবিলাক মানুহে ঘটনাটো কৰিছে সেই বিলাক পলাল।

হাজাৰ হাজাৰ বড়ো লৰাই স্কুল এৰিছে ইপিনে মাক-বাপেককো সহায় নকৰে আৰু তেনেকৈ আন্দোলন কৰি ফুৰিছে, এই ছাত্ৰ ছাত্ৰী সকলৰ ভৱিষ্যত দেখিলে দুখ লাগে। গতিকে ভৱিষ্যতে এই জনজাতীয় ছাত্ৰ ছাত্ৰী সকল সকলো অসমীয়া জাতিৰ গলগ্ৰহ স্বৰূপ হব। এই কথালৈ লক্ষ কৰি এই সহজ সৰল জনজাতীয় লোক আৰু ছাত্ৰ ছাত্ৰী সকলক কেনেকৈনো সৎ পথত আনিব পাৰি আন্দোলনৰ পৰা বিৰত কৰিব পাৰি তাৰ চেষ্টা আমি সকলোৱে কৰা উচিত। এই বিষয়টো ৰাজনৈতিক ভাবে নলৈ এই ভেদাভেদ বিলাক যদি সময় মতে আতৰাব নোৱাৰি তেন্তে ভৱিষ্যতে এই বিলাক এটা গলগ্ৰহ হব। গতিকে মোৰ সকলোৰে প্ৰতি সানুনয় অনুৰোধ যাতে বুজাই বঢ়াই এওঁলোকক কু পথৰ পৰা আতৰোৱাৰ চেষ্টা কৰিব পাৰে। আগৰেপৰা স্কীপ্তৰ কথা মই মনা নাই। গাৰলীয়া ৰাইজে স্কীপ্তৰ বিষয়ে একো নাজানে কেৱল তেওঁলোকে মাৰৰ ভয়ত জীৱনৰ আকাঙ্খাত এইটো মানিব লগীয়া হৈছে। তেওঁলোকৰ মাজত এনেদৰে প্ৰচাৰ কৰা হৈছে যে, আজি কেইজনমান মানুহৰ বিনিময়ে বাংলাদেশে স্বাধীনতা পালে আমাৰ যদি কেইজনমান মানুহ মৰিও যায়, আমি আমাৰ লক্ষ্যত উপনীত হব পাৰিম। আমাৰ দাবী ইন্দিৰা গান্ধীয়ে মানি লৈছে। অকল অসম চৰকাৰে হে মানি লোৱা নাই। তেনেভাৱে প্ৰচাৰ কৰি গাৱৰ মানুহ বিলাকক ভয় দেখুৱাইছে বিপথগামী কৰিছে, কিন্তু গাৱৰ শতকৰা ৯০ ভাগেই এই কথাত বিশ্বাস কৰা নাই। তেওঁলোকক জোৰ কৰি অসমীয়াৰ পৰা আতৰাই লৈ গৈছে। আৰু ইয়াৰ কাৰণে সেই মানুহ বিলাকেই দায়ী হব লাগিব। এই খিনিকেই কৈ মই আন্দোলনৰ বিৰোধীতা কৰি মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

*শ্ৰীশৰত চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্যা শ্ৰীমতী ৰেণুকাদেৱী বৰকটকী ডাঙৰীয়ানীয়ে এই প্ৰশ্নটি উত্থাপন কৰি সজ কাম কৰিছে। এনেকুৱা এটা আবেগিক আৰু সাংস্কৃতিক বিষয়ে বিধান সভাত আলোচনা হোৱাৰ প্ৰয়োজন নিশ্চয় আছিল। আজি বিশদ ভাৱে আলোচনা কৰিবৰ কাৰণে এটা সুযোগ দিয়া হৈছে। কিন্তু এই আলোচনাত যিখিনি উত্থাপন কৰা হৈছে তাৰ উত্তৰ দিয়াৰ আগতে মই তিনিটা বিষয়ে কব খুজিছো। পিচত হয়তো মই পাহৰিও যাব পাৰো। মই কোনোদিনেই 'কমতাপুৰ' আন্দোলনত জড়িত নাছিলো। সেই সময়ত মই সদস্যা গৰাকীৰ সৈতে সহকৰ্মী আছিলো।

শ্ৰীমতী ৰেণুকাদেৱী বৰকটকী : মোৰ সহকৰ্মী হোৱা কাৰণেই শ্ৰীসিংহই যে কমতাপুৰ আন্দোলনত সক্ৰিয় অংশ লোৱা কথাটো স্পষ্টভাৱে জানো।

*শ্ৰীশৰত চন্দ্ৰ সিংহ : কিন্তু মই এই আন্দোলনত জড়িত নাছিলো। দ্বিতীয় কথা হল, পিটিচিৰ সভাপতিৰ গাড়ীত ঘুৰা কথাটো ভিত্তিহীন। তেওঁলোকে কোনো ধৰণৰ কথা প্ৰকাশ কৰা নাই। মই ইয়াৰ প্ৰতিবাদ কৰো।

*Speech not corrected

তৃতীয়তে কেন্দ্ৰীয় চৰকাৰে হিন্দী লিপি গ্ৰহণ কৰিব লাগে বুলি কোৱা নাই। কেন্দ্ৰীয় চৰকাৰে যি আলোচনা কৰিছে তাত আছে যে বড়ো ভাষা যিকোনো আঞ্চলিক ভাষা লিপিতেই লেখিব পাৰি। অসমৰ অসমীয়া লিপিটো লেখিব পাৰি। এনেধৰণৰ মন্তব্য কেন্দ্ৰীয় আঞ্চলিক ভাষা কমিচনেও দিছে। তাৰ মুৰব্বী শ্ৰীপট্টনায়কে অসমলৈ আহোঁতে এনে ধৰণৰ মন্তব্যই দিছিল যে বড়ো ভাষা যি কোনো ভাৰতীয় লিপিতে প্ৰকাশ কৰিব পাৰে। অসমীয়া ভাষাতো পাৰে।

তেখেতে এটা উদাহৰণৰ সম্পৰ্কত কৈছিল যে এইটো ৰোমান লিপিত লিখিব পাৰি অন্য ভাষাত লিখিব নোৱাৰি এই তৰ্ক বিতৰ্কৰ সমাধানত তেখেতে কৈছিল যে এইটো এনেকুৱা নহয় যে কেৱল এটা ভাষাতহে লিখিব পাৰি অন্য ভাষাত লিখিব নোৱাৰি। যি কোনো ভাষাৰ লিপিতেই লিখিব পাৰি। এই সম্পৰ্কীয় যিটো বিবাদ চলি আছে সেইটো আবেগিক আৰু ৰাজনৈতিক। এইটো কথা এই দিশৰ পৰা বিবেচনা কৰি চাব লাগিব। যি সকল ভাষাবিদ পণ্ডিত আছে তেখেত সকলে স্পষ্টভাৱে মত দিছে যে বড়ো ভাষা অসমীয়া লিপিত লিখাৰ কোনো অসুবিধা নাই। ৰোমান লিপি হলেই যে বেছি সুবিধা হব সেইটো নহয়। আৰু ইয়াত কেন্দ্ৰীয় চৰকাৰে হিন্দী চলাব খোজা কথাটোও ভিত্তিহীন। মই এতিয়া মাননীয় সদস্য সকলে যি বিলাক প্ৰশ্ন উত্থাপন কৰিছে সেই বিলাকৰ উত্তৰ দিম।

মাননীয় সদস্য শ্ৰীমতী বেণুকাদেৱী বৰকটকীয়ে কেইবাটাও প্ৰশ্ন উত্থাপন কৰিছে। তেখেতে কৈছে যে এইবিলাক কথা হয়নে নহয়, এই বিলাক কথা চৰকাৰে জানে নাজানে এই বিলাক কব লাগে। এই সমস্যাটো আমি পাৰস্পৰিকভাৱে আলোচনা কৰিয়েই সমাধান কৰিব লাগিব। এই কথাটোৰ লগত মই এক মত। এই কথাটো আলোচনা হব লাগে আৰু মীমাংসা হব লাগে। তেখেতে প্ৰশ্ন কেইবাটাও উত্থাপন কৰিছে। বিশেষকৈ খৃষ্টান মিচনাৰী বিলাকৰ কাৰ্য্যকলাপ সম্পৰ্কত যি বিলাক কথা কৈছে সেই বিলাক নতুন কথা নহয়। এই বিলাক কথা বাতৰি কাকতত ওলাইছে, চৰকাৰে জানে আৰু প্ৰায় সকলোৰেই এই বিলাক কথা জানে। চৰকাৰে এইবিলাক কথা নজনা নহয়। কিন্তু এই আন্দোলনটো কোনে কেতিয়া কেনেকৈ উৎসাহিত কৰিছে সেই বিলাক কথা পৰ্য্যালোচনা হৈ আছে আৰু আটাই বিলাক কথা চৰকাৰে বিশেষ ভাৱে অধ্যয়ন কৰি আছে। অধ্যক্ষ মহোদয়, মই সিদিনা কৈছিলো যে আমাৰ ৰাজ্যত সময়ে সময়ে নানান ধৰণৰ আন্দোলন হয় আমাৰ ইয়াত কিয় ইমানকৈ আন্দোলন হয়? আমাৰ ৰাজ্যখন সীমা মূৰীয়া ৰাজ্য আৰু এটা আন্তঃৰাজ্যিক পৰিস্থিতিত এই ৰাজ্যত নানা দিশত বিশেষভাৱে বিবেচনা কৰিবলগীয়া হৈছে। ইংৰাজীত কোৱা হয় 'ষ্টেটিজিক ষ্টেট'। ইয়াৰ চাৰিওফালে বিদেশী ৰাষ্ট্ৰ আগুৰা। আমাৰ দেশৰ লগত

এই ভুমি খণ্ডত সংশ্লিষ্ট হোৱা এই ৰাজ্যখনৰ আন্তঃৰাজ্যিকেই হওক বা অন্যান্যয়েই হওক যি বিলাক শক্তিয়ে ইয়াত বিভেদ সৃষ্টি কৰিব খুজিছে সেই বিলাকে ইয়াত কাম কৰিবৰ কাৰণে এটা প্ৰশস্ত ক্ষেত্ৰ পাইছে এইটো অস্বীকাৰ কৰিবৰ উপায় নাই। যি বিলাক লোকে অগ্ৰগতি নিবিচাৰে, যি বিলাকে আগবাঢ়ি যোৱা কামত বাধা দিব খোজে যি বিলাকে প্ৰগতিমূলক সফলতা নিবিচাৰে, সেই বিলাক শক্তিয়ে অগ্ৰগতিমূলক কামত খেলিমেলি লগাবৰ কাৰণে নানা ভাৱে চক্ৰান্ত বিব্ৰত কৰে এই বিলাক কথা মই আগতেও কৈছো আৰু এতিয়াও কও। এই কথাৰ পৰিপ্ৰেক্ষিতত অকল যে ৰোমান লিপিৰ আন্দোলনহে জড়িত হৈ পৰিছে মই এই ধৰণেৰে কব খোজা নাই। আমাৰ ইয়াত কিবা এটা আন্দোলন হলে যি সকলে আন্দোলন কৰে সেই সকলে আন্দোলনকাৰীয়ে গমেই নাপায় যি বিলাক শক্তি অপশক্তিয়ে ইয়াত কাম কৰি আছে সমাজত বিভেদ সৃষ্টি কৰিব খুজিছে দেশৰ উন্নয়নৰ প্ৰবাহত বাধা দিব খুজিছে অসমৰ উন্নয়নমূলক কামত, প্ৰগতিমূলক কামত বাধা দিব খুজিছে সেইবিলাকেই ইয়াত যোগ দিয়ে। বহুতো সময়ত আন্দোলনকাৰীয়ে গমেই নাপায় যে ইয়াত অপশক্তি যোগ দিছে। যেতিয়াই আন্দোলন কৰে আন্দোলনকাৰীৰ উদ্দেশ্য যে সৎ সেই কথা স্বীকাৰ কৰিব লাগিব কিন্তু তাত যে অপশক্তি সোমাই কাম কৰি বিপথগামী কৰিবলৈ চেষ্টা কৰে সেইটো আন্দোলনকাৰীয়ে নাজানে। মই এটা সাধাৰণ উদাহৰণ দি কব খুজিছো যে কিবা এটা কাৰণত এটা সমদল উলিওৱা হল। সেই সকল সমদলকাৰীয়ে কিবা বিশৃংখল হওক বা লোট পাত হওক সেই কথা কেতিয়াও নাভাবে কিন্তু তাৰ ভিতৰতে অপশক্তি সোমাই লোট পাত কৰি সমদলকাৰীৰ মূল উদ্দেশ্যৰ পৰা আতৰাই লৈ যায়। এই ধৰণৰ কেতিয়াবা কেতিয়াবা অঘটন ঘটে। আন্দোলন কৰিলেই আন্দোলন বিপথগামী কৰিবলৈ চেষ্টা কৰে এইটো অস্বীকাৰ কৰিব নোৱাৰি। এই আন্দোলনৰ সম্পৰ্কত মাননীয় সদস্য সকলে যিমান থিনি মত প্ৰকাশ কৰিছে আৰু সেইটো যে আলোচনা বিলোচনাৰ দ্বাৰা এটা সমাধানলৈ আহিব লাগে সেই কথাত মযো একমত। আমাৰ জনজাতীয় লোক সকলে ইয়াত যুগ যুগ ধৰি একেলগে বসবাস কৰি আহিছে। যি বিলাক লোকৰ লগত আমাৰ ভাষা, কৃষ্টিৰ, সংস্কৃতিৰ কথালৈ বিবাদ আছে সেই বিলাক আমি আলোচনাৰ দ্বাৰা সমাধান কৰিব লাগিব। সেই কাৰণেই যতেই এটা সমস্যাৰ উদ্ভৱ হৈছে তেতিয়াই আমি আলোচনাক সূত্ৰ হিচাবে গ্ৰহণ কৰিছো। আৰু বিভিন্ন পৰ্য্যায়ত এই কথা আলোচনা কৰা হৈছে আৰু এতিয়াও আলোচনা চলাই আছো। এই আলোচনা কৰিবলৈ যাওতে এটা কথা মন কৰিব লাগিব যে আমাৰ ৰাজ্যৰ যি সমস্যা সেইটো ৰাজ্যতে সমাধান কৰিব লাগিব। কাৰণ সেই সমস্যাৰ ক্ৰিয়া প্ৰতিক্ৰিয়া অন্য ৰাজ্যত দেখা দিব পাৰে। সেই কাৰণে এই আলোচনা কি ধৰণেৰে সমাধান কৰিব পৰা যায় সেইটো জাতীয় পৰ্য্যায়ত আলোচনা কৰিলে বেয়া হব বুলি মই নাভাবো। ৰোমান লিপিৰ কথাটো ত্ৰিপুৰাত দেখা

দিছে। আমি কিবা এটা সিদ্ধান্ত গ্ৰহণ কৰোঁ তাৰ ফল বেয়াই হওক বা ভালেই হওক তাৰ প্ৰভাৱ অন্যটো প্ৰতিফলিত হব। সেই কাৰণে এইটো জাতীয় পৰ্য্যায়ত আলোচনা কৰাটো উচিত হব। আৰু সাহিত্য সভাৰ প্ৰতিনিধি সকলেও এইটো কথাত গুৰুত্ব উপলব্ধি কৰিছে আৰু এইটো কথা তেখেত সকলে জাতীয় পৰ্য্যায়ত আলোচনা কৰিছে।

অধ্যক্ষ মহোদয়, আলোচনা কৰাতো ভাল হৈছে। এই কাৰণেই ভাল হৈছে যে, মাননীয় সদস্য গৰাকীয়ে উত্থাপন কৰিছে যে, এই ৰোমান লিপি ভাৰত চৰকাৰে দিয়াত আপত্তি নাই, আপত্তি কৰিছে অসম চৰকাৰে। এতিয়া এই অভিযোগ খণ্ডন কৰে কোনে? তেওঁলোকে কয়, ভাৰত চৰকাৰে দিছে, অসম চৰকাৰে গোলমাল কৰি আছে। সেই ক্ষেত্ৰত যদি বড়ো সাহিত্য সভাৰ প্ৰতিনিধি সকলে ভাৰত চৰকাৰৰ লগত আলোচনা কৰে আৰু সেই আলোচনাত যদি তেখেতসকল প্ৰতীয়মান হয়, কথাটো ভাল হব। আমাৰ পৰ্য্যায়ত আমি আলোচনা কৰিছো আৰু অন্য পৰ্য্যায়তো আলোচনা কৰিবলৈ বাট মুকলি কৰি ৰাখিছো। মাননীয় সদস্যই ঠিকেই কৈছে যে, আমাৰ এই বিধান সভাত যিসকল জনজাতীয় মাননীয় সদস্য আছে, তেখেতসকলৰ লগত আলোচনা কৰক। অকল জনজাতিৰেই কিয়, বিৰোধী দলৰ সদস্য সকলৰ লগতো আলোচনা কৰি আৰু বৃহত্তৰ খাতিৰত তেখেত সকলৰ লগত এটা বুজা পৰা কৰা প্ৰয়োজন। মহোদয়, আমাৰ আলোচনা যিমান বহল হয়, যিমান প্ৰশস্ত হয়, সিমানেই কথাটো ভাল হব। আৰু সমাধানো সিমান সহজ সাধ্য হব। তাৰ কাৰণে যত্ন আৰু চেষ্টা কৰি আছো। আমাৰ বিধান সভাৰ মাননীয় সদস্য সকলৰ লগত কেতিয়াবা কেতিয়াবা ব্যক্তিগত ভাবে, কেতিয়াবা কেতিয়াবা সমষ্টিগত ভাবে আলোচনা কৰি আছো। আৰু আলোচনাৰ ভিতৰত এটা পৰস্পৰৰ বুজা পৰাৰ ভিতৰত আমি ভালেখিনি আগবাঢ়িব পাৰিম। মহোদয়, যদিও আমাৰ আলোচনা শেষ হোৱা নাই, চলিয়েই আছে আলোচনা আমি যিমান বহল ভাবে কৰো আমাৰ কাৰণে সিমানেই ভাল হয়। মই আশা কৰো যে, এনে এটা সমস্যাত যি সমস্যা আবেগিক, মানুহ সহজতে উত্তেজিত হয়, যিটো কথাই মানুহৰ হৃদয় স্পৰ্শ কৰে সেই কথা তপ কৰি সিদ্ধান্ত কৰা উচিত নহব। যত জনসাধাৰণৰ মনৰ আবেগ, জনসাধাৰণৰ ভাব আদান প্ৰদান সংশ্লিষ্ট হৈ আছে সেই কথা বহুল ভাবে আলোচনা কৰা ভাল হব। আৰু সেইটো দিশৰ পৰা চৰকাৰে যথেষ্ট চেষ্টা কৰি আছে। আৰু সেই চেষ্টা ফলবতী হব বুলি মই আশা কৰো। মাননীয় সদস্য শ্ৰীদুলাল বৰুৱা ডাঙৰীয়াই পুলিচৰ অতিশৰ্য্যৰ কথা কৈছে। এই কথা আগতেও আলোচনা হৈছে। পুলিচৰ অতিশৰ্য্য আমি নিবিচাৰো। পুলিচক অত্যাচাৰ কৰিবৰ কাৰণে ৰখা হোৱা নাই, পুলিচ শান্তি ৰক্ষাৰ বাবেহে ৰখা

হৈছে। আমাৰ দেশত সামাজিক শান্তি ৰক্ষাৰ কাৰণেই পুলিচ ৰখা হয়। সেই পুলিচে যদি অত্যাচাৰ কৰে সেইটো ভাল কথা নহয়। বেয়া কথা। কিন্তু কেতিয়াবা কেতিয়াবা অৱস্থা এনে হয় যে সেই অৱস্থাত পুলিচে শান্তি ৰক্ষা কৰিবৰ কাৰণে কিছুমান ব্যৱস্থা গ্ৰহণ কৰিব লাগে। সেই ব্যৱস্থা বিলাক যদি আপাত দৃষ্টিৰে দেখা যায় যে, পুলিচৰ অতিশৰ্য্য হৈছে, তেতিয়া গোটেই পৰিণতি গুলাই পৰে আৰু সমানভাবে সমাজত শান্তি প্ৰতিস্থা কৰে। সেইবাবে শান্তি ৰক্ষাৰ বাবেহে পুলিচৰ পদ দিয়া হয়। গতিকে পুলিচে শান্তিৰক্ষাৰ কাৰণে যিবিলাক ব্যৱস্থা কৰিছে কোনো কোনো ক্ষেত্ৰত যদি ই অতিশৰ্য্য হৈছে, সেইটোত বাধা দিব নোৱাৰো। কিন্তু পুলিচৰ কথা অলপ বিবেচনা কৰিবৰ কাৰণে মই মাননীয় সদস্য সকলক অনুৰোধ কৰো। কাৰণ শান্তি ৰক্ষা কৰিবলৈ যোৱা কাম বৰ জটিল, আৰু বৰ দায়িত্বপূৰ্ণ কাম। সেই কাৰণে আমাৰ চৰকাৰৰ পক্ষৰ পৰা পুলিচৰ অতিশৰ্য্য কৰা উদ্দেশ্য নহয়, শান্তি ৰক্ষা কৰাহে উদ্দেশ্য। আৰু কেতিয়াবা কোনো কোনো ক্ষেত্ৰত পুলিচৰ অতিশৰ্য্য হলে তাৰ ব্যৱস্থা নিশ্চয় কৰিম। অধ্যক্ষ মহোদয়, ইয়াত উল্লেখ কৰা যিখিনি কথা সেই আটাইখিনি কথাৰে মই উত্তৰ প্ৰদান কৰিছো।

শ্ৰীমতী ৰেণুকা দেৱী বৰকটকী:— অধ্যক্ষ মহোদয়, মুখ্যমন্ত্ৰী মহোদয়ে সদায় কয় যে, কিছুমান শক্তিয়ে সদায় অন্তৰ্নিহিত ভাবে কাম কৰি আছে, সেই শক্তিবিলাক চৰকাৰে পিন পইন্ট কৰিব পাৰিছেনে নাই? কাগজে পত্ৰই যিবিলাক কথা ওলাইছে এইবিলাক কথা তদন্ত কৰি তাৰ কিবা ব্যৱস্থা কৰিব পাৰিছেনে নাই?

শ্ৰীশৰত চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী) :— অধ্যক্ষ মহোদয়, চৰকাৰে কোনো কোনো ক্ষেত্ৰত ব্যৱস্থা লৈছে আৰু কাম বন্ধ কৰিছে। কিন্তু এই সকলো কাম যে চৰকাৰে বন্ধ কৰিব পাৰিব সেইটো মই কব নোৱাৰো। কাৰণ আজি এই শক্তি বিলাকে আমাৰ সমাজত বাস কৰি আছে।

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা:— অধ্যক্ষ মহোদয়, যিবিলাক শক্তিয়ে কাম কৰি আছে, সেই শক্তি বিলাকক পিন পইন্ট কৰিবৰ কাৰণে আমাৰ যিবিলাক অৰগেনাইজেচন আছে সেইবিলাকে কিয় লকেট কৰিব পৰা নাই এইটোৰ দ্বাৰা আমি ইয়াকে ধৰি লব পাৰো নেকি যে, এইদৰে চৰকাৰে গা এৰাবৰ বাবে চেষ্টা কৰিছে।

শ্ৰীশৰত চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী) :— অধ্যক্ষ মহোদয়, এইটো গা এৰা কথা নহয়।

Mr. Speaker :— Now, Item No. 5— Resolutions. Resolution No. 20 Hon'ble Members Shri Chandra Bahadur Chetri and Shri Tarun Chandra Chutiya are absent. Now, Resolution No. 21. Shri Lakshmi Kanta Saikia— will you move ?

Shri Lakshmi Kanta Saikia :— Yes, sir. i beg to move that this Assembly do recommend to the Govt. of Assam to take immediate steps to rationalise appointment of posts in all Govt. and Semi-Govt. services so that Subdivision-wise population of each caste, tribe or class of people in the State is reflected.

Shri Santi Ranjan Das Gupta :— Sir, I beg to move that the words 'of each caste, tribe or class of people' appearing in the 8th and 9th line in between the words 'population' and 'in' shall be substituted by the words 'pattern' and the word 'suitably' be inserted in between the words 'is' and 'reflected' appearing in the 9th line". Then, sir, after the amendment the whole resolution will be like this "that" this Assembly do recommend to the Govt. of Assam to take immediate steps to rationalise appointment of posts in all Govt. and Semi-Govt. services so that Subdivision-wise population pattern in the State is suitably reflected".

Shri Subhankar Singha :— Mr. Speaker, sir, I beg to move that "the word 'all' appearing in the 5th line in between the words 'in' and 'Govt' shall be deleted"

Mr. Speaker : – Have you accepted this ?

★শ্ৰীলক্ষীকান্ত শইকীয়া : Yes, sir, অধ্যক্ষ মহোদয়, যি দুটা সংশোধনী উত্থাপন কৰিছে তাক গ্ৰহণ কৰিছো আৰু মূল প্ৰস্তাবৰ ওপৰত দুষাৰ কব বিচাৰিছো। এই প্ৰস্তাবটো উত্থাপন কৰিবলৈ পাই মই নিজে দুখ অনুভব কৰিছো। কিয়নো এখন গনতান্ত্ৰিক দেশত ধৰ্ম্মনিৰপেক্ষ ৰাষ্ট্ৰত এখন ৰাজ্যৰ এই বিধান সভাৰ সদস্য হৈ এটা এনে প্ৰস্তাৱ আনিবলৈ পোৱাটো আনন্দৰ বিষয় নহয়। আজি যিটো প্ৰস্তাব বিধান সভাত উত্থাপন কৰিছো ই ৰাষ্ট্ৰীয় সংহতি পৰিষদৰ গোটেই দেশৰ সংহতিৰ প্ৰস্তাব। যেতিয়া

★ Speech not corrected

কাশ্মীৰত আলোচনা কৰে সেই অধিবেশনত এটা কথা স্বীকাৰ কৰিছিল যে ৰাষ্ট্ৰীয় সংহতি ৰক্ষা কৰাত ৰাষ্ট্ৰৰ গোটেই প্ৰশাসন ব্যৱস্থাৰ যি নিয়োগ নীতি এই নিয়োগ নীতিয়ে যথেষ্ট ধৰণে প্ৰভাব বিস্তাৰ কৰে। এই নিয়োগৰ ক্ষেত্ৰত যাতে আঞ্চলিক বৈষম্য নাথাকে বা কোনো ভাষা বা ধৰ্ম্মৰ বা কোনো জাতিগত বৈষম্য নাথাকে তাৰ কাৰণে কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্যিক চৰকাৰে বিশেষভাৱে লক্ষ্য ৰাখিব লাগে। আমি স্বাধীনতা লাভ কৰাৰ পিচত আশা কৰিছিলো যে ৰাষ্ট্ৰীয় পৰ্য্যায়ৰ লগতে ৰাজ্যিক পৰ্য্যায়ত এই সম্পৰ্কত সকলো ধৰণৰ ব্যৱস্থা হব আৰু ৰাজ্যৰ মানুহৰ মনৰ পৰা অশান্তি দূৰ হব। এই কথাটো দুখেৰে সৈতে উল্লেখ কৰিবলৈ বাধ্য হৈছো যে আজি ৰাষ্ট্ৰৰ ক্ষেত্ৰত আমি যদি চাও গোটেই অসমৰ কথাটো লক্ষ্য কৰি দেখা পাও যে কেন্দ্ৰীয় চৰকাৰক অসম ৰাজ্যত বসবাস কৰা লোক সকলে যি ধৰণে প্ৰতিনিধিত্ব পাব লাগিছিল নিয়োগৰ ক্ষেত্ৰত সেইটো পোৱা হোৱা নাই। সেইবোৰত অসম দেশে যি ধৰণে স্থান পাব লাগিছিল সেইটো পোৱা নাই। কেন্দ্ৰীয় চৰকাৰৰ চৰকাৰী আৰু বেচৰকাৰী প্ৰতিষ্ঠান বিলাকত অসমৰ মানুহে যি ধৰণে স্থান পাব লাগিছিল সেইটো পোৱা নাই। অকল সেয়ে নহয় এটা দুৰ্ভাগ্যৰ বিষয় ৰাজ্যিক চৰকাৰৰ চৰকাৰী বেচৰকাৰী আৰু অৰ্দ্ধচৰকাৰী যি বিলাক প্ৰতিস্থান আছে তাত যি নিয়োগ হৈছে সেই নিয়োগৰ ক্ষেত্ৰত দেখা পোৱা হল মাত্ৰ কেইটামান অঞ্চলৰ মানুহে বেচি প্ৰধান্য লাভ কৰিছে। মই কোনো বিশেষ অঞ্চল বা বিশেষ ধৰ্ম্মৰ অভিযোগ আনিব খোজা নাই। বাস্তৱ সত্যটোহে উল্লেখ কৰিবলৈ বাধ্য হৈছো। এটা কথা মনত ৰখা উচিত যে প্ৰত্যেক অঞ্চলৰ লোকে প্ৰশাসনত অংশ গ্ৰহণ কৰিবৰ সুযোগ সুবিধা পায়। সেই হিচাবে গঢ় দিলে প্ৰশাসনত সকলো লোকে যোগদান কৰিব পাৰিব আৰু গোটেই ৰাজ্যখন লাভবান হব পাৰিব আৰু ৰাষ্ট্ৰ তথা ৰাজ্যৰ সংহতিৰ ক্ষেত্ৰত যথেষ্ট ৰহণি যোগাব পাৰে। কিন্তু দুৰ্ভাগ্য যে আমি লক্ষ্য কৰিছো যে আজি অসমৰ কেইটামান অঞ্চল বৰ বেয়াকৈ বাদ পৰি গৈছে যিহেতুকে সেই অঞ্চল বিলাকৰ পৰা অসম চৰকাৰৰ কোনো বিষয় বাবদ নাছিল। আজি ২৬ বছৰৰ পিচত সেই অঞ্চল বিলাকৰ পৰা মানুহে নিয়োগৰ সুবিধা পোৱা নাই। আন অঞ্চলৰ হিচাব পত্ৰ মোৰ হাতত নাই। মই যিটো অঞ্চলৰ পৰা আহিছো অৰ্থাৎ মঙ্গলদৈ মহকুমাৰ পৰা এইটো কথা উল্লেখ কৰিবলৈ পাই দুখ পাইছো অসম চৰকাৰৰ চৰকাৰী, অৰ্দ্ধচৰকাৰী বেচৰকাৰী বা সচিবালয়. সঞ্চালক অফিচ বিলাক তাৰ মানুহ পাবলৈ নাই। বিধান সভাৰ যি সচিবালয় আছে তাতো যদি চায় আমাৰ মানুহে সুযোগ সুবিধা পোৱা নাই। প্ৰত্যেক অঞ্চলৰ মানুহে যাতে এনে সুবিধা পায় এই কথাটোলৈ লক্ষ্য ৰখা উচিত। কিয়নো বাইজৰ প্ৰতিনিধি সকলে যেতিয়া কাম কৰিবলৈ আহো তেতিয়া কাৰ্য্যালয় বিলাকত দেখা পাওঁ যে যি অঞ্চলৰ বিষয়া বা কৰ্ম্মচাৰী আছে সেই অঞ্চলৰ মানুহে

সুযোগ সুবিধা পায়। যি অঞ্চলৰ বিষয়া কোনো বিভাগত নাই সেই অঞ্চলৰ কাম কৰাত অসুবিধা হৈ পৰে। সাধাৰণ মানুহ বিলাক আহিলে অচিনাকী ৰাজ্যত সোমোৱা বুলি ভাবে। বাইজে স্বতঃস্ফূৰ্ত কাম কৰাৰ যি প্ৰেৰণা পাব লাগে সেইটো নোপোৱাৰ ফলত বিমুখ হৈ যায়। মনত বেয়া ভাব পোষণ কৰি লৈ যায়। সংহতিত প্ৰেৰণা যোগাবৰ কাৰণে এই ভাব আতৰ কৰিব লাগে। মই যোৱা তিনিটা বছৰৰ অভিজ্ঞতাৰ পৰা দেখিছো কাম হৈছে নে নাই সেইটো খবৰ পোৱাত যথেষ্ট অসুবিধা আহি পৰে। যিটো অঞ্চলৰ বিষয়া বা কৰ্ম্মচাৰী থাকে সেই অঞ্চলৰ কাম হোৱাত বা খবৰ পোৱাত সুবিধা আছে। আন আন অঞ্চলৰ লোকৰ সেই সুবিধা নাথাকে। মই এনেকৈ নিজে বাৰে বাৰে মঙ্গলদৈ মহকুমাৰ কথা উল্লেখ কৰিবলৈ পাই লাজ পাইছো। মঙ্গলদৈ মহকুমাই আজি ৰাজ্যিক পৰ্য্যায়ত কোনো সুবিধা পোৱা নাই। যদি কিবা নিয়োগৰ ব্যৱস্থা ওলাই অন্য জিলাৰ পৰা নিয়োগ কৰি পঠোৱা হয়। আমি এটা ব্যৱস্থা দেখিবলৈ পাইছো যে জিলা পৰ্য্যায়ত কোনো নিয়োগ ব্যৱস্থা হয় তেন্তে কেন্দ্ৰ স্থলত নিয়োগ কৰি ইয়াৰ পৰা স্থানান্তৰ কৰি পঠোৱা হয়। এইদৰে স্থানান্তৰৰ নামত পিচপৰা ঠাইলৈ পঠিয়াই দিয়ে। ইয়াৰ ফলত আমাৰ যিবিলাক নিবনুৱা ডেকা লৰা ছোৱালী ওলাইছে তেওঁলোক বঞ্চিত হৈছে। এইটো অৱশ্যে ঠিক যে নিয়োগৰ যোগেদি নিবনুৱা সমস্যা সমাধান কৰিব নোৱাৰি। তথাপি আংশিকভাৱে যি পাৰি সকলো লৰা-ছোৱালীয়ে সুবিধা পাব লাগে। এই সদনত তিনি বছৰ ধৰি অভিযোগ শুনিছো যে এটা জাতীয়ে সুবিধা পোৱা নাই আন এটা জাতীয়ে সুবিধা লৈছে। আমি সকলোৱে নিয়োগৰ বিষয়ত ৰাষ্ট্ৰীয় সংহতি ৰক্ষা কৰিব লাগিব। আমি যিহেতুকে ধৰ্ম্মনিৰপেক্ষতা অবলম্বন কৰিছো কোনো জাতি বা ধৰ্ম্মৰ নামত নিয়োগ হব নোৱাৰে। আজি কোৱা হৈছে যে এটা জাতীয়ে আন এটা জাতীক পিচ পেলাই ৰাখি থৈছে। কিন্তু কোনে কাক পিচ পেলাইছে সেইটো নিৰ্ণয় কৰা হোৱা নাই আৰু সম্ভৱ নহয়। মই কোনো বিশেষ এটা জাতিৰ উদাহৰণ দিব খোজা নাই। আমি এনে এটা ব্যৱস্থা কৰিব লাগিব যি ব্যৱস্থাৰ যোগেদি অসম ৰাজ্যৰ প্ৰত্যেক অঞ্চলৰ মানুহে আৰু প্ৰত্যেক জাতিৰ মানুহে যাতে প্ৰশাসনত যোগদান কৰাৰ সৌভাগ্য হয়। দৃঢ়ভাৱে চৰকাৰে এই ব্যৱস্থা কৰিব লাগিব। আমাৰ দুখীয়া ৰাইজৰ কৰ-কাটলৰ জৰিয়তে প্ৰশাসনত নিয়োগ গ্ৰহণ কৰিছে। গতিকে যি সকল কৰ্ম্মচাৰী আছে তেওঁলোকক পিচপৰা অঞ্চলৰ পৰা এটা গোহাৰি জনাব খুজিছো যে যাতে তেওঁলোকে সকলো লোকক সুযোগ সুবিধা দিয়াৰ ব্যৱস্থা লয়। কোনো অঞ্চলৰ লোকক বঞ্চিত কৰাৰ অধিকাৰ তেওঁলোকক দিয়া হোৱা নাই। আমাৰ কোনো অঞ্চলৰ মানুহ যাতে ক্ষুণ্ণ নহয়, আতৰি যাব লগা নহয় যাতে সকলোৱে সুযোগ সুবিধা পায় তাৰ প্ৰতি চিন্তা কৰি চাব। এই খিনিকে কৈ যাতে সকলোৱে প্ৰস্তাৱ গ্ৰহণ কৰে তাৰ বাবে অনুৰোধ জনালো।

(At 4·32 P.M. Mr. Speaker left the Chamber and Mr. Deputy Speaker occupied the Chair).

Shri Santi Ranian Das Gupta : Mr Deputy Speaker, Sir, I support the resolution moved by my Hon'ble Friend Shri Lakhi Kanta Saikia and shall request the House to accept the resolution as amended. Sir, here it has been stated in the resolution that the population pattern in the state of Assam should be reflected in the state Government services and in the semi-Government services. Now, what is the population pattern in the State of Assam, Sir? We find that altogether there are 71 towns small or big in Assam comprising a population of 12 lakhs whereas we have in the whole of Assam 20565 villages inhabited by the people having a population of more than 1 crore and 34 lakhs. Therefore, Sir, altogether 7% of the population live in the town area and out of these 71 towns in Assam, there are only one 'A' class town and 4 'B' class towns and nearabout 12 'C' class towns. 'A' class towns having a population of more than 1 lakh, 'B' class towns having a population of more than 50,000 and 'C' class towns having a population of more than 20,000 but less than 50,000. Now the question of appointment in services. Whenever any vacancy arises in places nearabout the towns whether in the State level or in the district level, people who are nearer the towns get the preference. As a result, there are growing discontentment in the rural areas because even if the suitable candidates are available in the rural areas, they cannot get the constant touch with the towns, as a result, they cannot apply in due time or they cannot get the information in due time and therefore they lose the opportunity to get a suitable job. The unemployment position of the State has been very serious indeed. It has already exceeded more than a lakh in the employment register though the entire unemployment position has not been reflected in the Employment register of the whole state. Unless something is done or unless the cases of the rural population are favourably considered then Sir, there will be serious agitation, serious discontentment which is already there in the minds of the rural youths

and ultimately it may tell upon the law and order position of the State, it will tell upon the economic situation of the State, it will tell upon the progress of the State. Every where it will hamper the growth of the State. Therefore, Sir, I request the State Government to consider this matter very seriously. If the appointments are given to those who are from towns then naturally the question arises whether the boys who have been educated or who are suitable or who have got proper education, whether their cases will be considered properly by the State Government or not. They have got the claim over the Government and they must claim for that and if they cannot easily get it then they will go in for agitation and in every constituency, as my Hon'ble friend Shri Saikia has stated an example of his constituency, many hon'ble members will agree with him, that in the rural areas constituency, even in small towns, the growing unemployment question is seriously agitating not only the society but also every leading citizen of that particular area. So, sir, this is a serious problem and serious point we shall have to consider. While considering this thing, Sir, I shall request the Hon'ble House to consider one point which also equally serious, i. e., the term, 'local people'. The term 'local people' has not been as yet clearly defined by our State. As a result, serious question has arisen though the Employment Review Committee has submitted the first volume the second volume and the third volume of the report and yet the term 'local people' has not been specifically and clearly defined in any of the reports. I shall request the State Government to consider this point as otherwise for the linguistic minority people it has become difficult to get their names registered in the Employment Exchange, particularly in Nowgong Employment Exchange I know, that hundreds of people are being refused by the Employment officer and ultimately they cannot get their names registered there in the Employment Exchange. So, Sir, this point also should be considered and this should be clearly and specifically defined by the State Government. Sir, I agree with my Hon'ble Friend,

Shri Saikia that through the services only we cannot solve the entire problem of unemployment. It is quite true and there is no denying the fact that the entire unemployed people cannot be employed by the resources of the State whether Government or semi-Government it is not possible and that is why resolutions where adopted by this House that in all the industrial institutions in the State they should absorb local people and they should absorb as much as they can. Even then Sir, the growth of education and the growing number of students coming out every year from the schools and colleges every year their names are being recorded in the employment list and as a result every year thousands of young boys after the completion of their studies they wait for their services. Again, though there are employment potentialities in the industries and various cottage industries we have not been able to attract them in those jobs or we have failed to attract them in those matters. Therefore, Sir, the main pressure falls on Government jobs or on semi-Government jobs or on the jobs which are locally available All these points are to he considered by the State Government and the Hon'ble House shall consider how we can form schemes to provide employment to the unemployed people. Even if we cannot provide all the unemployed people, at least the majority of the unemployed people on the basis of caste, or religion should be given opportunities so that the people can think that there is a representative of people who think for the peope of the State as a whole and so their reliance on the State Government grow gradually. Otherwise, they live in despair, they do not know what to do and how to do. As a result they spend their time in gossiping in clubs or do such other things which the elders in the society do not like. Unless we can give them all kinds of opportunities to employ them, how can we expect the young boys to channelise their energy in a proper way for the development and progress of the State ? From all these points we shall have to think about this matter and the thought that this or that group

should be given appointment should be removed from our mind. This resolution perfectly pin-point these points and that appointments in Government and semi-Government offices should be made on the basis of population pattern in the State. Sir, this is a very progressive resolution and I whole-heartedly support it. With these words I support the resolution,

★Mawlana Abdul Jalil Choudhary :— উপাধ্যক্ষ মহোদয়, এতক্ষন আমি এবিষয়ে বলার প্রয়োজন মনে করিনি। কিন্তু একটা কথা না বলে পারছিনা। সেটা হলো স্বাধীনতা আন্দোলনে সমস্ত ভারতীয় জনসাধারণকে জাতীয়তাবাদের মন্ত্রে একসূত্রে গাঁথার জন্য বিশ্বকবি বলেছিলেন—

"নানা ভাষা নানা মত
নানা পরিধান
বিবিধের মাঝে দেখ
মিলন মহান।"

এই 'মহান মিলনকে' বর্তমান স্বাধীন ভারতে অক্ষুন্ন রাথার জন্য সরকারকে আপ্রান চেষ্টা করে যেতে হবে। আমার ভূতপূর্ব বক্তা ঠিকই বলেছেন যে কেবল মাত্র Local ছেলেদের appointment দিয়েই দেশের বেকার সমস্যার সমাধান হবেনা। তাছাড়া এব্যপারে আমার বক্তব্য হলো এই বেকার সমস্যার সমাধান না করতে পারলে দেশের একটা বড় অংশ জনসাধারণের মনে ক্ষোভের সঞ্চার হবে। যেমন একটি ছেলে বেকার থাকলে তার আত্মীয় স্বজন বন্ধুবান্ধব নিয়ে একটি বিরাট গোষ্ঠী সরকারের উপর ক্ষুব্ধ থাকে। একদল লোক আছে যারা ধর্মের দোহাই দিয়ে এই সব issue র উপর জনসাধারণকে প্রতারণা করে, তারা ধার্মিক নয়। আমি মনে করি, প্রকৃতপক্ষে আমরা ধার্মিক না হওয়ার দরুণ আজ আমাদের এত দুরবস্থা, এত সমস্যা। প্রস্তাব পাশ করে কত সমস্যার সমাধান হবে। এই প্রস্তাবকে সামগ্রিক রূপ দেবার জন্য কি কর্মচারী, কি জনসাধারণ, কি সরকার কারোর যদি সততা না থাকে তাহলে কি করে সমস্যা সমাধান করা যাবে? এই ভাবধারা না থাকার জন্যই আজ দেশের এই অবস্থা!

উপাধ্যক্ষ মহোদয়, কবিগুরুর 'ভারতীয়'র যে সংজ্ঞা, সেই অর্থেই আমি ভারতীয়। কিন্তু বর্তমানে যে ভাবধারা বিদ্যমান সেটা সত্যিই লজ্জাকর। পাঞ্জাবী বিহারীকে দেখতে পারেনা, অসমীয়া বাঙালীকে দেখতে পারেনা বাঙালী অসমীয়াকে দেখতে পারেনা ইত্যাদি যে ভাবে প্রকট রূপ নিয়েছে এতে সমস্ত ভারতীয় জাতীয়তাবাদের ধ্বংস ডেকে আনতে পারে। আমি বাঙালী হলেও আসামে যখন আছি— আমি

*Speech not corrected

বাঙলাভাষী অসমীয়া। ঠিক তেমনি ভাবে হিন্দু, মুসলমান, শিখ, জৈন ইত্যাদিও ভারতীয়। নিযুক্তির ক্ষেত্রে কেন এসব প্রশ্ন আসবে। এখানে আমি লক্ষ্য করেছি, এমন কি অনেক মন্ত্রী পর্যন্ত নিজেকে 'মুসলমান' বলে পরিচয় দিতে ভয় করেন, কেন? আমি আমার অভিজ্ঞতা থেকে বলছি। এই Secretariat এর কোন বিভাগে গেলে 'মুসলমান' বলে আমাকে অনেকে পাত্তা দেয়না। এই ভাবধারা তো দেশাত্মবোধক নয়।

উপাধ্যক্ষ মহোদয়, আমাকে মাপ করবেন সত্য কথা অপ্রিয় হলেও, বলা আমার অভ্যাস। এই বিধান সভার সচিবালয়ের এই Attendent এর চাকরীর জন্যও কি কোন এক বিশেষ সম্প্রদায়ের মধ্যে যোগ্য লোক নেই? একটাও চাপরাশী তো সেই সম্প্রদায়ের নেই? কেন?

শ্রীতুলাল চন্দ্র বৰুৱা :— উপাধ্যক্ষ মহোদয়, এই যিটো আলোচনা হৈছে তাৰ দ্বাৰা যে খুব এটা সুস্থ পৰিবেশ সৃষ্টি কৰিব পৰা হব সেইটো আমি অনুমান কৰিব নোৱাৰো। যিহেতু এই প্ৰস্তাৱটোত কোনো ধৰণৰ আপত্তি অহা নাই তেনে ক্ষেত্ৰত এই আলোচনাৰ দ্বাৰা যে কিবা এটা সুস্থ পৰিবেশ সৃষ্টি হব সেইটো অনুমান কৰিব নোৱাৰি।

M. A. Jalil Choudhury : - মহাশয়, বহুবার এ সম্বন্ধে এই বিধান সভায় আলোচনা হয়েছে। আমার মতে, অন্তরের কথা পরিষ্কার করে বলে তার একটা Remedy বের করা উচিত। সুস্থ আবহাওয়া বক্তৃতায় নষ্ট যদি হতো তবে এই বিধান সভায় এমন সব কথা আগেও আলোচনা হয়েছে যার ফলে বাইরের আবহাওয়া বিষাক্ত হতে পারতো, কিন্তু হয়নি।

Mr. Dy. Speaker :— আপনার কত সময় লাগবে?

M. A. Jalil Choudhury :— ১৫ মিঃ সময় লাগবে।

Mr. Deputy Speaker — The House Stands adjourned till 10 A.M. tomorrow.

( The House rose at 5 P. M. )

Dated :
Dispur
The 1st April, 1975

P. D. BARUA
Secretary
Legislative Assembly